(c) What was the cause of such lathi charge by the Police inside the Jail ?

Shri MAHENDRA NATH HAZARIKA (Minister, Jails) replied :

383. (a)—No. There were no Mizo Prisoners in the Nowgong Special Jail in February, 1971. 129 Prisoners of Nagaland were detained there.

(b) & (c)—The Naga Prisoners resorted to violent activities on 14th February 1971 for which they had to be controlled by use of force. Sixty Prisoners and 25 Government employees sustained injuries.

### দাস আয়োগৰ মৰগীয়া বানচ

শ্ৰীলক্ষেশ্বৰ দাসেই সুধিছে :

*৩৮৪। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) পঞ্চায়ত বিভাগত কাম কৰা তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীসকলক দাস আয়োগে দিয়া ওপৰঞ্চি মৰগীয়া বানচ ২০·০০ (বিশ) টকা কাটি হ্ৰাস কৰা সঁচা নে ?

(খ) যদি সঁচা হয়, এই লোকসকলক চৰকাৰী চাকৰীয়াৰ সমপৰ্য্যায়ত ধৰা নহয় নেকি ?

(গ) যদি ধৰা নহয় তেনেহলে তেখেতসকলৰ এই ক্ষতি চৰকাৰে কেনে ধৰণে পূৰণ কৰিবলৈ চিন্তা কৰিছে ?

পঞ্চায়ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকাই উত্তৰ দিছে :

৩৮৪। (ক)—দাস আয়োগে দিয়া ওপৰঞ্চি ২০·০০ (বিশ) টকা মৰগীয়া বানচ চৰকাৰী চাকৰীয়ালৰ বাবেহে প্ৰযোজ্য। অসম পঞ্চায়ত আইনৰ (সংশোধনী সহ) ৩২ ধাৰা মতে পঞ্চায়ত কৰ্মচাৰিসকল চৰকাৰী চাকৰীয়াল নহয় বাবে ওপৰুক্ত

মৰগীয়া বানচ দিয়া বা হ্রাস কৰা প্ৰশ্ন নুঠে। যদি পঞ্চায়তে নিজৰ পুঁজিৰ পৰা এনে মৰগীয়া বানচ তেওঁলোকৰ কৰ্মচাৰিসকলক দিব খোজে তেনেহ'লে পঞ্চায়ত বিভাগে তেনে মৰগীয়া বানচ অন্যান্য চৰকাৰী কৰ্ম্মচাৰিয়ে পোৱা মৰগীয়া বানচৰ নিৰিখ আৰু পদমৰ্যাদা মতে পাব পাৰে।

(খ) আৰু (গ) ওপৰুক্ত প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এনে প্ৰশ্ন নুঠে।

## Re: MANAGEMENT OF ASSOCIATED INDUSTRIES

Shri DULAL CHANDRA BARUA asked :

*385. Will the Minister-in-charge of Industries be pleased to state—

(a) Whether it is fact that the management of Associated Industries, Chandrapur has served notices of retrenchment to 300 of their workmen with effect from November 8, 1970 ?

(b) If so, what are the resons for such retrenchment ?

(c) Whether Government has taken timely steps to stop this retrenchment by all means possible ?

Shri BISWADEV SARMA (Minister, Industries) replied :

385. (a)—The Textile Unit of the Company was closed from 20th October 1970. The services of 73 temporary employees were terminated on 19 October 1970 without any notice and the services of 365 permanent employees were terminated on 19th November 1970 with one month's notice.

(b)—Reportedly due to financial difficulties of the Compay, arising out of continuous loss and shortage of working capital.

(c)—There is no legal provision empowering the Government to stop retrenchment. However the steps taken by Government about this matter have been reported to the House from time to time.

Re : HARIBHANGA GIRLS' HIGH SCHOOL

Dr. BHUMIDHAR BARMAN asked :

*386. Will the Minister-in-charge of Education be pleased to to state—

(a) Whether it is a fact that Government sanctioned Rs. 5,000 as grant for construction of Girls' Common Room of Haribhanga High School in the last year (Kamrup District) ?

(b) If so, whether the money had been dibursed to the school authority ?

(c) If not, the reasons there of ?

Shri SARAT CHANDRA GOSWAMI (Minister of State for Education) replied :—

386. (a)—Yes.

(b)—Yes.

(c)—Does not arise.

Re : APPOINTMENT IN THE ASHOK PAPER MILLS Ltd.

Shri KANDARPA NARAYAN BANIKYA asked :

*387. Will the Minister-in-charge of Industries be pleased to state—

(a) How many applications were received by the H. O. of the Ashok Paper Mills Ltd. at Gauhati from the District of Goalpara ?

(b) Whether the applications were sent under Regd. A/D ?

(c) Whether all of them will be called for interview and if so when ?

(d) Whether the interview will be taken at Abhayapuri under Goalpara District ?

(e) Who are the members of the interview board ?

Shri BISWADEV SARMA (Minister, Industries) replied :

387. (a)—The applications received at Gauhati office of Ashok Paper Mills Ltd are being sorted out Districtwise and it will be known only after some time how many of them were received from the Goalpara District alone.

(b)—Some were received under Regd. A/D.

(c)—Only those eligible will be called for interview. Time for the same has yet to be fixed.

(d)—Candidates from Goalpara District, if found suitable, will be called for interview at Abhayapuri.

(e)—As this is the first advertisement for recruitment to junior posts for the project site, no selection committee has yet been formed. A selection committee will be formed locally at Abhayapuri for the candidates to be called for interview at Abayapuri consisting of an officer who is in charge of civil works and some officers from Government of Assam.

Re: BRIDGE OVER RIVER BARANADI

SHRI NAKUL CHANDRA DAS asked :

*388. Will the Minister-in-charge of Public Works Department ( Roads and Buildings ) be pleased to state—

(a) Whether it is a fact that there has been inordinate delay in construction of the bridge over the river Baranadi on the North Trunk Road ?

(b) If, so, the causes for the delay ?

(c) Who is the contractor of this bridge ?

(d) When the construction work will be resumed and by what time the bridge is likely to be completed ?

Shri ALTAF HOSSAIN MAZUMDER [Minister, Public Works Department (Roads and Buildings)], replied :

388. (a)— Yes, there has been delay in construction of the bridge.

(b)— The delay has been partially due to delay in approval of the designs and drawings by the Government of India, but mainly due to inadequate labour force employed by the contractors and stopage of the work by the contractors since July 1970.

(c)— The Assam Government Construction Corporation Limited.

(d)— The bridge is likely to be completed by 31st December 1971 as per programme proposed to be submitted by the A. G. C. C. for the work which is still awaited.

## দলীল ৰেজিষ্ট্ৰেচন

শ্ৰীশৰৎ চন্দ্ৰ বাভাই সুধিছে :

*৩৮৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

(ক) এই কথা সঁচা নে যে গোৱালপাৰা মহকুমা আদালতৰ ৰেজিষ্ট্ৰেচন কাৰ্য্যালয়ত ২১।১১।৬৯ তাৰিখে ২১১৫ নম্বৰৰ দলিল মতে জমি খৰিদ হৈ গৈছে ?

(খ) যদি হৈছে, তেন্তেহলে এই জমি কোনে কাক বিক্ৰী দলিল ৰেজিষ্টাৰ কৰি দিছে আৰু এই জমিৰ পৰিমাণ নম্বৰ কিমান অনুগ্ৰহ কৰি জনাব নে ?

(গ) উক্ত জমি খৰিদ্দাৰৰ নামত তুধনৈ ৰেভিনিউ চাৰ্কোল অফিচত ১২।৩।৬৮ ইং তাৰিখেই নামজাৰি হোৱা কথাটো হয় নে ?

(ঘ) যদি হয় তেনেহলে বিক্ৰী দলিল ৰেজিষ্ট্ৰেচন নোহোৱাৰ ২০ মাহৰ আগতেই কেনেকৈ হ'বলৈ পালে অনুগ্ৰহ কৰি জনাব নে?

ৰাজহ বিভাগৰ মন্ত্ৰী শ্ৰীবিশ্বদেৱ শৰ্মাই উত্তৰ দিছে:

৩৮৯। (ক)—২১২৫ নং দলিল ৪।১১।৬৯ তাৰিখে ৰেজিষ্ট্ৰেচন কৰা হৈছিল।

(খ)—উক্ত দলিল মতে তৌজী নং ১৩১ৰ ২৫ বিঘা মাটি আফাবুদ্দিন চিবাজুল মুন্সিফ বিক্ৰী কৰিছিল।

(গ)—২৯।৭।৬৯ তাৰিখে চিঠা নামজাৰি কৰা হৈছিল।

(ঘ)—এই প্ৰশ্ন নুঠে কিয়নো দলিল ৰেজিষ্টাৰ কৰা দহ বছৰৰ পাচতহে নামজাৰি কৰা হৈছে।

## Re: POLICE OUTPOST AT SRIJANGRAM

Shri KANDARPA NARAYAN BANIKYA asked:

*390. Will the Chief Minister be pleased to state—

(a) Whether Government is aware that there is a need of a Police Outpost at Srijangram and Lengtichinga, under Goalpara Subdivision ?

(b) If so, whether Government propose to establish such Outpost ?

(c) If not, why ?

Shri MAHENDRA MOHAN CHOUDAURY (Chief Minister) replied:

390. (a)—Establishment of Police Outpost at Srijangram and Lengtichinga is not necessary as both the places are situated within six miles from Abhayapuri police station.

(b) & (c)—Do not arise.

## Re: NON-RECEIPT OF COMPENSATION

Shri MATHURA MOHAN SINHA asked:

*391. Will the Minister-in-charge of P. W. D. (R. & B.) be pleased to state—

(a) Whether Government is aware that the people have

not yet received their compensation of lands acquired for construction of North Kajalgaon-Mulagaon Road under Kokrajhar Divison ?

(b) Whether it is a fact that the Revenue ( L. R. ) Department have submitted the necessary proposal to the P. W. D. ( R. & B. ) in December 1970, and January 1971 last for sanctioning the L. A. cost for the said purpose ?

(c) If so, what are the reasons for not sanctioning the the said L. A. cost as yet ?

(d) Whether Government will consider the matter and arrange early payment of the compensation to the effected persons ?

SHRI ALTAF HOSSAIN MAZUMDER [Minister, P. W. D. ( R. & B. )] replied :

391. (a)— Yes.

(b)— Yes, the Revenue ( L. R. ) Department vide their letters No. R. L. A. 328/68/69, dated 15th December 1970 and No. R. L. A. 328/68/71, dated 13th January 1971, wrote to P. W. D. ( R. & B. ) to expedite sanctioning the L. A. cost in question.

(c)— The L. A. cost could not be sanctioned yet due to excess of L. A. cost over the original sanctioned Estimate which needs revision to enable this Department to sanction the L. A. cost in question. The E. E, P. W. D. ( R. & B. ), Kokrajhar has already been instructed to submit the revised estimate in this connection.

(d)— Yes.

**Re: GOVERNMENT OFFICES OF ABHAYAPURI IN RENTED HOUSES**

Shri KANDARPA NARAYAN BANIKYA asked :

*392. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the Government offices at Abhayapuri under Goalpara Subdivision are running in rented houses ?

(b) Whether Government propose to construct buildings for these offices ?

(c) If so, when ?

Shri MAHENDRA MOHAN CHOUDHURY ( Chief Minister ) replied :

392. (a)—Out of 12 Government offices at Abhayapuri, 7 offices are accommodated in rented houses.

(b) & (c)—Proposals for construction of buildings for 4 offices at Abhayapuri are under examination.

**খাদি ভাণ্ডাৰৰ সংখ্যা**

ডঃ সুৰেন্দ্ৰ নাথ দাসে সুধিছে :

*৩৯৩। মাননীয় খাদি গ্ৰামোদ্যোগ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে যে গোটেই অসমত খাদি গ্ৰামোদ্যোগ বোৰ্ডত কিমানখন খাদি ভাণ্ডাৰ আছে ?

(খ) এই কথা সঁচা নে যে বেচাকিনাৰ ক্ষেত্ৰত প্ৰায়বোৰ খাদি ভাণ্ডাৰতে লোকচান হৈছে আৰু কোন ভাণ্ডাৰত কি লোকচান কিম্বা লাভালাভ হৈছে অনুগ্ৰহ কৰি বিতংকৈ জনাব নে ?

(গ) গোটেই খাদি ভাণ্ডাৰবোৰত কিমানজন কৰ্মচাৰী, যেনে—মেনেজাৰ, বিক্ৰীদাৰ আদি আছে ?

খাদি গ্ৰামোদ্যোগ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকাই উত্তৰ দিছে:

৩৯৩। (ক)—মুঠ ২১ খন খাদি ভাণ্ডাৰ আছে। তাৰে ২ খন মেঘালয়ৰ ভিতৰত পৰিছে।

(খ)— এই কথা সত্য নহয়। ১৬ খন খাদি ভাণ্ডাৰে ৪৪,৯৩৩·৩৬ টকা লাভ কৰিছে আৰু কেৱল ৫ খনতহে ১০,০০৫·২৬ টকা লোকচান হৈছে। বিতংকৈ লিষ্ট দিয়া হ'ল—

| | | | টকা পঃ |
|---|---|---|---|
| ১। ডিব্ৰুগড় খাদি ভাণ্ডাৰ | | | ৪,২৩৪·৩২ |
| ২। তিনচুকিয়া | ,, | ,, | ৮৯৯.৪০ |
| ৩। গোহাটী খাদি ভাণ্ডাৰ ভবন | | | ৮,২৬৪·০৫ |
| ৪। নলবাৰী খাদি ভাণ্ডাৰ | | | ২,১৭০·৩৯ |
| ৫। যোৰহাট | ,, | ,, | ২,৮৩০·৭৬ |
| ৬। গোলাঘাট | ,, | ,, | ১,০১১ ১০ |
| ৭। তেজপুৰ | ,, | ,, | ২,০৪৯ ১৩ |
| ৮। শিৱসাগৰ | ,, | ,, | ১,৭৩০·৫৮ |
| ৯। কৰিমগঞ্জ | ,, | ,, | ১,৫৭০·০৭ |
| ১০। শ্বিলং | ,, | ,, | ১১,৫৬৭·৬৬ |
| ১১। বৰপেটা | ,, | ,, | ১৩২·০৯ |
| ১২। বদৰপুৰ | ,, | ,, | ৭৫৬ ৯৫ |
| ১৩। ৰহা | ,, | ,, | ৪,০৩৯ ১৮ |
| ১৪। জামুগুড়িহাট | ,, | ,, | ১৫৪·৬৪ |
| ১৫। তুৰা | ,, | ,, | ২,৭০৪·৬২ |
| ১৬। হাওৰাঘাট | ,, | ,, | ৮১৩ ৪২ |
| | | মুঠ লাভ | ৪৪,৯৩৩ ৩৬ |

| | | টকা-পঃ |
|---|---|---|
| ১ । | নগাওঁ খাদি ভাণ্ডাৰ | ১৪১·৪৮ |
| ২ । | শিলচৰ ,, ,, | ৩৪৪·৪৪ |
| ৩ । | নৰ্থ লক্ষীমপুৰ খাদি ভাণ্ডাৰ | ১,৬১৪·৩৯ |
| ৪ । | আমাৰ ভাণ্ডাৰ, গৌহাটী | ৬,৮৭১·২৭ |
| ৫ । | বঙ্গাইগাওঁ খাদি ভাণ্ডাৰ | ১,০৩৩·৬৮ |
| | মুঠ লোকচান | ১০,০০৫·২৬ |

(গ)—মুঠ ৪৮ জন কৰ্মচাৰী আছে। ইয়াৰ ভিতৰত ১৫ জন মেনেজাৰ, ১৩ জন বিক্ৰীদাৰ আৰু ২০ জন চকিদাৰ আছে।

## Re : TAPA HIGH SCHOOL

Shri DHARANIDHAR CHOUDHURY asked :

*394. Will the Minister-in-charge of Education be pleased to state—

(a) When the Tapa High School in Barpeta Subdivision was established ?

(b) Why the School has not yet been formally permitted to open Clas IX and Class X ?

(c) What is the number of students enrolled in upper four classes of the School ?

Shri SARAT CHANDRA GOSWAMI (Minister of State for Education) replied :

394. (a)—In 1961.

(b)—Board of Secondary Education refused permission to open Class IX and X as it has not fulfilled the required conditions in respect of enrolment and distance from the nearest schools.

(c)—Enrolment of the Tapa High School in 1970 is as follows :—

| | | | |
|---|---|---|---|
| Class VII | ... | 55 |
| Class VIII | .. | 43 |
| Class IX | ... | 17 |
| Class X | ... | 12 |
| | | Total | 127 |

## মীনমহল

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে:

*৩৯৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) দিহিং নদীৰ কেইটা মীনমহল আছে ?

(খ) যোৱা কেইটা বছৰত নদীৰ সুঁতি পৰিবৰ্ত্তনৰ ফলত যিবোৰ মৰাসুঁতি সৃষ্টি হৈছে সেই মৰাসুঁতিবোৰ বন্দৱস্তি দিয়া হৈছে নেকি ?

(গ) এই মৰাসুঁতিবোৰ লৈ স্থানীয় ৰাইজৰ মাজত বিবাদ হোৱা বিষয়ে চৰকাৰে জানে নে ?

মীন বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰনাথ হাজৰিকাই উত্তৰ দিছে:

৩৯৫। (ক) দিহিং নৈৰ ভিতৰত সৰ্ব্বমুঠ চাৰিখন চৰকাৰী মীনমহল আছে।

(খ)—হয়, হৈছে।

(গ)—এই বিষয়টো চৰকাৰ অবগত নহয়।

## Re : B. T. COLLEGE AT GOALPARA

Shri BENOY KRISHNA GHOSE asked :

*396. Will the Minister-in-charge of Education be pleased to state—

(a) Whether it is a fact that there is a proposal to open a B. T. College at Goalpara ?

(b) If so, when the said College will be opened ?

(c) Whether it is a fact that the Government has already constructed buildings for B. T. College and its hostels at Goalpara ?

Shri MAHENDRA MOHAN CHOUDHURY (Chief Minister) replied :

*396. (a)—Yes.

(b)—The College will be opend after its buildings are vacated by the Goalpara Sainik School.

(c)—Government have so far constucted Girls' Hostel building, Hostel Superintendent's quarters and Grade IV quarters.

### চিচুপানী বনাঞ্চলত মাটি দখল

শ্ৰীপিটসিং কোঁৱৰে সুধিছে :

*৩৯৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) চিচুপানী বনাঞ্চলত, দৈয়াং বনাঞ্চলত নগাৰ এন, এ. পিৰ দ্বাৰা ক্ষতি-গ্ৰস্ত হোৱা ৫০০ শ বড়ো জনজাতীয় লোকে আবাদ কৰি থকা মাটি হাতে হালোৱা নামৰ এটা সংঘই ফটিক ভূঞা নামৰ এজন লোকৰ নেতৃত্বত ১৯৬৯ চনৰ পৰাই জোৰ-দখল কৰিবলৈ চলোৱা প্ৰচেষ্টাৰ কথা চৰকাৰে জানে নে ?

(খ) এই জোৰপূৰ্ব্বক দখল-প্ৰচেষ্টাৰ ফলস্বৰূপে হাতে হালোৱা সংঘ আৰু বড়ো জনজাতিয় কৃষকসকলৰ মাজত এটা সংঘৰ্ষ হোৱা আৰু তাৰ ফলত প্ৰায় ২০০ শ জনৰ অধিক জনজাতিয় লোকক গেপ্তাৰ কৰি বিনা জামিনত গোলা-ঘাট হাজোতত ৰখাটো সঁচা নে ?

(গ) এই সংঘৰ্ষৰ ফলত উদ্ভব হোৱা অশান্তি বন্ধ কৰিবলৈ ১৯।৮।৭০ তাৰিখৰ পৰা ১৫ দিনৰ কাৰণে ১৪৪ ধাৰা আইন জাৰি কৰা কথাটো সঁচা নে আৰু ১৪৪ ধাৰা জাৰি কৰা কালছোৱাৰ ভিতৰত হাতে হালোৱা সংঘই বড়ো জনজাতিয় লোকৰ ধান-চাউল, বাচন-বৰ্ত্তন, টকা-পইচা লুটপাট কৰি নিয়াটো সঁচা নে ?

[ঘ] যদি এই অভিযোগবোৰ সঁচা হয় তেনেহলে চৰকাৰে এই বিষয়ে কি তৎপৰতা অৱলম্বন কৰিছে ?

(ঙ) হাতে হালোৱা সংঘই চলোৱা দৌৰাত্ম্যমূলক কাৰ্য্যৰ প্ৰতি আৱশ্যকীয় ব্যৱস্থা লবলৈ ১৮।৪।৭০ তাৰিখৰ গোলাঘাট ফৌজদাৰী আদালতত দায়েৰ কৰা গোচৰ আৰু ১।৯।৭০ তাৰিখে গোলাঘাট মহকুমাধিপতিৰ ওচৰত বড়ো জনজাতিৰ লোকে দাখিল কৰা আবেদন-পত্ৰ তদন্ত নকৰাৰ কাৰণ কি ?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে :

৩৯৭। (ক) চিচুপানী বনাঞ্চলত কিছুসংখ্যক বড়ো জনজাতি আৰু কিছুসংখ্যক থলুৱা লোকে বন বিভাগৰ মাটি অবৈধভাৱে দখল কৰি থকা কথাটো চৰকাৰে জানে। কিন্তু হাতে হালোৱা নামৰ সংঘই বড়ো জন-জাতীয় লোকৰ মাটি জোৰপূৰ্ব্বক দখল কৰিব খোজা প্ৰচেষ্টাৰ কথা চৰকাৰে অৱগত নহয়।

(খ)— যোৱা ১৬।৮।৭০ তাৰিখে হাতে হালোৱা সংঘই খেতি কৰা মাটিৰ ধান বড়ো জনজাতিৰ লোকে কাটি নিবলৈ কৰা প্ৰচেষ্টা আৰু সেই প্ৰচেষ্টাক হাতে হালোৱা সংঘই বাধা দিয়াৰ পৰিপ্ৰেক্ষিতত দুয়ো দলৰ মাজত এটা সংঘৰ্ষ হয়। সেই সংঘৰ্ষৰ সম্পৰ্কত মুঠ ৮১ জন বড়ো জনজাতিৰ লোকক গ্ৰেপ্তাৰ কৰা হয়। গ্ৰেপ্তাৰ হোৱা লোকসকলক বে-আইনীভাৱে হাজোতত আটক কৰি ৰখা কথাটো সঁচা নহয়।

(গ)— ১৯।৮।৭০ তাৰিখৰ পৰা সেই সংক্ৰান্তত ১৫ দিনৰ কাৰণে ১৪৪ ধাৰা আইন জাৰি কৰা কথাটো সঁচা। কিন্তু বড়ো জনজাতিৰ লোকৰ ধান-চাউল, বাচন-বৰ্ত্তন, টকা-পইচা হাতে হালোৱা সংঘই লুটপাট কৰি নিয়া কথাটো সঁচা নহয়।

(ঘ)— ওপৰত দিয়া (গ)-প্ৰশ্নৰ দ্বিতীয়াৰ্দ্ধৰ উত্তৰ অনুযায়ী এইটো প্ৰশ্ন নুঠে।

(ঙ)— ইংৰাজী ২৮।৭।৭০ তাৰিখেহে শ্ৰীমাধৱ চন্দ্ৰ মুছাহাৰীয়ে শ্ৰীফটিক ভূঞাৰ বিপক্ষে কৰা গোচৰ ফৌজদাৰী আদালতত পোৱা হয়, আৰু আচামী আৰু ফৰিয়াদী দুয়ো পক্ষৰ অনুপস্থিতিত ৩।১১।৭০ তাৰিখে সেই গোচৰ ফৌজদাৰী ন্যায়পালিকাৰ আদালতত নথিভুক্ত কৰা হয়। ১।৯।৭০ তাৰিখে দাখিল কৰা দৰ্খাস্তখন অন্যান্য দৰ্খাস্তবোৰৰ লগতে দুজন দণ্ডাধিকাৰীৰ দ্বাৰা তদন্ত কৰোৱা হয় আৰু অভিযোগবোৰ মিছা প্ৰমাণিত হয়।

## Re: INSPECTION BUNGALOW AT SOLMARA

Dr BHUMIDHAR BARMAN asked :

*398. Will the Minister-in-charge of P. W. D. ( R. & B. ) be pleased to state—

(a) Whether it is a fact that of late the Government sanctioned some amount of money for construction of an Inspection Bungalow at Solmara in the Nalbari Subdivision ?

(b) If so, when the works will be started and when it is expected to be completed ?

Shri ALTAF HOSSAIN MAZUMDER [ Minister, P. W. D. ( R. & B. ) ] replied :

398. (a)— Yes, under the Fourth Five-Year Plan.

(b)— The work has been allotted and will be completed within the Fourth Five-Year Plan period.

## Re: LOAN TO BELSOR CO-OPERATIVE TAILORING SOCIETY

Dr: BHUMIDHAR BARMAN asked :

*399. Will the Minister-in-charge of Co-operation be pleased to state—

(a) Whether it is a fact that of late Rs. 5,000·00 was sanctioned as loan to Belsor Co-operative Tailoring Society ?

(b) If so, who drew the money ?

(c) Whether it is also a fact that the Secretary of the Society misappropriated the entire money ?

(d) If so, what action has been taken by the Government against the said Secretary ?

Shri GOLAK CHANDRA PATGIRI (Deputy Minister, Co-operation) replied :

399. (a)— Yes, the loan was sanctioned by the Industries Department in May, 1959.

(b)— The Chairman of the Society, Shri Bangshi Dhar Barman, on 5th January 1960. But the Chairman, after drawing the amount handed it over to the Secretary, Shri Sarbeswar Barman.

(c)— No. Out of the sanctioned amount, an amount of Rs. 2,900.00 was stolen away from the Secretary of the Society at Gauhati on 5th January 1960 as reported by the Guwahati P. S. vide its report dated 29th April 1960.

(d)— Does not arise in view of (c) above.

Re: HOUSE RENT PAID BY TECHNICAL EDUCATION OFFICE

Shri KANDARPA NARAYAN BANIKYA asked :

*400. Will the Minister-in-charge of Education be pleased to state—

(a) The rent paid up till now to the owner of the house used for Technical Education Office at Shillong ?

(b) Whether the rent was revised with retrospective effect ?

(c) If so, the reasons there of ?

(d) What additional amount has been sanctioned to make the arrear payment with retrospective effect ?

(e) Whether Government propose to shift this office to the Plains area immediately ?

(f) If not, why ?

Shri MAHENDRA MOHAN CHOUDHURY ( Chief Minister ) replied :

400. (a)— The rent at Rs. 292 p. m. was fully paid upto May, 1968 to the owner.

(b)— Yes. The revision of the house rent has been made under the Assam Urban Areas Rent Control Act, 1961 and 1966, with effect from the date of commencement of the respective Acts.

(c)— On an application filed by the house owner.

(d)— Due to non-acceptance of the revised rent certificates by the Government, no additional amount has yet been paid.

(e)— No decision has yet been taken for shifting the office of the Director of Technical Education to the Plains area.

(f)— Does not arise.

## UNSTARRED
## QUESTIONS AND ANSWERS

### Re : পিঙ্গলেশ্বৰ দেৱালয়

শ্ৰীলক্ষ্যধৰ চৌধুৰীয়ে সুধিছে:

৭২। মাননীয় ৰাজহ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কামৰূপ জিলাৰ কৰৰা ( কমলপুৰ চাৰ্কোল ) মৌজাত অৱস্থিত পিঙ্গলেশ্বৰ দেৱালয় ১৯৫০ চনত দলৈৰ দেনাৰ বাবদ ক্ৰোক কৰাৰ কথাটো সঁচানে ?

(খ) সেই দেৱালয়ৰ তেতিয়া কিমান টকা পাবলৈ আছিল ?

(গ) চৰকাৰে যথাক্ৰমে নাৰায়ণ চন্দ্ৰ শৰ্ম্মা আৰু শ্ৰীবলোৰাম বৈশ্যক এজেণ্ট নিয়োক কৰা কথাটো সঁচানে আৰু যদি হয় তেন্তে তেওঁলোকে যথাক্ৰমে কিমান খাজনা আদায় কৰিলে ?

(ঘ) এতিয়ালৈকে কিমান টকা দেনাৰ বিপৰীতে জমা হৈছে আৰু কিমান ৰাকী আছে ?

শ্ৰীবিশ্বদেৱ শৰ্ম্মা ( ৰাজহ মন্ত্ৰীয়ে) উত্তৰ দিছে:

৭২। (ক)—হয়, সঁচা ।

(খ)—সেই দেৱালয়ৰ পৰা ১৯৩৪-৩৫ চনৰ পৰা ১৯৪৮-৪৯ চনলৈ মুঠ ৭,৬৮২ টকা আদায় কৰিব লগা আছিল ।

(গ)—হয়, সঁচা । প্ৰথমজনে ১৫-৫-৫০ পৰা ৫-৯-৫৩ ভিতৰত ৩ ৪৬২ টকা আৰু দ্বিতীয় জনে ২০-৪-৫৫ পৰা ৩০-৬-৭০ ভিতৰত ১৮,৪০৮ টকা আদায় কৰিছিল ।

(ঘ)—সৰ্ব্বমুঠ ২১,৮৭০ টকা আদায় কৰা হ'ল আৰু ৪,৫৪৯ টকা বাকী আছে ।

### Re : FLOOD CONTROL

Shri PREMADHOR BORA asked :

73. Will the Minister, F. C. and I, be pleased to state—

(a) How the news item appearing in the Statesman dated 22nd March, 1971 under the the Caption "Flood Control", Assam assured of Funds by Centere and that the Defence Ministry, Government of India is likely to take over the Construction of the 27 Mile, Kamalabari—North Lakhimpur Road is true?

(b) Whether Government of Assam has taken up the matter with the Defence Ministry?

(c) If so, what way the Government of Assam has been assured by the Centre?

(d) When the assurance will be implemented?

Shri SYED AHMED ALI [Minister of State, P.W D. (F.C. and I)] replied:

73. (a)—In regard to Funds for Flood Control no clear assurance has been given by the Government of India. Regarding the Kamalabari—North Lakhimpur Road the matter is the concern of the P. W. (R. and B.) Department.

(b)—Does not arise in view of reply under (a).

(c) & (d)—Does not arise in view of reply under (a).

Re: নোনা নদীৰ মথাউৰি

শ্ৰীকামিনী মোহন শৰ্ম্মাই সুধিছে:

৭৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কামৰূপ জিলাৰ বৰ্ডিয়া চাৰ্কোলৰ নোনা নদীৰ মথাউৰি নদীখনৰ তলৰ ফালে নিৰ্ম্মাণ কৰি ওপৰৰ ফালে নিৰ্ম্মাণ নকৰাৰ ফলত ওপৰৰ ফালেৰে বাৰিষা কালত পানী সোমাই বৰ্ডিয়া চাৰ্কোলৰ লাতুৰি মৌজাখন প্ৰতি বছৰে বিধ্বস্ত কৰা কথাটো চৰকাৰে জানেনে?

(খ) নোনা নদীৰ তলৰ অংশত মথাউৰি নিৰ্ম্মাণ কৰাৰ কিমান বছৰ হ'ল আৰু ইয়াৰ দৈৰ্ঘ্য কিমান জনাবনে?

(গ) এই কথা সঁচানেকি যে, এই সদনতে মাননীয় সদস্য শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্যৰ এটি প্ৰশ্নত আৰু প্ৰশ্নকাৰীৰ প্ৰশ্নত মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰীয়ে দোনা নদীৰ দুয়ো পাৰে নদীৰ ওপৰৰ ফালে মথাউৰি নিৰ্ম্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল ?

(ঘ) এই প্ৰতিশ্ৰুতিৰ কাম সম্পূৰ্ণ কৰি নদী খনৰ দুয়ো পাৰৰ ৰাইজক বান পানীৰ কবলৰ পৰা মুক্ত কৰাৰ ব্যৱস্থা এই বছৰতে কৰিবনে ?

(ঙ) যদি নকৰে, কিয় নকৰে ?

শ্ৰীচৈয়দ আহমেদ আলী, (বান নিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে) উত্তৰ দিছে :

৭৪। (ক)—জানে ।

(খ)—প্ৰায় ১৫ বছৰ হৈছে আৰু ইয়াৰ দুয়ো পাৰৰ মথাউৰিৰ দৈৰ্ঘ্য সৰ্ব্বমুঠ ৩৬ কিলোমিটাৰ (একোটা পাৰত ১৮ কিলোমিটাৰকৈ) ।

(গ)—সঁচা ।

(ঘ)—আঁচনিটো অনুমোদিত হৈছে । বাৰিষাৰে বেচিদিন নথকা হেতুকে আঁচনিটোৰ কেৱল অতি লাগতিয়াল কিছু অংশৰ কাম হাতত লোৱা হৈছে । বাকী অংশৰ কাম অহা খৰালি মাহত হাতত লোৱা হব ।

(ঙ) উল্লেখিত (ঘ) প্ৰশ্নৰ উত্তৰ অনুযায়ী এই প্ৰশ্নটো আলোচ্য নহয় ।

## Re : Branch Court at Dhing

M. SHAMSUL HUDA asked :

75. Will the Minister, Law be pleased to state—

(a) Whether the Government received any representation from the questioner for a Branch Court at Dhing in Nowgong ?

(b) If so, whether the Government has completed examination of the proposal ?

(c) Whether the Government has obtained opinion of the Hon'ble High Court of Assam and Nagaland in this regard ?

(d) If so, when Government propose to start the Branch Court at Dhing ?

Shri ABDUL MATLIB MAZUMDAR ( Minister, Law ) replied :

75. (a)—Yes.

(b)—No. The matter has still been under examination of the Government.

(c)—No.

(d)—does not arise.

Re : Construction of Forests Quarters

Smti. PRANITA TALUKDAR asked :

76. Will the Minister, Forests be pleased to state—

(a) Why the forests quarters at Sorbhog have not been constructed ?

(b) When the same will be constructed ?

Shri PARAMANANDA GOGOI ( Minister of State, Forests ) replied :

76. (a)& (b)—Two quarters, viz Forester's quarter with cookshed and Forest Guard's quarter with cookshed at Sorbhog, have been constructed during 1970-71.

Re : Subsidised Centre at Jopea

Shri KANDARPA NARAYAN BANIKYA asked :

77. Will the Minister, Health be pleased to state—

(a) Whether a medical subsidised centre was running at Jopea under Srijangram A. P. during 1962-67 ?

(b) Whether it still exists ?

(c) If not, why ?

(d) Whether Government propose to take necessary action for reopening the said centre ?

(e) If not, why ?

Shri CHATRASING TERON (Minister-in-charge, Health) replied :

77. (a)—No.

(b) (c) (d) & (e)—Does not arise in view of (a) above.

Shri Kamakhya Parsad Tripathi, (Minister, Finance) — Sir, I beg leave of the House to introduce the Assam Finance Bill, 1971.

Mr. Speaker—Here is a message from the Governor of Assam :

"Rajbhavan, Shillong, the May 13, 1971 — I recommend, under the provision of Article 207 (*1*) of the Constitution of India, the introduction of the Assam Finance Bill, 1971, in the Assam Legislative Assembly.— Sd: B. K. Nehru, Governor of Assam".

Now I put the question that leave be granted to introduce the Assam Finance Bill, *1*971.

(The motion was adopted.)

Shri Kamakhya Parsad Tripathi : — Sir, I introduce the Bill.

(Secretary read out the title of the Bill)

THE ASSAM PURCHASE TAX (Amendment) BILL 1971.

Shri Kamakhya Parsad Tripathi :— Sir, I beg leave of the House to introduce the Assam Purchase Tax (Amendment) Bill, 1971,

Shri Dulal Chandra Barua — Sir, before introduction of the Assam Purchase Tax (Amendment) Bill, 1971, I want to have certain clarifications from the Finance Minister that this is an amending bill but I want to know whether the original bill has been given effect to. If so when ?

Shri Kamakhya Parsad Tripathi — The original bill has not been given effect to ; it was withdrawn. We are

Re : Notice Under Rules 56 & 57

Shri Hiralal Patwary :— অধ্যক্ষ মহোদয়, এই Item No. 2. ৰ আগতে মই Rule 56 আৰু 57 মতে এই বিষয়টো দাঙি ধৰিছো। এইটোৰ আলোচনা হব লাগে।

Mr. Speaker :— আপোনাক যদি Notify কৰি জনাইছে তেতিয়া হলে এইটো 4.30 ৰ পাচত হব।

Shri Kamakhya Parsad Tripathi, (Minister, Finance) — Sir, I beg leave of the House to introduce the Assam Finance Bill, 1971.

Mr. Speaker—Here is a message from the Governor of Assam :

"Rajbhavan, Shillong, the May 13, 1971 — I recommend, under the provision of Article 207 (*1*) of the Constitution of India, the introduction of the Assam Finance Bill, 1971, in the Assam Legislative Assembly.— Sd: B. K. Nehru, Governor of Assam".

Now I put the question that leave be granted to introduce the Assam Finance Bill, *1*971.

(The motion was adopted.)

Shri Kamakhya Parsad Tripathi : — Sir, I introduce the Bill.

(Secretary read out the title of the Bill)

THE ASSAM PURCHASE TAX (Amendment) BILL 1971.

Shri Kamakhya Parsad Tripathi :— Sir, I beg leave of the House to introduce the Assam Purchase Tax (Amendment) Bill, 1971,

Shri Dulal Chandra Barua — Sir, before introduction of the Assam Purchase Tax (Amendment) Bill, 1971, I want to have certain clarifications from the Finance Minister that this is an amending bill but I want to know whether the original bill has been given effect to. If so when ?

Shri Kamakhya Parsad Tripathi — The original bill has not been given effect to; it was withdrawn. We are

introducing it because of certain difficulties. The matter was referred to the Government of India and Government of India are giving their clearance to it.

Shri Dulal Chandra Barua — Is it a fact that the entire matter is lying with the High Court ? Whether there is any provision under which we can introduce this amending bill, when the original bill was not given effect to ?

Shri Kamakhya Parsad Tripathi, — The original bill was passed by this House and there is an Act. But certain difficulties arose in the implementation of the Act for which the parties went to High Court.

Shri Atul Chandra Goswami— Difficulties বোৰ কওক।

Shri Kamakhya Parsad Tripathi :— The hon Member will please study the provisions of the bill. As stated earlier, due to the difficulties in the implementation of the Bill we have to bring in this amending bill.

Shri Dulal Chandra Barua — When the original bill was not given effect to how this bill can come. The bill is not in existence.

Shri Kamakhya Parsad Tripathi — The bill was passed and given effect to by gazette notification. So the bill is there. But realisation of money was stayed by the High Court because certain anomalies cropped up in the matter of registration of the firms and for that purpose we had withdrawn the bill. Now we are bringing in the emending bill for the purpose of regularisation.

Shri Dulal Chandra Barua :—If that bill remains stands still

whether we can bring in this amending bill and whether the provisions of the amending bill can be given effect to ?

Shri Kamakhya Parsad Tripathi :— Yes Sir.

Shri Dulal Chandra Barua — In what way ?

Shri Kamakhya Parsad Tripathi :— Under the provisions of the bill.

Mr. Speaker —Here is a message from the Governor of Assam :

"Rajbhavan, Shillong, the May 13, 1971— I recommend, under the provision of Article 207 (I) of the Constitution of India, the introduction of the Assam Purchase Tax ( Amendment) Bill, 1971, in the assam, Legislative Assembly — Sd : B. K. Nehru, Governor of Assam".

I put the question that the Assam Purchase Tax ( Amendment ) Bill, 1971 be introduced.

( The motion was adopted. )

Shri Kamakhya Prasad Tripathi :— Sir, I beg to introduce the Bill.

( The Secretary read out the title of the Bill introduced )

THE ASSAM MUNICIPAL (AMENDMENT) BILL, 1969.

Shri Ramesh Chandra Barooah, (Minister, Municipal Admn) :— Sir, beg leave of the House to withdraw the Assam Municipal (Amendment) Bill, 1969 introduced in the Budget Session of the Assmebly, 1969 under Rule 92 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

Shri Phani Bora :— This amending Municipal Bill is suddenly sought to be withdrawn. We have not understood the reason for which it is sought to be withdrawn. As a matter of fact in the State of Assam everybody is very eagerly waiting to have an amended bill with regard to administration of the Municipalities in the State and our repeated demand was to have a new election in all the Municipalities on the basis of the new act based on adult suffrage. In view of the urgency of this why the Government has come out to withdraw the Bill is not understood.

Shri Ramesh Chandra Barooah, :—Sir, I would like to explain that the amending bill which was introduced in 1969 had limited purposes. Its intention was to abolish the 'nomination' and to suggest co-option, to change the qualification of the voters and provision for appointment of a Director. Now we find that there are many other matters on which Municipal Act needs amendment. (Voice : was this referred to the Select Committee ?) Yes, it has come from the Select Committee. The Select Committee has not made much improvement on the Bill. It appears that after coming from the Select Committee it would require consequential amendment even to implement the provisions which the Select Committee has suggested. Therefore, Sir, we have decided to bring in a comprehensive bill and for that purpose we have to withdraw the bill.

Shri Atul Chandra Goswami :— Sir, a point of order. Under rule 92 it is said "Provided that where a Bill under consideration by a Select Committee of the House, notice of

any motion for the withdrawal of the Bill shall automatically stand referred to the Committee and after the Committee has expressed its opinion in a report to the Assembly the motion shall be set down in the list of business." .........in Assamese .........

Shri Ramesh Chandra Baooah :— It is the first stage. The Select Committee is functus officio. So this does not apply here.

Shri Giasuddin Ahmd :— Sir, whether the provisions of the amending bill will be incorporated in the proposed new bill ?

Shri Ramesh Chandar Baooah, :— Yes, Sir. Something more.

Shri Giasuddin Ahmed— If that be so this withdrawal cannot be accepted becuase rule 92 says "Provided that where a Bill is under consideration by a Select Committe of the House, notice of any motion for the withdrawal of the Bill shall automatically stand referred to the Commttee and after the Committee has expressed its opinion in a report to the Assembly the motion shall be set down in the list of business."

Shri Ramesh Chandra Barooa:— Sir, I am bringing this motion under rule 92 (c) which says 'the Bill is to be replaced subsequently by another Bill which includes all or any of its provisions in addition to other provisions;'.

Shri Sailen Medhi— The hon'ble Minister has not fulfilled the condition laid down in rule 92 ........

Shri Dulal Chandra Barua— The Bill is to be replaced by another Bill which includes all or any of the provisions,

that is, it is the bounden duty of the Govt. to include some of the provisions and bring a new Bill and only then the question of this withdrawal of the Bill can come.

Shri Ramesh Chandra Barooah— The word subsequently is there. It means this will be brought subsequently. If the hon'ble member wants I may read out the Government Notification dated 19th April, 1971 constituting a committee to draft the Bill.

Mr. Speaker— Now, according to rule 92 the Member in-charge of a Bill may move for leave to withdraw the Bill on the ground that (a) the legislative proposal contained in the Bill is to be dropped; or (b) the Bill is to be replaced subsequently by a new Bill which substantially alters the provisions contained therein; or (c) the Bill is to be replaced subsequently by another Bill which includes all or any of its provisions in addition to other provisions. The hon'ble Minister has said that in addition to the existing provisions of the Bill it will include some other amendments to the Bill. Now that is the reason given for the withdrawal of the Bill. Therefore, it is not possible to place that Bill unless it is withdrawn and that is also not contemplated in the rule and I think that the point of order is not in order.

* Shri Phani Bora :— আচল কথালৈ চালে আমাৰ ভয় হৈছে। কাৰণ Municipality বিলাকে ন্যস্ত স্বাৰ্থৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থাকিব লগা হৈছে। যিখন Municipality ৰ ভোটাৰ লিষ্ট কৰা হৈছে সেইখনো আচলতে সংকোচিত লিষ্টহে। কাৰণ সেই List বিলাকত প্ৰাপ্ত বয়স্ক লোকসকলক (ভোটাৰ) বাদ দিয়া হৈছে আৰু কিছুমান ন্যস্ত স্বাৰ্থ ৰাখি

পৰিচালনা কৰি আছে । আৰু অসমত এই ন্যস্ত স্বাৰ্থ ৰক্ষা কৰা লোক-সকলে কংগ্ৰেছ দলতে বৰ্ত্তি আছে। সেইবাবেই এই ন্যস্ত স্বাৰ্থৰ লোক-সকলৰ হাতৰ পৰা নি Adult franchise ৰ যিটো ভোটাধিকাৰ সেইটো দিলে প্ৰকৃত গণতান্ত্ৰিকতাৰ এটা পদ্ধতি আমি পালোহেতেন । কিন্তু সেইটো পলম কৰিবৰ কাৰণে এই মিউনিসিপাল বিলখন উঠাই নিয়াৰ চেষ্টা কৰিছে ।

এইদৰে আৰু কেইবছৰমানৰ বাবে এই ন্যস্ত স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে এটা মতলব আছে বুলি আমি স্বাভাৱিকতে সন্দেহ কৰাৰ থল আছে। সেই সন্দেহৰ কাৰণে আমি কব খুজিছো যে চৰকাৰে যদি অন্ততঃ এই Session তে এখন বিল আমাৰ সন্মুখত হাজিৰ কৰা হলে ইয়াৰ অন্তৰালত যে এটা সৎ উদ্দেশ্য আছে সেইটো ভাবিবলৈ আমাৰ অসুবিধা নহলহেতেন। এতিয়া ইয়াত আমি অসৎ উদ্দেশ্য আছে বুলি সন্দেহ কৰিবলৈ বাধ্য। সেইবাবেই এইবিষয়টো উৎথাপন কৰিবলৈ বাধ্য । আৰু এই বিলখনৰ গণতান্ত্ৰিকৰণ কৰাৰ যি চেষ্টা হৈছিল সেইটো কেই বছৰৰ কাৰণে স্থগিত ৰখাৰ প্ৰচেষ্টাত আমি বিৰোধিতা কৰো ।

Mr. Speakar :— I put the question whether the hon Member has leave of the House to withdraw the Bill. Those who for the motion say ayes, those who are against say no.

(The motion was adopted by voice vote.)

The motion is passed. The leave is granted.

Shri Ramesh Chandra Barooah :— Sir, I beg to withdraw the Bill.

Mr. Speaker :—The Bill is withdrawn.

**VOTING ON DEMANDS FOR GRANTS.** Demand Nos. 2, 13, 23, 62, 77, 80, 92 and 65.

Mr. Speaker :— Now we come to the demand for grants.

*Speech not Corrected

We have a large number of speakers from both sides so we are to ration the time. Now. Mr. Ghose will speak for three minutes.

Shri Benoy Krishna Ghose :— অধ্যক্ষ মহোদয়, ভূমি পট্টন সম্পৰ্কত যি নীতিৰ বিষয়ে চৰকাৰে প্ৰকাশ কৰিলে সেই নীতি আৰু ব্যাখ্যা বিলাক সকলোৰে ক্ষেত্ৰত সমানে প্ৰয়োগ কৰা হোৱা নাই। কাৰ্য্যক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে, এই নীতি আৰু ব্যাখ্যাবিলাক সকলো মানুহৰ ক্ষেত্ৰত সমানে প্ৰযোজ্য নহল। ই কেৱল প্ৰযোজ্য হৈছে ধনী মানুহৰ ক্ষেত্ৰত যি সকলে গাড়ী-ঘোঁৰা লব পাৰে, কাৰণ তেওঁলোকেহে এই নীতি আৰু ব্যাখ্যা মতে মাটি পায়; কিন্তু অসমৰ দুখীয়া মাটিহীন মানুহে মাটি নাপায়।

মই উদাহৰণস্বৰূপে এটা কথা কব বিচাৰিছো, গোৱালপাৰা চাহ বাগানৰ ৯০ নং ডাগত কিছুমান গাৱঁৰ মানুহক মাটি দিছে। মৰনৈ গাৱঁৰ শ্ৰীদেবেন চন্দ্ৰ দাস এজন ধনী মানুহ! তেওঁৰ বহুতো মাটি আছে; চিলিং Act ত তেওঁৰ মাটি যাব। কিন্তু তেওঁক গোৱালপাৰা টাউনত মাটি দিছে চৰকাৰে। তেনেকৈ শ্ৰীৰত্নেশ্বৰ দাসক মাটি দিছে। তেওঁ এজন মাটিবাৰী থকা ধনী মানুহ। তাৰ পাচত শ্ৰীছামচুল হক, তেখেত আঞ্চলিক পঞ্চায়তৰ President আৰু বহুতো ধনী মানুহক তেনেকৈ মাটি দিছে। এইবিলাক মানুহে কেতিয়াও টাউনত নাথাকে। কাৰণ তেওঁলোক মাটি থকা মানুহ। টাউনৰ মাটিত ঘৰ কৰি ভাৰা দিব। আৰু শ্ৰীধনবৰ মেধি আৰু শ্ৰীহৰ্ষ নাথ শৰ্মা, তেওঁলোক P.W.D. Office ত কাম কৰে। তেওঁলোকৰ গোৱালপাৰাত মাটি নাই কিন্তু Land Advisory Board এ তেওঁলোকৰ নাম কাটি দিছে আৰু পট্টাটো Cancel কৰি দিছে। ইয়াৰ অৰ্থ কি? ইয়াৰ অৰ্থ হ'ল, এই চৰকাৰে দুখীয়া মানুহক মাটি দিয়া নাই, মাটি দিছে ধনী মানুহক আৰু যি সকলে মাটি পাব লাগে তেওঁলোকে মাটি পোৱা নাই। এইদৰে যদি চৰকাৰে নিজে নীতি তৈয়াৰ কৰি আকৌ নীতি বিৰোধী কাম কৰে তেনেহলে কংগ্ৰেছ চৰকাৰে ভৱিষ্যতে কেতিয়াও সুফল নাপায়। সেই কাৰণে কংগ্ৰেছ চৰকাৰে এই দুৰ্নীতি কৰোতাবিলাকক দমন কৰি ৰাখিব লাগে আৰু যাতে ভূমিহীন লোকে মাটি পায় তাৰ কাৰণে চোকা দৃষ্টি দিব লাগে।

*Speech not Corrected

Shri Biswadev Sarma (Minister, Revenue :— এই দুজনক কোনে Cancel কৰিলে ?

Shri Benoy Krishna Ghose:—মই জানো চৰণীয়াই নিজে গৈ তেওঁলোকৰ নামটো কাটি দিছে ।

অধ্যক্ষ মহোদয়, সেই কাৰণে মই কৈছো প্ৰকৃত ভূমিহীন মানুহে মাটি নাপায়, মাটি পাইছে আনেহে আৰু আইন প্ৰণয়ন কৰি চৰকাৰে নিজে আইনৰ বিৰোধিতা কৰিছে । সেই কাৰণে এই ক্ষেত্ৰত মই কব বিচাৰিছো যে অসমৰ চুকে কোনে যাৰ ঘৰবাৰী বা খেতি পথাৰ আছে তেওঁক আন ঠাইত মাটি দিব নালাগে । মোৰ গোৱালপাৰাত মাটি আছে সেই কাৰণে মই শ্বিলং বা তেজপুৰত ভূমিহীন বুলি মাটি লব নোৱাৰো ।

( সময়ৰ সঙ্কেত )

আমাৰ মাননীয় সদস্য শ্ৰী দাসৰ গোৱালপাৰত মাটি আছে আৰু তেখেত গুৱাহাটীত ভূমিহীন বুলি যদি মাটি লয় আৰু শ্বিলঙত মাটিহীন বুলি মাটি লয়, তেন্তে গোটেই অসমতেই ভূমিহীন বুলি কব পাৰিব দেখোন. গতিকে এইবিলাক বন্ধ কৰিব লাগে ।

যি সকল ধনী বা যাৰ সম্পত্তি আছে তেওঁলোকক মাটিহীন বুলি ধৰিব নালাগে আৰু যিবিলাকে মাটি থাকিও খেতি নকৰে তেনেকুৱা লোকক মাটি দিব নালাগে । ইয়াৰ ওপৰিও কৰ্মচাৰীয়ে হুকুম দিব লাগে যে মণ্ডলে এমাহৰ ভিতৰতে তদন্ত কৰি S.D.C. ক হিচাব দিব লাগে আৰু S.D.C য়ে ২।৩ মাহৰ ভিতৰত Land Advisory Board ৰ আগত সেই হিচাব দাখিল কৰিব লাগে ।

অধ্যক্ষ মহোদয়, চিলিং Act ৰ দ্বাৰা আজিলৈকে কোনো কাম হোৱা নাই । এই চিলিং আইন কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰে কঠোৰ ব্যৱস্থা লব লাগে ।

( সময়ৰ সঙ্কেত )

আৰু এক মিনিট ছাৰ । ইয়াৰ আগতেও মই সদনত কৈছিলো যে গোৱালপাৰা চাহ বাগিছাত বহুতো মানুহ আছে আৰু মাটিহীন লোকেই তাত বহুত দিনৰ পৰা বসবাস কৰি আছে । এতিয়া বাগিছাৰ মালিকে

* Speech not Correeted

তেওঁলোকক উচেছদ কৰিছে । তেওঁলোকে এই সম্পৰ্কে Case ও কৰিলে অৱেশ্যে Case ত তেওঁলোক হাৰিল । গতিকে এই বিলাকত Ceiling Act প্ৰয়োগ কৰিব লাগে ।

তাৰ পাছত Reserve ৰ সম্পৃৰ্কত কব বিচাৰিছো । আমাৰ চৰকাৰে হিচাব নিকাচ ঠিককৈ নৰখাৰ কাৰণে বহুতে বাহিৰৰ পৰা মানুহ মাটি আনি Reserve ত বে-দখল চলাইআছে । এই বিলাক সোণকালে তদন্ত কৰিব লাগে ।

(সময়ৰ সঙ্কেত)

আৰু এটা মাত্ৰ কথা ছাৰ । North Lakhimpur ৰ নাৰায়ণ-পুৰৰ ওচৰত ধলপুৰ মৌজাৰ শিমলুগুৰি নামৰ ঠাইত কিছুমান ভূমিহীন লোকে খেতি কৰি বে-দখল কৰি আছিল । কিন্তু তেওঁলোকক কোনো বিচাৰ নকৰাকৈ চৰকাৰে উচেছদ কৰি শ্ৰীপৰ্ণদত্ত নামৰ মানুহজনক একচনা পট্টা দিছে । এতিয়া সেই দত্তই আকৌ সেই একচনা মাটিকেই শ্ৰীদুৰ্গা হাজৰি-কাক ২৫ হাজৰত বেচি দিছে ।

গতিকে এই ক্ষেত্ৰত চৰকাৰ একেবাৰে দুৰ্ব্বল হৈ পৰিছে । সেই কাৰণে মই অনুৰোধ কৰো যে ইয়াৰ বিহিত ব্যৱস্থা কৰি ৰাজ্যৰ পৰা দুৰ্নীতি দুৰ কৰিব লাগে । এই বিলাকত কেৱঁল চৰকাৰৰ দুৰ্নীতিহে প্ৰকাশ পাইছে ।

Shri Maneswar Boro :

মাননীয় অধ্যক্ষ মহোদয়, কালি আমাৰ মাননীয় সদস্য শ্ৰী গোবিন্দ কলিতাই গুৱাহাটীৰ গান্ধী শতবাৰ্ষিকী উপলক্ষে জনজাতি আৰু অনুসুচীত জাতিৰ কাৰণে মাটি দিয়া সম্প্ৰকত যি কথা উলিয়ালে সেই বিষয়ে মই দুষাৰ কথা কব বিচাছো ।

আমাৰ ৰাজহ মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ বসুমতাৰী দেৱে গুৱাহাটীত Tribal Belt উঠাই দিয়াৰ কাৰণে প্ৰতিবাদ কৰিছিল । মই opposition M mber হিচাবে কৈছো যে গুৱাহাটীত মাটি দিয়াৰ কাৰণে অকল মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ বসুমতাৰীয়েই দোষী নহয় ।

শ্ৰী ৰণেন্দ্ৰ বসুমতাৰীক দোষী কৰিবলৈ যাওঁতে তেখেতে গোটেই

Tribal M.L.A. সকলক হেঁয় প্ৰতিপন্ন কৰিবৰ কাৰণে এই অভিযোগ আনিছে, কাৰণ আমি জানো যে গুৱাহাটীৰ Tribal Belt ত Tribal বিলাকক চৰকাৰে মাটি দিব বুলি কোৱাৰ কাৰণে আমি Tribal M.L.A সকলে গাৱঁত গৈ ৰাইজৰ আগত প্ৰচাৰ কৰি দিছো।

এই ক্ষেত্ৰত Land Advisory Council ৰ আগতো আপত্তি কৰিছিলো যে কিয় উঠাব লাগে? আৰু গুৱাহাটীৰ Tribal Belt উঠাই দিয়াৰ ক্ষেত্ৰত এই সদনত বহুতো প্ৰস্তাৱ আমি উৎথাপন কৰিছিলো

ৰাইজক দিব পৰা থল আছে। এই সম্পৰ্কত গুৱাহাটীত Tribal Belt উঠাই দিয়া সম্পৰ্কত সদনত প্ৰশ্নও অনা হৈছিল। আমাৰ জনজাতীয় সদস্য সকলৰ কোনেও এইটো ভৱা নাছিল। এই বিষয়ে সদনত Supplementary demand ও অনা হৈছিল। আমাৰ মাননীয় সদস্য শ্ৰী ভাটাচাৰ্য্যও এই সম্পৰ্কীয় আলোচনাত আছিল। কাৰণ প্ৰশ্ন হৈছে যে গুৱাহাটীত Tribal Belt ৰখাৰ প্ৰয়োজন কি? তাৰ উত্তৰত সেই সময়ৰ মুখ্যমন্ত্ৰী চলিহাইও কৈছিল যে এই বিষয়টো ভাবি চাব লাগিব আৰু কলে যে Tribal Belt অঞ্চল তেনেকৈ ৰখাৰ কোনো প্ৰয়োজন নাই। গতিকে এই বিলাকৰ পৰা আমি ভাৱো—যে গুৱাহাটীত Tribal belt ৰক্ষা কৰা ঠিক নহব। Greater Gauhati য়েই হওক বা মহানগৰীয়েই হওক আমাৰ কথা হল Tribal বিলাকক মাটি দিব লাগে। State Advisory Council লেও চৰকাৰক কৈছে যে Scheduled Caste আৰু Scheduled Tribes ৰ মানুহক ৭৫ /. সুবিধা দিব লাগিব। তেওঁলোকক মাটি দিব লাগিব। সেই কাৰণেই আমি Tribal M.L.A. সকলে তাত দৰখাস্ত কৰিছো। গুৱাহাটীত মাটি লাগে। কিন্তু কালি আমাৰ Kalita ডাঙৰীয়াই যি ধৰণে কথাটো বিভিন্ন নথি-পত্ৰৰে সৈতে ইয়াত উল্লেখ কৰিছে আমি আচৰিত হৈছো। এইটো কথা আমি নেজনো মাটি ক'ত দিছে। চৰকাৰে একো কাগজ পত্ৰ দিয়া নাই। মাত্ৰ আমি দৰখাস্ত দিছো এইটো জানো। চৰকাৰে হয়তো ভুল কৰিব পাৰে। কিন্নাৰত Tribal মানুহ বহিয়েই আছে। গতিকে দখল তেওঁলোকে কিয় পাব নোৱাৰে? ট্ৰাইবেল হিচাবে আমাকেই বা মাটি কিয় নিদিব? ভূমিহীনৰ কথা কোৱা হয়। কিন্তু কি কাৰণত এই Tribal Belt উঠাব লগা হ'ল? তাত যদি Tribal Belt নাছিলেই তেন্তে কিয় এইটো

গঠন কৰিব লগা হৈছিল ? এতিয়া মাটি পোৱা tribal সকলে বিক্ৰী কৰি দুদিনৰ পিছত গুছি যাব লাগিব । ১০ বছৰৰ পিছত গুৱাহাটীত tribal ৰ নোম এডালো দেখা নেপাব ।

কিন্তু এই খিনিতে এটা কথা আছে । যদিহে এই মাটি গান্ধী শত-বাৰ্ষিকীৰ নামত দিছে তেতিয়াহলে তাৰ আমি প্ৰতিবাদ কৰো । অকল যদি ভূমিহীন খেতিয়কক দিব লাগিব তেন্তে আমি সেইটো মানি লও । এই ক্ষেত্ৰত মোৰ বিশেষ অভিজ্ঞতা নাই । কিন্তু তেখেতে এনেকৈ blame দিয়াতহে আমি আচৰিত হৈছো । তাৰ কাৰণে চৰকাৰ দায়ী হব পাৰে । কিন্তু অপজিচনৰ M. L. A. হলেও কওঁ যে ইয়াৰ কাৰণে মন্ত্ৰী শ্ৰীৰনেন্দ্ৰ বসুমতাৰী দায়ী হব নোৱাৰে । আমি Tribal M. L. A. সকল যদি দায়ী হওঁ তেন্তে আমাৰ এই Tribal M. L. A. সকলৰ কোনো অস্তিত্বই নাই নেকি ?

আমাৰ শ্ৰীমেধী ডাঙৰীয়াইও কৈছে Tribal Belt ৰ কাৰণে মানুহ নাই । এই Tribal সকলক ক'ত খেদিছে ?

Shri Atul Chandra Goswami : গান্ধী শতবাৰ্ষিকীত শ্ৰীৰনেন বসুমতাৰীৰ নিচিনা মানুহেও মাটিহীন বুলি মাটি পালে আক তাত মানুহ বহিয়েই আছে । এই বুলিহে কৈছে ।

Shri Ranendra Basumatari ( Minister, Forests ) : I will give my personal explanation.

Shri Promode Chandra Gogoi : You prepared the list as Minister of State, Revenue.

Shri Ranendra Basumatari : No. I object to it.

Shri Maneswar Boro : গুৱাহাটীৰ কথাটো বাদ দিওঁ । Revenue ৰ বিষয়টোৰ বিষয়ে কওঁ যে মানকোচি গাৱঁৰ Tribal ৰ দখলত থকা ১৯ বিঘা, ৪ কঠা ১ লোচা মাটিৰ বিষয়ে উৎথাপন কৰা কেচটোৰ বিষয়ে বৰ্ত্তমানৰ মুখ্য মন্ত্ৰী তেতিয়া ৰাজহ বিভাগৰ মন্ত্ৰীয়ে enquiry কৰিম বুলি কৈছিল । কিন্তু এই বিষয়ে আজিও কোনো enquiry কৰা নহ'ল । কুমাৰী

কাটাৰ মৌজাদাৰ suspend হোৱা স্বত্বেও ৰচিদ নোহাৱাকৈ বহু বছৰৰ পৰাই মানুহৰ পৰা খাজনা তুলি আছে। এই বিষয়ে এটা অনুসন্ধান কৰিব বুলি আশা কৰিলো।

Shri Surendra Nath Das : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীকলিতাই বিভিন্ন নথিপত্ৰৰে সৈতে ভূমি পট্টনৰ ক্ষেত্ৰত গুৱাহাটীত মাটি বিতৰণৰ বিষয়ত যিখিনি কলে আৰু তাৰ ওপৰত যিখিনি আলোচনা হৈছে তাত মই আশ্চৰ্য্য প্ৰকাশ নকৰি নোৱাৰিলো। আজি গুৱাহাটীৰ পান বজাৰ, উলুবাৰী আদি এই অঞ্চল বিলাক tribal-belt ৰ ভিতৰত আছে। বৃহত্তৰ গুৱাহাটীৰ উন্নতিৰ কল্পে, তাত বিভিন্ন উদ্যোগ আদি প্ৰতিস্থা হব লাগে। গতিকে তাত tribal-belt ৰ লৈ কোনো প্ৰতিক্ৰিয়া হোৱাটো বাঞ্চনীয় নহয়। এই কাৰণেই ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্ৰীচলিহাৰ দিনতো এই বিষয়ে নানা আলোচনা বিলোচনা হৈছিল tribal M. L. A. সকলক লৈ যাতে এটা ভাল বুজাপৰাৰে সৈতে চৰকাৰৰ লগত মিলি বৃহত্তৰ গুৱাহাটীত উদ্যোগ আদি প্ৰতিস্থা কৰি তাক উন্নতৰ কৰিব পাৰে। যিহেতু tribal-belt ৰ সংক্ৰান্তত কোনো compulsion থাকিলে ই বৰ সুবিধাজনক নহব। tribal-belt বুলিয়েই কোনো কথা নহয়, বৃহত্তৰ গুৱাহাটীৰ স্বাৰ্থৰ খাতিৰত তাত অন্যান্য মাটিহীন যিকোনো লোকেই তাত সুবিধা পাব লাগে।

গতিকে অসমৰ স্বাৰ্থ আৰু পৰিকল্পনাৰ ক্ষেত্ৰত যাতে আমাৰ প্ৰদেশ খনৰ উন্নতি হয় আৰু যাতে সকলোৱে একেলগে বসবাস কৰিব পাৰে তাৰ বাবে ব্যৱস্থা কৰিব লাগে যি বিলাক উদ্যোগ প্ৰতিস্থান আছে আৰু যি বিলাক ঠাইত ভৱিষ্যতেওঁ গঢ়ি উঠিবৰ সম্ভাবনা আছে সেই বিলাক ঠাইত বেচি গুৰুত্ব দিব লাগে। মোৰ জীৱনৰ ১৫ বছৰ কাল ৰাজনৈতিক জীৱনত পাৰ হল। এই ১৫ বছৰৰ ভিতৰত মই এইবেলি এখন দৰখাস্ত দিছিলো। মাটি পট্টন হোৱা কথাটো মই নিজেও নাজানো। কিন্তু মাটি পাবৰ কাৰণে অইন কি মাটিৰ দাগ নং দিও দৰখাস্ত কৰা নাছিলো। কালি মাননীয় সদস্যই গুৱাহাটীৰ সংক্ৰান্তত যি বিলাক অভিযোগ আনিছে তেখেতেও Land Settlement Advisory Board ৰ মেম্বাৰ। গতিকে তেখেত সকলেই অনুমোদন দিছিল।

(Voice : Advisory Board এ দিয়া নাই চৰকাৰে দিছে)।

মই এই বিলাক অহিত কথা কোৱা নাই বুলি ভাবো । এই বিলাক সংবিধানিক কথা । যি সকলৰ মাটি নাই সেই সকলক মাটি দিয়াটো এটা চিৰন্তণ নীতি । এইটো অকল জনজাতীয় বা তেনেধৰণৰ মানুহৰ কথাই নহয়, এইটো সমগ্ৰ ভূমিহীন মানুহৰেই কথা । গতিকে আমাৰ চৰকাৰে বিশেষকৈ ভূমি পট্টন ব্যৱস্থাত বিশেষ ভাবে মাটিহীন জনজাতিৰ লোকক বিশেষ ভাবে মনোনিবেশ কৰিব লাগে । আজি আমাৰ দেশৰ ভূমি সমস্যাই গুৰুত্বৰূপ ধাৰণ কৰিছে । প্ৰকৃততে যি সকল মাটিহীন লোক তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে বিশেষকৈ জনজাতিৰ মাটিহীন লোকক মাটি দিব লাগে ই সমবায়ৰ ভিত্তিত কোনোবা নিবনুৱা ডেকা সকলে যদি চৰকাৰৰ পৰা এই ক্ষেত্ৰত সহায় বিচাৰে তেন্তে চৰকাৰে তেওঁলোকৰ কথা বিশেষ ভাবে বিবেচনা কৰিব লাগে । আমাৰ খেতিয়ক সকল আজি মহাজন সকলৰ ওচৰত ঋণ গ্ৰস্ত হৈ মাটি যাব লগীয়া হৈছে । এই বিলাক মানুহক মাটি দি সহায় কৰিব লগীয়া হৈছে । আমাৰ চাহবাগন বিলাকত যিবিলাক অতিৰিক্ত মাটি আছে সেই বিলাক চৰকাৰে অধিগ্ৰহণ কৰি মাটিহীন মানুহৰ মাজত ভগাই দিব লাগে । মাত্ৰ অলপমান ইকৰা খাগৰী, বেত, বাহৰ কাৰণে তেওঁলোকৰ প্ৰয়োজনতকৈয়ো বহুত বেচি মাটি ৰাখি আছে । এই বিলাক মাটি ex-Tea-Labour আৰু যিবিলাক খিলঞ্জীয়া মানুহ আছে সেই সকলৰ মাজত ভগাই দিব লাগে ।

(Bell)

ইয়াকে কৈ মই সামৰণী মাৰিলো ।

Shri Promode Chandra Gogoi : অধ্যক্ষ মহোদয়, আমাৰ প্ৰদেশৰ ভূমি সংস্কাৰৰ ক্ষেত্ৰত যিবিলাক বেমেজালিৰ কথা যোৱা কালি মাননীয় সদস্য শ্ৰীগোবিন্দ কলিতা ডাঙৰীয়াই তথ্য পাতি সহ যি বিলাক প্ৰমাণ দি উল্লেখ কৰিছে তাৰ পৰা এই কথাই প্ৰমাণ হয় যে আমাৰ প্ৰদেশৰ ভূমি আইন যথেষ্ট পৰিমাণে যদি সংশোধন কৰা নহয় তেনেহ'লে এই আইন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে বেমেজালিয়ে দেখা দিব । এইটো অতি পৰিতাপৰ বিষয় যে আমাৰ প্ৰদেশৰ ভূমি সংস্কাৰৰ কাৰণে আইন

কৰা হৈছে যদিও গুৱাহাটীৰ নিচিনা ঠাইত ভূমি সংস্কাৰৰ নামত প্ৰকৃত দুখীয়া খেতিয়কক উচ্ছেদ কৰি অৱস্থাপন্ন লোককহে সংস্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে। গান্ধী চেনটেনাৰীৰ সময়ত যি সকলক মাটি দিয়া হৈছে, তেখেত সকল Tribal এই হওক বা অনা Tribal এই হওক এই কথাৰ আমি বিৰোধিতা কৰিছো। কাৰণ প্ৰকৃততে যি সকলে মাটি পাব লাগে সেই সকলে মাটি পোৱা নাই। গান্ধী শতবাৰ্ষিকীৰ সময়ত বিধান সভাৰ কেইজনমান সদস্যক যি ঠাইত মাটি দিয়া হৈছে, সেই ঠাইতে ২০ বছৰ ধৰি কিছুমান জনজাতীয় মানুহে অধিকাৰ কৰি আছিল। সেই জনজাতীয় লোক সকলক উচ্ছেদ কৰি বিধান সভাৰ সদস্যক মাটি দিয়াটো কেতিয়াও সমৰ্থন যোগ্য হব নোৱাৰে। গুৱাহাটী অঞ্চলত জনজাতীয় লোক সকলে মাটি পোৱাত বাধা নাই। শতকৰা ৫০ ভাগ জনজাতীয় লোকৰ কাৰণে মাটি খুলি দিয়া হয়। কিন্তু জনজাতীয় লোকক মাটি দিয়াৰ নামত জন-জাতীয় লোকক উচ্ছেদ কৰিছে আৰু অৱস্থাপন্ন মানুহে মাটি পাইছে।

আৰু এটা কথা। আমাৰ প্ৰদেশত যি বিলাক আইন কৰা হৈছে সেই আইন বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে? চিলিং আইন সংশোধন কৰা হৈছে। এই আইনৰ দ্বাৰা ১৫০ বিঘাৰ ঠাইত ৭৫ বিঘা কৰা হৈছে। কিন্তু বাগিচা বিলাকত থকা অতিৰিক্ত মাটি বিলাক চৰকাৰে এতিয়াও অধিগ্ৰহণ কৰা নাই। এই মাটি বিলাক বাগিচাৰ মালিক সকলে হস্তান্তৰ কৰি আছে। যিখন আইনত ৰাষ্ট্ৰপতিয়ে সন্মতি জনাইছে সেইখন আইন যে বলবৎ কৰাৰ ব্যৱস্থা এতিয়াও কিয় হোৱা নাই ভাবিলে আচৰিত লাগে। আনকি এনেকুৱাও ব্যৱস্থা কৰা নাই যে যাতে সেই অতিৰিক্ত মাটি বিলাক কোনেও হস্তান্তৰ কৰিব নোৱাৰে। তাৰ ফলতেই বাগিচাৰ মালিক সকলে মাটি হস্তান্তৰ কৰিবলৈ বা বিক্ৰী কৰিবলৈ সুবিধা পাইছে। এই বিলাক ষড়যন্ত্ৰ এতিয়াও হৈয়ে আছে। চৰকাৰে এই বিলাক ৰোধ কৰাৰ ব্যৱস্থা কৰা নাই। ইয়াৰ বাবে চৰকাৰেই দায়ী। আগৰ বাৰৰ চিলিং আইন ক্ষেত্ৰত আমি দেখিছো যে সেই আইন মতে চৰকাৰে ৪ লাখ বিঘা মাটি পাব লাগিছিল কিন্তু তাৰ ঠাইত পালে মাত্ৰ ১ লাখ বিঘাহে। এই আইন পাচ হৈছে আৰু President এও Approval দিছে। তেনেস্থলত এই আইন কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা সময় মতে নোলোৱাৰ

ফলত এই মাটি ধনী সকলেহে পাইছে আৰু গৰীৱ খেতিয়ক সকলে নোপোৱাকৈ ধনী সকলেহে পোৱাৰ ব্যৱস্থা হৈছে। তাৰ বাবে দায়ী কোন?

আৰু এটা কথা নকৈ নোৱাৰো যে ৰায়তী স্বত্ব আইন খন উত্থাপন কৰা হৈছে আৰু তাৰ লগে লগে আমাৰ প্ৰদেশত যি বিলাক মাটিৰ মহাজন আছে তেওঁলোকে ৰাইজক উচ্ছেদ কৰিছে। এইদৰেই আইন কাৰ্য্য-কৰী কৰাৰ সময়ত আমি দেখিবলৈ পাম যে যি বিলাক মানুহৰ উপকাৰৰ কাৰণে এই আইন কৰা হৈছিল তেওঁলোক তাত নাই। থাকিব কেৱল ধনী শ্ৰেণীটোহে। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যাতে এই ক্ষেত্ৰত ভাল ব্যৱস্থা লয়।

এই আইনখন কাৰ্য্যকৰী হলে আমি দেখা পাম যে, যিবিলাক লোকৰ কাৰণে আমি আইন পাচ কৰিছো সেই লোক বিলাক তাত ৰায়তহিচাবে আৰু নাই। তেওঁলোকে দখল কৰা মাটি নাই। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিছো, যে এই আইন কাযাকৰী হোৱা লৈকে আমাৰ প্ৰদেশত যিবিলাক ৰায়ত আছে সেইবিলাকক উচ্ছেদ বন্ধ কৰাৰ কাৰণে চৰকাৰে এখন Ordinance জাৰি কৰক যে, আইন কাৰ্য্যকৰী নোহোৱালৈকে এই সময়ছোৱাৰ ভিতৰত কোনো ৰায়তক কোনো মালিকে আইনৰ হতুৱাই বা বলপূৰ্ব্বক ভাৱে উচ্ছেদ কৰিব নোৱাৰিব। আমাৰ প্ৰদেশৰ শতকৰা ৫০ ভাগেই ৰায়ত। গতিকে এই ৰায়তসকলক এই নিৰাপত্তা দিব লাগিব।

অধ্যক্ষ মহোদয়, মই এটা কথা বাৰে বাৰে অভিযোগ কৰি আহিছো। উচ্ছেদৰ ক্ষেত্ৰত চৰকাৰে কয় যে যিবিলাক লোকে বে-আইনী ভাৱে মাটি দখল কৰি আছে তেওঁলোকক উচ্ছেদ কৰা হব। এই কথাই মই বাৰে বাৰে কৈছো যে, আমাৰ প্ৰদেশৰ আইনখন বৈশম্যমূলক। যিবিলাক গৰীৱ খেতিয়ক, যিবিলাকে ১-২ বিঘা মাটি দখল কৰি আছে সেইবিলাক লোকক চৰকাৰে বল পূৰ্ব্বকভাৱে, ঘৰ জলাই দি, শস্য নষ্ট কৰি, জুলুম কৰি উচ্ছেদ কৰিছে। কিন্তু যিবিলাক ডাঙৰ ডাঙৰ আৰু ধনী মানুহে চৰকাৰৰ মাটি দখল কৰি আছে তেওঁলোকক আজিলৈকে চৰকাৰে উচ্ছেদ কৰা নাই। শিৱসাগৰ জিলাৰ কংগ্ৰেছ সভাৰ সভাপতিৰ নাম এই সদনত কেইবাৰো কৈছিলো। চৰকাৰে তদন্ত কৰি পালে যে, চাহ বাগানৰ মালিক, জিলা কংগ্ৰেছ সভাৰ

সভাপতিয়ে কেইবা হাজাৰ বিঘা মাটিও দখল কৰি আছে। তেওঁলোকক উচ্ছেদ কৰিবৰ কাৰণে মাটি উপদেষ্টা কমিটিয়ে প্ৰস্তাৱ কৰিছিল আৰু তেতিয়াৰ ৰাজহ মন্ত্ৰীয়ে আশ্বাস দিছিল। আজি প্ৰায় ৪ বছৰ হ'ল তেখেতসকলৰ টিপনিত এই চৰকাৰে উচ্ছেদ কৰিব পৰা নাই। উত্তৰ লক্ষীমপুৰৰ বৰদৈ বাম বাগানৰ মালিকে ৬শ বিঘা মাটি বেদখল কৰি আছে। S.D.C. এ Notice দিয়া স্বত্বেও উচ্ছেদ কৰিব পৰা নাই। গতিকে ভূমি সমস্যা সমাধান কৰিবলৈ হলে যিবিলাক লোকে বে-আইনী ভাৱে চৰকাৰী মাটি বে-দখল কৰিছে সেইসকল চাহ বাগানৰ মালিক, অৱস্থাপন্ন লোক, গতিকে প্ৰথমেই তেওঁলোকক উচ্ছেদ কৰিব লাগিব। গৰীৱ লোকসকলক চৰকাৰে উচ্ছেদ কৰিব পাৰে কিন্তু বাগানৰ মালিক, কংগ্ৰেছ দলৰ মানুহক চৰকাৰে উচ্ছেদ কৰিব নোৱাৰে। প্ৰমাণ পালেও উচ্ছেদ কৰাত এই চৰকাৰ নাই। মাত্ৰ এইটো প্ৰমাণ হৈছে যে, চৰকাৰে এই অৱস্থাপন্ন লোকসকলক মাটি দখল কৰিবৰ কাৰণে চৰকাৰে উচটনি দিছে।

অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কৈয়ে সামৰণি মাৰিম। আমাৰ ৰাজহ বিভাৱ দুৰ্নীতি নিৰ্মূল কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব লাগে। আজি মাটি বিতৰণৰ ক্ষেত্ৰত, পুণৰসংস্থাপনৰ ঋণ বিতৰণৰ ক্ষেত্ৰত, ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত ৰাজহ বিভাগত যি দুৰ্নীতি চলিছে সেইটো বৰ্ণনাৰো অতীত। পুণৰ সংস্থাপনৰ কাৰণে এজন মানুহক ৫০ টকা দিয়াৰ ব্যৱস্থা কৰিছে, আনহাতে এই টকা পাবৰ কাৰণে তেওঁলোকে ১০ টকাকৈ কৰ্ম্মচাৰীক দিব লাগে। চৰকাৰে মাটি অধিগ্ৰহণ কৰাৰ পইচা, টকা পাবৰ কাৰণেও ৰাজহ বিভাগক ৫ ভাগ নিদিলে ক্ষতিপূৰণৰ পইচা পোৱা নহয়। এই দুৰ্নীতি বন্ধ কৰিবৰ বাবে চৰকাৰক অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Lakshyadhar Choudhury : মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ শিতানত যি কৰ্ত্তন প্ৰস্তাৱ এই সদনত উত্থাপিত হৈছে সেইটো মই সমৰ্থন কৰি দুষাৰমান কথা কব খুজিছোঁ। গুৱাহাটীৰ মাটি বিতৰণৰ কথা বিশেষভাৱে আলোচনা হৈছে। তথাপি মই এটা কথা কব খুজিছোঁ। চিলিং আইন কৰি মাটি কত্তন কৰাৰ চৰকাৰে সিদ্ধান্ত কৰিছে। গুৱাহাটীত থকা কিছুমান মাটিৰ জমিদাৰে কৈছে যে চৰকাৰৰ পৰা পোৱা মাটিত তেওঁলোকে মেকানাইজ কালতিভেশ্যণ কৰিব। গতিকে অতিৰিক্ত মাটি

কৰ্ত্তন নকৰি তেওঁলোকৰ নামতে ৰখা হৈছে। ক্ষেত্ৰী অঞ্চলত ধাৰ মৰায়ন, পিতা লাল সিং, গুৱাহাটীত বহুতো মাটি খেতিয়ক ৰাইজক আধি, খন্দুৱা দি খেতি কৰি আছে। চিলিং আইনত এই মাটি যায় বুলিয়ে তেওঁলোকে কৈছে যে, এই মাটিত মেকানাইজ কালটিভেশান কৰিব। এতিয়া সেই মাটি পৰিদৰ্শন কৰিলে দেখা যাব যে, তাত কি ৰকমৰ মেকানাইজ কাল্টি-ভেশ্যন হৈছে। তাত মানুহে আগৰ দৰেই হাল বায় আছে। গতিকে এই ধীৰ নাৰায়ণ সিংৰ যি মাটি আছে সেই মাটি চৰকাৰে চিলিং কৰি দুখীয়া খেতিয়ক সকলৰ মাজত বিতৰণ কৰি দিব লাগে। তদুপৰি এটা আলোড়ন ওলাইছে যে, গুৱাহাটীত কোনোবা Tribal M.L.A. ক মাটি দিছে। এইটোত মোৰ আপত্তি নাই কিন্তু গুৱাহাটীত গান্ধী চেন্টিনেৰীৰ উপলক্ষে আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে তেখেতৰ বাজেট বক্তৃতাত কৈছিল যে ২শ পৰিয়ালক, দুখীয়া ভূমিহীন পৰিয়ালক বিশেষকৈ Scheduled Tribe আৰু Scheduld Caste মানুহক ২॥ কঠা কৰি মাটি দিয়া হৈছে। মই জনাত এই মাটি ধনীকো দিয়া হোৱা নাই, দুখীয়াকো দিয়া হোৱা নাই, Scheduled Tribe ক দিয়া হোৱা নাই Scheduled Caste ক দিয়া হোৱা নাই। এতেকে এইটো 'প্ৰিভিলেজৰ কথা। এই ধৰণে গান্ধীৰ নামত চোৰাং কাৰবাৰ কৰাতো মই সমৰ্থন কৰিব নোৱাৰো। মাটি পট্টনৰ কাৰণে Land Advisory Committee কৰি দিয়া হৈছে। আমাৰ গুৱাহাটীৰ যিটো Land Advisory Committee আছে সেইখন আমাৰ সদনত কৰিও ভাঙৰ। তাত মইয়ে এটা প্ৰস্তাৱ কৰিছিলো যে, দূৰৰ পৰা অহা লোকসকলক চাহ জলপান দিব লাগে। তাত এতিয়াও এইটো চলি আছে। ইয়াৰ বাহিৰে কাকো এডোখৰো মাটি দিব পৰা নাই। যিবিলাকে অন্যায় ভাৱে ১২ বিঘা মাটি লৈছে তেওঁলোকো তাৰ মেম্বাৰ হৈ আছে। সেই বাবে এতিয়া ৰং পাইছো। Land Advisory Committee মেম্বাৰে কেতিয়াও মাটি লব নোৱাৰে। কংগ্ৰেছ পক্ষৰে হওঁক বা বিৰোধী পক্ষৰেই হওঁক Land Advisory Committee ৰ যোগেদি মাটি লব নোৱাৰে। আমাৰ উত্তৰ লক্ষীমপুৰত চেক্ৰেটৰীবিলাকৰ বৰ প্ৰভাৱ। পূৰ্ণ দত্ত উত্তৰ লক্ষীমপুৰৰ মহকুমা পৰিষদৰ সভাপতি। শিমুলগুৰি Reserve ধলপুৰ মৌজাত কিছুমান লোকে বহু দিনৰ পৰা মাটি দখল কৰি আছে। D.C. য়ে order দি S.D.O. ৰ

হতুৱাই সেই মানুহবিলাকক অমানুষিক ভাৱে উচ্ছেদ কৰাইছে। আৰু সেই মাটি পূৰ্ণ দত্তৰ নামত একচনিয়া পট্টা কৰি দিছে। সেই মাটিকে ২৫ হাজাৰ টকাতে দূৰ্গা হাজৰীকাক বিক্ৰি কৰাৰ কথা গম পাইছো।

Shri Atul Chandra Goswami :— শ্ৰীপূৰ্ণদত্ত মাননীয় সদস্যৰ শালপতি হয় নে ভতিজা হয় ?

Shri GOVINDA BORA :— Sir, may I know the source from where the hon. Member has got this information ?

(Noise from the Opposition)

Shri BISWADEV SARMA (Minister Revenue) :— Sir, the hon. Member, has raised a very important point. Yesterday also the names of some officers were mentioned in this House. Now, under the rules it is quite clear that if a Member wants to bring in the name of a person who is not psesent in the House to defend himself, the Member must substantiate it with records.

Now, if the hon. Member can show that Shri P. Dutta has got plot of land then he ean bring an allegation. But in the absence of the gentleman who cannot defend himself such an allegation cannot be brought.

Shri Dulal Chandra Barua :—That is not the thing. The rule permits a member to make a reference and it is upto the Government to approve or disapprove it. There is no bar in making a reference. Hon. Member Shri Choudhury is just referring to a case only. He is not supposed to tell the source of infomation as Mr. Bora is demanding.

Mr. Speaker :— Rule 279 (a) "No allegation of a defamatory or incriminatory nature shall be mady by a member against any person unless the member has given previous

intimation to the Speaker and also to the Minister concerned so that the Minister may be able to make an investigation into the matter for the purpose of a reply".

Shri Lakshyadhar Choudhury :— মানুহজনে যদি মাটি লোৱা নাই, খবৰ কৰি আনিব পাৰে ।

Shri Biswadev Sarma :— How is it possible for me to bring the information just now ?

Shri Giasuddin Ahmed :— Sir, I am afraid the rule 279 is wrongly interpreted The rule says that "no allegation of a defamatory or incriminatory nature shall be made... ......" But here the statement made by the hon. Member is not defamatory or incriminatory in nature. He is just making a reference.

( Voices :— It is defamatory )

Shri Lakshyadhar Choudhury : এই মানুহজনে একচনীয়া মাটি বিক্ৰি কৰিছে । ৰাজহ বিভাগে ভালকৈ পৰীক্ষা কৰি চাব পাৰে ।

Shri Biswadev Sarma : অহা নিৰ্ব্বাচনত প্ৰাৰ্থী হব বুলি কোৱাৰ কাৰণেহে কৈছো । তেখেতৰ reputation বেয়া কৰিবৰ কাৰণে কোৱা হৈছে ।

Shri Dulal Chandra Barua : ব্যখ্যা বেলেগ বেলেগ কৰিব পাৰে ।

Shri Lakshyadhar Choudhury : তেখেতে তাত মাটি লৈছে আৰু আমাৰ খেতিয়কক উচ্ছেদ কৰা হৈছে । সেই বিজাৰ্ভৰ একচনীয়া মাটি বিক্ৰি হৈছে । এতেকে ততাতৈয়াকৈ এইটো পৰীক্ষা কৰি ভূমিহীনক পট্টন দিব লাগে । যদি কোনো দোষৰ কথা আমি জানিও কব নোৱাৰো তেনেহলে ইয়াত নবহি বাহিৰত বহি থকাই ভাল ।

Shri Biswadev Sarma : Information টো আগতে দিলে মই তথ্য-পাতি সংগ্ৰহ কৰিব পাৰিলোহেঁতেন কিন্তু এই মাত্ৰ কলে মই reply দিব নোৱাৰো ।

Shri Lakshyadhar Choudhury : মই কৈছো যেতিয়া Reserve খুলি দিয়া হৈছে তেনে ক্ষেত্রত ৰাজহ বিভাগৰ Secretary ৰ হাতত তথ্যপাতি থাকিব লাগে। সেই reserve খুলি দিয়াৰ পিচত কাক মাটি দিয়া হৈছে সেইবিলাক তথ্যপাতি নিশ্চয় থাকিব লাগে। যদি সেইখিনি নাথাকে আমাক Protection দিব লাগিব। এতিয়া আমাৰ মণ্ডল ডাঙৰ নে মন্ত্ৰী ডাঙৰ এইটো সমস্যা হৈছে। গফুৰ মণ্ডলক SDO ই বৰখাস্ত কৰিছিল। দুজন অফিচাৰে তদন্ত কৰি সচা বুলি Report দিলে, মন্ত্ৰীয়ে বৰখাস্ত কৰিব লাগে বুলি Order দিলে; কিন্তু এতিয়াও গফুৰ মণ্ডল হৈয়েই আছে। আমি মন্ত্ৰীৰ পৰা Protection পোৱা নাই, আপুনি Protection দিব লাগে, কিনো ৰক্ষা কবচ আছে। ডাঃ সুৰেন দাসে লিখিত ভাৱে অভিযোগ দিছিল যে সোনকালে বৰখাস্ত কৰিব লাগে। কিন্তু আজিও মণ্ডল হৈয়েই আছে। কালি মই অনুপস্থিত আছিলো, প্ৰাগজ্যোতিষপুৰ কলা সংঘই মাটি পোৱা কথাটো শুনাইছিল। এইখিনি মাটি লোৱাৰ উদ্দেশ্য আছিল অসমত এটা Studio কৰাৰ কাৰণে। মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰিব খুজিছো যে এই মাটি কাটি দিব লাগে। যিহেতু এতিয়া চৰকাৰে নিজে Studio বান্ধিব লৈছে আৰু কামো প্ৰায় সম্পূৰ্ণ হৈছে। নহলে পিচত বদনাম হব। এই মাটি সভাপতিৰ নামত আছিল, অৱশেষে চিথাত কি পাইছে মই নাজানো। গতিকে এই খেলিমেলিটো সোনকালে যাতে দূৰ কৰে, তাৰ গোহাৰি জনাই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Rathindra Nath Sen : Mr. Speaker, Sir, I support the grant. By taking advantage of this grant I would like to draw your pointed attention of this Department the greatest amount of misdeed has already done to the people at large and particularly in the Subdivision of Karimgganj. Sir, we should take into account the actual picture of Karimganj Subdivision. Karimganj. Subdivision was a very big Subdivision and along with the partition of the country a big portion of the Subdivision has been swallowed by Pakistian. Now this Subdivision is a small one composed of previous

two and half Police Stations, even then it has been overburdened with the problem arising out of the large human exodus from East Pakistan. Although it is about 18 years the Zamindary system has been abolished and the Congress Organisation was committed to the country at large from before the independence that no sooner power comes than Zamindary system will be abolished and the landless people, the tillers, the agriculturists and cultivators will be supplied with necessary lands bringing into Government possession those excess land of the so-called Zemindars or Mirashdars. It was done in fact. But the Government, unfortunately, because of the very slow process or because the Government machinery was rather under the domination of the bureaucracy and this bureaucrat class never looked to the down-trodden community that though the abolition of the Zemindary system has been passed by this Legislature, most of the Zemindars and Mirashdars managed to divide the big bulk of their land amongst their own people, relatives and even to many of their servants who themselves did never know that they owned any such land. Unfortunately, this has been said in this House for the past time and again but this very Department could not create such a machinery to go deep into this land juggleries and thereby meeting this acute demand of the landless people. Then again, Sir, after the abolition of Zemindary, Acquired Estate system has been established by this Government and that became a miniature Zemindary under the control of a Demoeratic Government. By and large, after much of

trouble we could avert that tyranny of that acquired estate but it is surprising that all on a sudden settlement operation from Karimganj Subdivision had been abolished. There should not be any misunderstanding to know it for certain, Sir, that the land system in the State of Assam was not common ; so far, the Sylhet district was with Assam since 1911 and till then Sylhet was in Assam there were two systems—Ek Sona and Dash sona Sylhet Tenancy Act was in operation. Of late, our State Government just have brought a change in the system but unfortunately that Sylhet Tenancy Act system being quite different the officers who are being sent from this valley, they have no idea about that as a result during all these years too many anomalies have been created there and Syam owns the land of Ram, Rahim owns the land of Karim and Imtaz owns the land of Mumtaz and so on and so forth and all these allegations time and again are being brought to the notice of the Government but unfortunately nothing has been done. It is because of the fact that the Deputy Commissioners of the Districts and the Subdivisional Officers are generally given the revenue power. Unfortunately, in this democracy and in these days both the district authorities and the Subdivisional officers are the prisoners within the four walls of their offices and they have hardly got any time to look to the problems of the common people, the problems of the cultivators, the problems of the peasants. Then again, the entire revenue machinery is so corrupt, the officials in the lower ranks are so ill-paid

that they have no other way but to keep out their left hand to get something whenever anyone goes to them as a result the entire system has been vitiated. What happened, Sir, after the abolition of the Zemindary system ? Obviously, the land which has been owned by the persons which have been passed on to them, till May, 1971, you will be surprised to know, Sir, not a single coper as revenue has been collected from these unfortunate people, despite time and again their approaching the Deputy Commissioner and the Subdivisional Officers and the Revenue Department through their representatives, through Panchayats on the plea to tell the people : well, you see, there are too many anomalies ; , the Government has not yet come to the position of assessing the land revenue, please wait ; as a result what has happened, Sir, on the other day we learnt that revenue for years, for 15 years, has accumulated and all on a sudden in one fine morning the Government will come with warrants and ask the poor villagers to pay the land revenue all at a time and this common mass will not know how to meet such a demand and there is not system of making a part payment of the revenue. So, Sir, before it is too late I would urge, upon the Department in particular, though I know, this job of hon. Revenue Minister is a thankless one, to make a methodical advancement and solve the problem, so far as the Karimganj Subdivision in the district of Cachar in particular is concerned. Because the Government has not been able to make an assessment of their revenue, these poor people must not

be harassed and overburdened by asking them a on a sudden to pay their fifteen years dues all at a time. In that case the Government should have the wisdom to give them sufficient time so that by small instalments these poor people can pay that amount. Here, again, Sir, I would very much request the hon. Minister Revenue Department to take pains of going down to Karimganj once, if possible with his Secretary, if not the Secretary, at least the Deputy Secretary Mr Hazarika who was a senior Extra Assistant Commisioner at Karimganj for several years and who has got very wide idea about land affairs of Karimganj Subdivision and if the hon. Minister takes the trouble of staying there for three days he can understand this problem of horror and his visit will benefit everyone. Sir, it pains me very much to say in generality that it is absolutely a broken and corrupt department. I hope, Sir, the hon. Minister will make it a point to look to these things. Then, so far as giving land to the landless people, much has been said by the friends that side (I also said) on too many occasions but nothing has been done. So far as that part is concerned, most of the hon. Members of this House particularly of the Opposition side have gone on many occasions to that area and they know about it, and I know, Sir, that the Government will have the wisdom now a least when there has been a declaration from the high command, from the Prime Minister herself that they want socialism in its true sense to be rooted in this land and proverty has to

go. If that is the aim of the Government, I think, Sir, it is high time for the Government not to broode over, not to ponder, not to go through the heap of files and papers only, not simply give their good wishes to the people or not to hide behind slogans but to act. Thank you, Sir.

Shri Pitsing Konwar :— माननीय অধ্যক্ষ মহোদয়, এই Revenue শিতানত যিটো Demand আহিছে এই সংক্ৰান্তত মাননীয় সদস্য শ্ৰীগোবিন্দ কলিতা ডাঙৰীয়াই সদনত কেইটা মান কথা আৰু কেইজনমান সদস্যৰ নাম উল্লেখ কৰিছে আৰু কৈছে জনজাতীয় M. L. A. সকলে গুৱাহাটীত মাটি পাইছে, কিন্তু সেই সময়ত গান্ধী শতবাৰ্ষিকীত কাক মাটি দিয়া হৈছে সেই বিষয়ে মই নাজানো। চৰকাৰে ১৯৬৮ চনৰ ১৮ ডিচেম্বৰ তাৰিখত সিদ্ধান্ত লৈছিল যে গুৱাহাটীৰ মহানগৰীত মাটি বিতৰণৰ তালিকা অনুসূচীত জাতি আৰু জনজাতীয় লোকৰ অগ্ৰাধিকাৰ দিয়া। সেই কাৰণে জনজাতীয় এম, এল, এ, সকলে আৰু অন্যান্য লোক সকলে গুৱাহাটীত মাটি পাবৰ কাৰণে ৰাজহ মন্ত্ৰীৰ ওচৰত আবেদন কৰিছিল। তেওঁলোকে কোনো গৰীবৰ মাটি বন্দবস্তি কৰাৰ কাৰণে আবেদন কৰা নাছিল। গুৱাহাটী মহানগৰীৰ বেছি অংশ ট্ৰাইবেল ব্লকত অন্তৰ্ভুক্ত আছিল। এতিয়া মাননীয় সদস্য সকলে মাটি পাইছে বুলি কৈছে। তেনেকুৱা অৱস্থাত গতানুগতিক হিচাবে কোনো কথা কবলৈ গৈ অসত্য কথা অৱতাৰণা কৰি কবলৈ যোৱাৰ কাৰণে আমি দুখ পাইছো।

তেখেত Tribal দৰদী, তেখেতে Tribal ছোৱালী বিয়া কৰাইছে Tribal ক ভাল পাব পাৰে কিন্তু ট্ৰাইবেলক ভাল পোৱাৰ নামত যাক Exploit কৰিবৰ বাবেও মাটি দিয়া হয় তেতিয়াহলে আমি ভাল নাপাম। আজি জনজাতীয় লোক সকলৰ উন্নতি সাধন কৰিবলৈ যাওঁতে ক্ষতিসাধন কৰা হব। যদি তেখেত সকলক মাটি দিব বিচাৰিছে তেনে অৱস্থাত যি সুবিধা অসুবিধা হব পাৰে সেই বিলাক তেওঁলোকেই face কৰিব লাগিব। আমি ৰাইজেও ৰাজস্ব মন্ত্ৰীৰ ওচৰত দৰখাস্ত দিয়া নাই; আমালোকে আগৰ ৰাজহ মন্ত্ৰীৰ ওচৰত দৰখাস্ত দিছিলো।

জনজাতীয় এখন List দিয়াৰ পিচত List খনৰ এতিয়ালৈকে কোনো verification হোৱা নাই । তেনে অৱস্থাত এই কথা কোৱাৰ কাৰণে আমি দুখ পাইছো ।

লোকপ্ৰিয় গোপীনাথ বৰদলৈ যেতিয়া প্ৰধান মন্ত্ৰী আছিল তেতিয়া বিষ্ণুৰাম মেধী আছিল ৰাজহ মন্ত্ৰী । তেখেত সকলে যেতিয়া অসমলৈ বাহিৰৰ পৰা বহিৰাগত লোকৰ সোঁত লানি নিচিগাকৈ অহা দেখিলে তেতিয়া Indigenous মানুহক বচাবৰ কাৰণে Tribal belt ৰ নামত মাটি সুকীয়াকৈ ৰখাৰ ব্যৱস্থা কৰিলে । অসমৰ মানুহক বচাবৰ কাৰণে এটা Line system ৰ ব্যৱস্থা কৰিলে । এইটো কৰিছিল চাদ্‌দুল্লা চাহাবৰ দিনতে কিন্তু এই ব্যৱস্থা থাকিব নোৱাৰে বুলি Desai চাহাবে এটি ৰিপোর্ট দিয়াৰ পিচত এই Line system উঠাই দিলে । ১৯৪৭ চনৰ September মাহত Gopinath Bordoloi চাহাবে আইন এখন কৰিলে । Land Revenue Regulation ত দশম অধ্যায় প্ৰৱৰ্ত্তন কৰি ট্ৰাইবেল বেল্ট আৰু ব্লক গঠন কৰিলে । আমি আৰু Tribal ৰ নামত ক্লেচ সৃষ্টি কৰা প্ৰচেষ্টাৰ আমি নিন্দা কৰো । এইদৰে চলি থাকিলে পাহাৰী ভাই সকল ফাটি যোৱাৰ নিচিনাকৈ এই লোক সকলেও এদিন ফাটি যাব ।

আমাৰ মাননীয় সদস্য B. K. Ghose ডাঙৰীয়াই কৈছে যে যাৰ ডিব্ৰুগড়ত মাটি আছে তেওঁৰ গুৱাহাটীত মাটি থাকিব নালাগে কিন্তু আজি যি সকল বাহিৰা মানুহ Madras, Bombay ইত্যাদিৰ পৰা আহি Gauhati ত বা অইন ঠাইত মাটি লৈছে সেই বিলাকৰ কি Bombay, Madras ত নিজৰ মাটি নাই নেকি ? সেইটো Ghose ডাঙৰীয়াই চাবলৈ গৈছে নেকি ? আমি Cosmopolitan Gauhati City তৈয়াৰ কৰিবলৈ যি আইন প্ৰণয়ন কৰিছো এইটো কেৱল বাহিৰা মানুহৰ কাৰণেহে কৰা হৈছে নেকি ? তেখেতে এই excitement ৰে আমাৰ সমাজক বিচ্ছিন্ন কৰিব খুজিছে নেকি ?

সেই কাৰণে কওঁ যেন সকলো সদস্যই গভীৰ ভাৱে চিন্তা কৰি এই খেলিমেলিবোৰ আতৰাব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

Shri GIASUDDIN AHMED : Mr. Speaker, Sir, at the outset I congratulate Mr. Govinda Kalita for placing before this House some glaring instances of irregularities and corruption indulged in by the vested interests. Sir, the facts placed.........

Mr. SPEAKER : Mr. Ahmed, all these facts will be enquired into by a Committee. So please stick to other points.

Shri GIASUDDIN AHMED : I am not going into the details, I am just referring to the facts placed before the House by Mr. Kalita. These are some burning samples of what is actually happening all over the State. Sir, it is a matter of great regret that with regard to question of the erstwhile Tribal Belt at Gauhati there has been some sort of misunderstanding amongst some of our friends. So far as I could understand, Mr. Kalita had no intention to make any insinuation against anybody or to defame anybody or he had any intention to exploit any body. What he meant to say is this that during the Gandhi Centenary really deserving people—Scheduled Castes and Scheduled Tribes were not given land as claimed by the Goverment. Some others, who might require some land in a city like Gauhati and as a matter of fact I may also require some land in a city like Gauhati, were given land. But on a Great occasion like that—Gandhi Centenary really deserving people really poor and landless and down trodden people should have been allotted land. But that was not done. That was the allegation brought by M.r Kalita and I hope, nobody will misunderstand him.

Any way, I come to other points. Regarding Ceiling Act much has been said. Sir, we have certain progeressive legislations. I must say, but it is a matter of great regret that the little amount of progressive legislation that we have has not been implemented. Rather, the vested interests and I am sorry to say, that the vested interests in collusion with the so-called socialistic Government are always trying to sabotage the progressive legislation. That is actually happening. Recently the Goalpara Tenancy Act and Sylthet Tenancy Act have been amended and the Adhiars have been given the status of under-tenants. That is a progressive piece of legislation that we must admit and when that amendment was brought I personally submitted an amendment to that amending bill for making a provision for recording the names of the Adhiars so that the owners cannot deprive the adhiars of their right to the land. But that amendment was not accepted. I would like to discuss these things in details Sir, particularly in the District of Goalpara the settlement operation was over long ago, but during the settlement operation the adhiars were not recorded in the Khatian.

If we do not make any provision for recording their names then these Adhiars will be nowhere and they will not have any remedy, they will not have any scope for recording their names because there is no provision in the Goalpra Tenancy Act. No spceific provision was made by amending the Act.

Mr. SPEAKER : It is now 12-30. According to the decision of the House the debate should have been closed at 12-30.

House ৰ Decision আছেনে নাই সুধিছো। মই নিজে নিজে কৰিব নোৱাৰো। গতিকে দুই বজাত বহিম। তাৰ পিচত continue কৰিব লাগিব।

Adjournment

The House then adjourned for lunch till 2 P. M.

**( After Lunch )**

(The Assembly reassembled at 2 P.M. with Announcement by the speaker in the Chair )

**Reconstitution of the Land Settlement Implementation Advisory Committee.**

Mr. Speaker :— The House is aware that yesterday during the course of discussion on a cut motion on the Demands of Grants for Land Revenue the House requested me to reconstitute the Land Setlement Implementation Advisory Committee and to refer the allegations brought by Shri Govinda Kalita on the floor the House with regard to the alleged anomalies and malpractices in the matter of settling lands in and around Gauhati, for enquiry and report to the House within the course of two months. The terms of reference are being prepared by me and will be furnished to the Committee in due course. It appears that two of the members, namely, Shri Ataur Rahman

and Shri Parama Gogoi have in the mean time joined the Ministry. Shri Gaurisankar Bhattacharyya has been ill for a long time. Shri Jogen Saikia has been elected as the Deputy Speaker who was also a member of the Committee. In view of all these I reconstitute the Committee comprising the following members:—

1. Shri Biswanath Upadhyaya
2. Shri Dharanidhar Choudhury
3. Shri Prabhat Narayan Chouhdury
4. Shri Puspadhar Chaliha
5. Shri Lakhyadhar Choudhury
6. Shri Dulal Chandra Barua
7. Shri Phani Borah

The Revenue Minister will be the Chairman of the Committee. Five of them will form the the Quorum.

—ELECTION OF A NEW DEPUTY SPEAKER

I hereby inform the hon. Members of this House that our Deputy Speaker, Shri Jogen Saikia has submitted resignation under his hand and address to me from the office of Deputy Speaker to be effective from the date of election of another hon, Member to the office of Deputy Speaker.

Therefore under Rule 8 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I fix 24.5.71 as the date and 3 P. M. to 4 P. M. of that day as the time and the Assembly Chamber as the place for holding the election of the Deputy Speaker of

the Assam Legislative Assembly to fill up the vacancy caused by the resignation of Shri Jogen Saikia, Deputy Speaker.

Any member may nominate another for election by delivering to the Secretary a nomination paper signed by himself as proposer and by a third member as seconder, and stating—

(a) the name of the member nominated ; and

(b) that the proposer has ascertained that such member is willing to serve as Deputy Speaker, if elected.

The nomination papers are to be delivered to the Secretary either by the candidate himself or by the proposer or seconder in person.

Forms of nomination papers will be available in my office.

After a nomination paper is delivered, the Secretary will grant a certificate of delivery to the member who delivers the nomination paper, stating therin the date and hour of delivery of the nomination paper.

* Shri Phani Bora : Mr. Speaker, Sir, I want to know whether this decision was taken by yourself or by the Congress Party ? It is a surprised thing to us that the Deputy Speaker has resigned and election of a new Deputy Speaker is going to take place on the 24 th May, 1971.

Mr. Speaker : You will be given notice in due course.

*Speech not corrected

Shri Phani Bora : Sir, I want to know whether the resignation of the Deputy Speaker is received today or yesterday or day before yesterday and whether the decision to have election of the Deputy Speaker on the 24 th May, 1971. What I gather is that the Congress Party received the resignation and they in their Party meetings decided to accept that resignation and also decided to have the election of the Deputy Speaker as quickly as possible, with a view to accommodate fresh party men to solve unemployment problem of the Party. In various occasions we find that the post of the Deputy Speaker remains vacant for a long time. It is noticed that quick decision has been taken for quick employment of partymen. Therefore, it is quite imaginable that it is created only to accommodate more people, may be to absorb all kind of wisdom and to make all clearance to run the administration. But, Sir, the problem of employment is increasing day by day because some people were taken to the Treasury Bench. So, it is evident that only to solve the unemployment problem, the Party in power has taken quick decision in this matter. Sir, in the context of economic condition of our State, which the hon'ble Finance Minister has again and again said in the floor of this House, I want to know whether this is not in contravention of their ideology.

Shri Dulal Chandra Barua :

Mr. Speaker, Sir, regarding election of the Deputy Speaker we find from Rule 8 of the Rules of Procedure that—

*Speech not Corrected

"When either at the beginning of a new Assembly or owing to the existence of any vacancy in the office of a Deputy Speaker at any time during the life of an Assembly, the election of a Deputy Speaker is necessary, the Governor, when there is no Speaker, or the Speaker when there is a Speaker, shall fix a date for holding of the election and the Secretary shall send to every member notice of the date so fixed, unless the same is announced to the House by the Speaker in the latter case."

Now, the question is Sir, you have simultaneously announced the resignation of the Deputy Speaker and its acceptance. At the same time you have also announced the date for holding the election. I want to know whether it can be done.

Mr. Speaker : Now it will be notified. I have already announced here in this House about this and in addition to this a notice will also be issued.

Shri Dulal Chandra Barua : Sir, I want to know whether opinion of the House is to be obtained or you have the discretion to fix the date ?

Mr. Speaker :— It is laid down that the Speaker shall fix the date for holding the election.

Shri Dulal Chandra Barua :— There is another thing about which, with your permission, I want to seek information. We have come to know that one of the seniormost Cabinet Members has submitted his resignation. We have also come to know that our Chief Minister is going to

announce the resignation of that particular Minister, the Minister of Law, Abdul Matlib Mazumdar. I want to know whether this is a fact.

Shri Mahendra Mohan Chaudhury :— I have not received any resignation.

Mr. SPEAKER : Shri Giasuddin Ahmed to resume his speech.

Shri Giasuddin Ahmed : Mr. Speaker, Sir what I wnnted to say is this : that the legislation for conferring the status of under-tenants to the adhiars has not been implemented and there is no provision in the Act for their protection against the onslaught of the owners. I think to clarify my point I should discuss certain provisions of the Goalpara Tenancy Act regarding settlement operation in particular. Sir, settlement operations are made within a particular period. At first a draft record of rights is perpared; then one month's time is given for filing objections against the draft record of rights. Then the final record of rights is prepared. Affer preparation of the final record of rights 4 months time is given for filing suit agaist the final record of rights if any party is aggrieved. After hearing such objection and disposal of the suit under Section 103 or applications under Section 107 of the Goalpara Tenancy Act, the record of rights becomes final. It then becomes absolutely final and there is no provision to change the final record of rights after it becomes time-barred. Now, Sir, my point is this ; during the settlement

operations, in the district of Goalpara in particular, the names of adhiars were not recorded in the khatian. That is my point. As for instance, X is the owner and Y is the adhiar. The adhiar was cultivating certain land on adhi basis, but his name was not recorded in the khatian. Then the khatian is finally prepared in the name of X. That is, he becomes the absolute owner of that land and the *adhiar* has got nothing to do with it. That is exactly the legal position. Now, by amending the Goalpara Tenancy Act and the Sylhet Tenancy Act, we have conferred the status of under-tenants to the *adhiars*, but we have made no protection of these *adhiars*. Now, what happens ? When these Amending Acts have been passed giving the right of undertenants to the *adhiars*, the owners are trying to disown the *adhiar*. They now claim that they have no *adhiars* at all. They are dispossessing the *adhiars*. That is being done all over Assam. The *adhiars* are not giving any protection. These *adhiars* are poor people and in the Act there is no provision for their protection. Formerly, Sir, when the *Adhiars* Protection Act was in foce there was a Board called the Adhi Conciliation Board Any aggrieved party, whether the owner or the adhiar, could file applications to the Adhi Conciliation Board for settling their disputes. But as the Adhiars' Protection Act was repealed, there is only one provision that an aggrieved adhiar may go to the Civil Court for any remedy that he may seek. Now it is very difficult for a poor adhiar to go to the Civil Court. Now, Sir it is quite clear that there are certain legal and practical difficulties the adhiars have fallen into and there is no protection.

That is why I wanted to say that although we have passed these progressive legislation, although we profess socialism, and although times without number this Government is shouting fiom the house-top that we are building a Socialist State, indirectly we are keeping the vested interests in tact and we are helping the owners in possible ways.

Then, Sir, I come to the next point. As regards settlement of land to the landless, that is a wonderful story. In 1968, the Government adopted a certain policy regarding settlement of land with the landless. They asked the Gaon-Panchayat to prepare list of people. On another occasion I mentioned in this House that lists prepared by the Gaon Panchayats are lists of all well-to-do people and very few landless people have been incuded in those lists. If lands are distributed on the basis of those lists, the actual landless people wil be deprived. Then, again Sir, as regards the relief measure, undertakan by the Revenue Department, I can cite concrete examples but as time will not permit, I am, not going into the details. I would only like to mention that in distribution of flood relief grants to the tenants we have found rampant corruption. What happens Sir? The Gaon Panchayats, in collusion with some village touts, who are invariably members of the Congress, prepare the lists of affected persons. The lists are prepared on 50:50 basis. It you are allotted Rs. 300 since you were affected by flood, you are to pay Rs. 150 to me and you will get Rs. 150. If you agree to this condition then only your name will be included in the list. In this way the

lists were prepared and more than 50 per cent of the money granted as flood relief has gone into the pockets of the touts, dacoits and thieves living in the rual areas and who are active members of the Congress. That is why I say that in spite of all the high-sounding words about socialisim, I must say all that glitters is not gold.

Shri Atul Chandra Goswami : माननीय অধ্যক্ষ মহোদয়, মই বেছি কথা নকওঁ, মাত্র দুষাৰ মান কথা কব খুজিছো। আমি স্বাধীনতাৰ পাচৰ পৰাই দেখিবলৈ পাইছো যে, 'আজিঁচে নন্দ দুলালে, খাইছে খৰা শিয়ালে'। ১৯৫৭ চনৰ ১৫ আগষ্টৰ পৰা ১৯৬৭ চনলৈকে গোটেই অসমত কিমান খেতিয়কে মাটি পাইছে তাৰ হিচাব যদি আজি ৰাজহ মন্ত্ৰীয়ে কৰে তেনেহলে দেখিব যে, যি সকলে Pension পাইছে বা যি সকলৰ নাম Political Sufferer ৰ List ত আছে, সেই সকলৰ মাজতে মাটি বিতৰণ কৰা হৈছে। মই আমাৰ কলিয়াবৰৰ কথাকে কওঁ। কলিয়াবৰৰ কলাদিন, মোৰাফৰি, কাকী, হোজাই আদি আটাই কেই ঠাইতে কেইজন মানুহে মাটি পাইছে। তাৰ ভিতৰত শ্ৰীবদন চন্দ্ৰ বৰদলৈ, তেওঁ আঞ্চলিক পঞ্চায়তৰ President আছিল, তেওঁ জেইলো খাইছিল, তেওঁ কাকী, পোকেখাটি, ৰৌমাৰি, বৰপেটা, হোজাই আদি সকলোতে মাটি পাইছে। আৰু তেওঁৰ পুতেক শ্ৰীযতীন্দ্ৰনাথ বৰদলৈ, আমযোগ পানীত মাষ্টৰ কৰে, তেওঁক তাতে মাটি দিছে। তাৰ পিচত শ্ৰীনলিনী শইকীয়া, ভোগেশ্বৰ নেওগ, নিৰঞ্জন মিশ্ৰ ( কবিৰাজ ), এই আটাই কেইজনেই কাকী, হোজাই য'তেই মাটি বিতৰণ হয় তাতে মাটি পায়। ইয়াৰোপৰি শ্ৰীতুৰাকান্ত গোস্বামাক Political Pension ও দিছিলে কিন্তু মই পাচত ধৰাই দিলো। এওঁলোকে দেওচৰ, হোজাই Town আদি সকলোতে মাটি পাইছে। কিন্তু যিসকল প্ৰকৃত খেতিয়ক তেওঁলোকে হলে মাটি পোৱা নাই। আৰু এটা ডাঙৰ খবৰ দিও যে দুজন ভাইৰ আছল নাম হৈছে শ্ৰীগফুৰ মুন্সী আৰু শ্ৰীতলিব। তেওঁলোকে ভূমি হীন সমবায় গঠন কৰি চৰকাৰৰ পৰা খেতিৰ মাটি লৈছে। তেওঁলোক প্ৰত্যেকেই ৭ ঠাইত ৭ টা সমবায় কৰি ৭ ঠাইত মাটি লৈছে। কোনোবা এটা সমবায়ত যদি নামটো ১ নং ত আছে কোনোবা

টোত ২ নং ত আছে কোনোবাটোত ৩ নং বা ৪ নং ত আছে। এই ভূৱা যি জন S. D. C. এ ধৰা পেলালে সেই শ্ৰীদীনবন্ধু ভট্টাচাৰ্য্যক Transfer কৰি দিলে। নগাৰৰ গুৰগুৰীয়াত মাটি বিতৰণ কৰিলে, আৰু তাত মাটি পালে D. C. অফিচৰ কৰ্ম্মচাৰী সকলে আৰু আমাৰ শ্ৰীহাজৰিকাৰ প্ৰিয় বন্ধু শ্ৰীক্ষিৰ শৰ্ম্মাই। সেই ক্ষিৰ শৰ্ম্মাৰ পুতেক কেইটায়ো মাটি পাইছে। ক্ষিৰ শৰ্ম্মাৰ পুতেক হতে শৰ্ম্মা নিলিখে। তেওঁলোকে লিখে বৰুৱা বা ৰাজখোৱা। পিতা ক্ষিৰ। কাৰণ ব্ৰাহ্মণ সকলে যিকোনো উপাধি লিখিব পাৰে। এইদৰে ভূমি সংস্কাৰ কৰিব নোৱাৰে। যেতিয়ালৈকে মাটিহীনক মাটি নিদিয়ে অৰ্থাৎ মাটিহীন খেতিয়কক মাটি নিদিয়ে তেতিয়ালৈকে মাটিৰ সমস্যা সমাধান হব নোৱাৰে। আমাৰো মাটি আছে। আগেয়ে গছি আধি দিছিলো, এতিয়া গুটি আধি দিছো। আমাৰ শ্ৰীভূঞা ডাঙৰীয়াৰো মাটি আছে আৰু তেখেতে বিঘাত ১২ মোন কৰি লয়।

Shri Jadunath Bhuyan : মই $\frac{1}{5}$ অংশহে লওঁ।

Shri Atul Chandra Goswami : ভূঞা দেৱৰ এই $\frac{1}{5}$ অংশতো যদি মন্ত্ৰী ডাঙৰীয়াই আনিব পাৰে তেতিয়াহলে মই তেখেতক এটা নমস্কাৰ কৰি মই এই কথা উঠাই লম। যিহেতু Vested interest আমাৰ প্ৰত্যেকৰে আছে। সেই কাৰণে আমাৰ যিমানেই আইন নকৰক চৰকাৰে সেই আইন কাৰ্য্যকৰী কৰিব নোৱাৰে। চৰকাৰে এই আইন প্ৰণয়ন কৰাৰ আগেয়ে— Vested interest বিলাক শেষ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব।

আজি আমাৰ মুখ্যমন্ত্ৰী আৰু সেই সময়ৰ ৰাজহমন্ত্ৰীয়ে বিধান সভাত কৈছিল যে, অসমৰ দুটা ডাঙৰ সম্প্ৰদায় ধ্বংস হৈ যাবলগীয়া হৈছে। এটা হৈছে অসমৰ কৈৱৰ্ত্ত সম্প্ৰদায়ে আগতে মাছৰ কাৰবাৰ কৰিছিল। কিন্তু আজিকালি সেই মাছৰ কাৰবাৰো নাইকিয়া হৈ যায় আৰু মাটিও এটুকুৰাও নাই। ফলত তেওঁলোকৰ যথেষ্ট অসুবিধা হৈছে। দ্বিতীয়তে অসমৰ মৰীয়া মুছলমান সম্প্ৰদায়ে আগতে পিতল খুণ্ডা কাৰবাৰ কৰিছিল। কিন্তু এতিয়া সেই কামো তেওঁলোকৰ নাই। আনহাতে তেওঁলোকৰো ক'তো মাটি নাই। ফলত এই দুটা সম্প্ৰদায় একেবাৰে নিশ্চিহ্ন হৈ যাব। মোৰামাৰি গাওঁ পঞ্চায়তৰ বহুত মানুহে ওখ ঠাই

কাটি মাটি দখল কৰি খাজনা দি থকা স্বত্বেও তেওঁলোকে মাটি পোৱা নাই । কদমনলা, চুলুঙবিল, মোৱামাৰি, পাটলিআটি দিঘলী আদিত এনেকুৱা ধৰনে ঘটি আছে । আনহাতেদি বহুত মানুহে খাজনা নিদিয়াকৈয়ে মাটি লৈ আছে । আমাৰ আগৰ ৰাজহমন্ত্ৰীয়ে কলিয়াবৰ আঞ্চলিক পঞ্চায়তৰ Chairman শ্ৰীশশী ফুকনক দেওমাৰি, দেওপানিত মাটি দিছে হয় কিন্তু চৰকাৰে তাৰ পৰা চৰকাৰে এক পইচাও খাজনা নাপায় । আনহাতে ৩/৪ বছৰ ধৰি তৌজি খাজনা দি থকা মানুহে একচনা পট্টাকে পোৱা নাই । আজি যি ভুমিহীনে মাটি পাবৰ যোগ্য তেওঁলোকে ৬/৭ বছৰ তৌজি খাজনা দিছে যদিও পটা দিয়াৰ ব্যৱস্থা কৰি দিয়া নাই । এই ব্যৱস্থাটো কৰিবলৈ চৰকাৰ আগবাঢ়ি অহাটো উচিত হব ।

মই আন এটা কথাৰে শেষ কৰিব খুজিছো। আজি কংগ্ৰেছৰ ৰাজত্ব থকা কেইবাখনো প্ৰদেশত ২০ বিঘালৈকে মাটিৰ খাজনা উঠাই দিছে । আমাৰ চৰকাৰেও যাতে সমাজবাদী চৰকাৰ গঠন কৰাৰ ক্ষেত্ৰত অন্ততঃ অহা বছৰৰ পৰা ২০ বিঘালৈকে মাটি থকা মানুহৰ খাজনা সম্পূৰ্ণৰূপে ৰেহাই দিব । এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো ।

Shri RANENDRA BASUMATARI ( Minister, Forests ): Mr. Speaker Sir,...

( Interruptions )

Mr. SPEAKER : Yesterday some personal explanation was sought from him and I told that he would be given chance to explain his position in course of discussion on Revenue today.

Shri RANENDRA BASUMATARI (Minister, Forests, & W.B.C. ) : Mr. Speaker, Sir, yesterday in course of discussion on the cut motion on Land Revenue, hon. Member, Shri Kalita stated that I Shri Ranendra Nath Basumatari, was purchased by the Government of Assam and so I agreed to the abolition of the tribal belt, and was interested in

possessing land in greater Gauhati. Sir, perhaps hon. Member Shri Kalita has no knowledge under what circumstances the operation of the tribal belt has been abolished in in greater Gauhati and also from North Lakhimpur.

Shri GIASUDDIN AHMED : Sir, one word for clarification. So far as I remember, hon. Member Shri Kalita has not said that the hon. Minister was purchased by the Government of Assam.

( Voices— He said so ).

Shri RANENDRA BASUMATARI : So, Sir, I take strong exception to such reckless utterances made by Shri Kalita, because this abolition of tribal belts and blocks was advised by the then Tribal Advisory Council as far back as in 1965 in the interest of the development of greater Gauhati and also the town of North Lakhimpur. Due to the existence of these tribal belts around Gauhati the development was not possible. In pursuance of that advice the Assam Government adopted a resolution in in the Cabinet in December, 1968, deciding to abolish the operation of the tribal belt and blocks around greater Gauhati and North Lakhimpur. The Government of Assam had also very kindly decided that in the matter of settlement of land in and around greater Gauhati preference should be given to Scheduled Caste and Scheduled Tribes people. So, Sir, I fail to understand what is the sense in reckless utterances like 'Ranendra Nath Basumatari was purchased by the Government of Assam', and what justification there could be in bringing such wild allegations. Sir, I have been all along speaking

in the interest of the tribal people. All the Tribal M. L. As. also in the Tribal Advisory Council and the Scheduled Caste M. L. As. in Scheduled Caste Advisory Council advised me in this matter and I only attempted to put forward their views for the welfare of the tribal people and the Scheduled Caste people. Sir, yesterday Shri Kalita stated that I came out with a statement opposing the abolition of tribal belts. Yes, I did it. I did it in the interest of the tribal people and the Scheduled Caste people. It was also discussed in the Advisory Councils. Sir, by giving that statemen I simply tried to give out my views and the reaction of the tribal people and the Scheduled Caste people. Sir, then as regards the allotment of land to tribal people and Scheduled Caste people, the selection was not done by the Government here, Government decided to give settlement to the deserving tribal and Scheduled Caste people in greater Gauhati for the purpose of construction of residential house only. The allotment to be given is for only $\frac{1}{2}$ bigha each. In greater Gauhati if that half a bigha is given to a landless cultivator, I fail to understand how that landless cultivator can pay the premium which will perhaps come up to some thousand. What will be the consequence ? The consequence perhaps would be that he will sell the same to other rich person or some other non-tribal and the landless cultivator would again be landless. Also in the decision of the Government there was no specific mention that only landless cultivator would be given settlement

of land only this much was decided by the Government. There was no decision that the landless people would be given land at the rate of half a bigha. It is also quite useless to give half a bigha of land to each landless cultivator within the town area. So, Sir, as there was no specific mention that only the landless cultivators would be given land and not to others of the nature of social worker, businessmen, low-paid employees belonging to Scheduled Caste and tribal people there was nothing wrong in alloting lands with social workers, businessmen, low-paid employees and others belonging to Scheduled Caste and Tribal people. These people did not apply for land directly to me. They applied to the Minister, Revenue.

Shri Promode Chandra Gogoi : Sir, if it is a personal explanation he should confine to it only. But he is speaking on some other matter.........

Mr. Speaker : You have explained your position already.

Shri Ranendra Basumatari : I am going to explain that there was no mention.........

Shri Dulal Chandra Barua : Whatever it may be. The list of allottees that was read out by Shri Kalita is a doubtful one. I would, therefore, request the Minister not to go far in that direction and to remain content with giving his personal explanation.

Shri Ranendra Basumatari : Sir, the selection of allottees was done by the President of the Gauhati Tribal Singha,

Shri Sarbananda Boro, and the list of Scheduled Caste allottees was prepared by the General Secretary of the Scheduled Caste Association of Gauhati as I find from the records. He also convened a meeting of the Sub Committee of the Scheduled Caste Association.

Shri Dulal Chandra Barua: Whatever that may be there is definite revenue rule in such matters. It is the Deputy Commissioner and the Land Advisory Council which are authorised by the Government to allot such land.

Shri Ranendra Basumatari: I have simply given out what had happened.

So, Sir, this is my personal explanation. I have also explained the circumstances under which the decision was taken by the State Government and the decision to allot land to the landless tribal people of Gauhati was taken.

Mr. Speaker: For Minister's reply what time should we fix ?

Shri Dulal Chandra Barua: We wanted to take up some other subjects but seeing the number of Members who will participate in the debate, I do not think it will be possible for us to take up other subjects.

Mr. Speaker: I think the House will expect some reply from the Minister on the vital points. Therefore by sacrificing some time let us allot a time for Minister's reply. I think 3.30 P. M. should be fixed for Minister's reply.

**Shri Mohidhar Pegu**: মাননীয় অধ্যক্ষ মহোদয়, ভূমি ৰাজহৰ সম্পৰ্কত যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন হৈছে সেইটো সমৰ্থন কৰিবলৈ যোৱাৰ আগতে মই চাৰিটা কথা চাৰিটা বাক্যত শেষ কৰিবলৈ বিচাৰিছো।

আজি সুদীৰ্ঘ ২৪ বছৰৰ পাছত অৰ্থাৎ স্বাধীনতা পোৱাৰ পাছতো অসমৰ বহুত অঞ্চলত Settlement Operation ৰ কাম হোৱা নাই। লক্ষীমপুৰ, চাবিত্তৰাৰ, জুনাই আৰু মোকক চেলেং আদি ঠাইত এতিয়ালৈকে ভূমি পট্টন নোহোৱাৰ কাৰণে পুৰুষানুক্ৰমে কৰি অহা লোকসকলে যি মাটি বে-দখল কৰি আছে সেইখিনি মাটিৰ কি পট্টা, কি দাগ নং সেইটো আজিলৈকে ময়ো নাজানো, চৰকাৰেও নাজানে আৰু কোনেও নাজানে। এই বিলাক মাটি বন্দৱস্ত নকৰাকৈ এতিয়া প্ৰত্যেক পৰিয়ালকে যদি ৮ বিঘাকৈ দিবলৈ ঠিৰাং কৰে, তেন্তে তেওঁলোকক বিপদত পেলোৱা হব। কিন্তু আজি চৰকাৰে Ceiling Act কৰিলেও তাৰ কোনো ব্যৱস্থা কৰা নাই। পুৰুষানুক্ৰমে ভোগ কৰি অহা লোকৰ কোনো পট্টা নাই। সেই কাৰণে তেওঁলোকে খাজানাও দিয়া নাই। বৃটিছৰ দিনত খাজনা দি থকা লোকৰ পট্টা নোহোৱাটো আচৰিত কথা। বোধকৰো সেই বৃটিছৰ দিনত খাজনা দিয়াৰ বাবে তেওঁলোকক মাটিৰ পট্টন দিয়া নাই। আজি চৰকাৰে নতুন আইন কৰি তেওঁলোকক মাটিৰ পট্টা নিদিব আৰু তেওঁলোকক কালিলৈ ভূমিহীন বুলি আখ্যা দিলে তেওঁলোক বিপদত নপৰিবনে?

তাৰ পাছত ভূমিহীন হোৱা লোকক পুনৰ বসতি দিবৰ বাবে চৰকাৰৰ কোনো সুস্থ নীতি বা পৰিকল্পিত নীতি এটাও নাই। আজিলৈকে এঘৰ মানুহকো পুনৰ বসতি দিব পাৰিছেনে নাই আৰু ভূমি পট্টন দিব পাৰিছেনে নাই মোৰ সন্দেহ।

উদাহৰণ স্বৰূপে মাজুলীৰ গৰাখহনীয়া লোকৰ কথা কব পাৰি। এই বানবিধ্বস্থ আৰু গৰাখহনীয়া মানুহৰ কথা মন্ত্ৰীয়ে নজনা নহয়। এই কেই বছৰৰ ভিতৰতেই বহু ঠাইত মথাউৰি ভাঙি বানপানী আৰু গৰাখহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগে ডেৰ লাখ মানুহক গৃহহীন কৰিছে। তেওঁলোক এতিয়া অসমৰ বিভিন্ন ঠাইত আছে। তেওঁলোকক যদি সোনকালে পুনৰ বসতি দিয়া নহয় তেন্তে ভূমিহীন লোকৰ সংখ্যা দিনক দিনে বাঢ়ি

যাব আৰু চৰকাৰে বহুতো দুৰ্ব্বহ বোজা বব লাগিব। এই কথা মই কেবাবাৰো কৈ আহিছো। কিন্তু চৰকাৰে কোনো কানাষাৰ দিয়া নাই।

মই আৰু এটা কথা কওঁ যে যিসকলে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত পৰি গৃহহীন হৈ আছে চৰকাৰে সেই বিলাকৰ খাজনা লোৱা নাই। কেৱল দৰখাস্ত খুজিছে। কিন্তু সেই দৰখাস্তবোৰ Circle Office তে জাপ জাপ হৈ পৰি আছে। দৰখাস্তৰ খবৰ ললে চৰকাৰে কয় এইটো বিবেচনাধীন হৈ আছে। খাজনা লব লাগে বুলিও কোৱা নাই আৰু লব নালাগে বুলিও কোৱা নাই। এনেকুৱা উদাহৰণ লাগিলে মাজুলীতেই আছে।

তাৰ পাছত Tribal Belt ৰ সম্পৰ্কে বহুতো সদস্যই বহুতো কথা উঠিয়াইছে যদিও এইটো আমাৰ এজন সুদক্ষ Tribal নেতাৰ সৌজন্যত খিলঞ্জীয়া লোকৰ ৰক্ষণা-বেক্ষণৰ কাৰণেহে কৰা হৈছে। মুঠৰ ওপৰত এই Tribal Belt ৰ উদ্দেশ্য আছিল কিছুমান জনজাতিৰ ভূমিহীনলোকক ৰক্ষণা-বেক্ষণ দিয়া।

কিন্তু এতিয়া দেখা গ'ল যে এই Tribal Belt বুলি কাগজত ভুল বুজুৱা হৈছে। প্ৰকৃত খিলঞ্জীয়া লোকে মাটি পোৱা নাই। মাটি পাইছে Tribal ৰ নামত ধনী লোকে। গতিকে এই বিলাক কাগজত থকাৰ বাহিৰে আন একো নহয়। এই পুঁজিভুত খণ্ডত বাহিৰা লোকেই লৈছেনে অন্যান্য লোকেই বে-দখল কৰিছে সেইটো মোতকৈ চৰকাৰেহে বেছি জানিব।

তাৰ পাছত এতিয়া গুৱাহাটীৰ সম্পৰ্কত এটা কথা ওলাইছে। এই ক্ষেত্ৰত মই কব বিচাৰিছো যে ১৯৬৮ চনৰ পৰা জনজাতিৰ লোকক মাটি দিছে আৰু কিছুমান মাটিও আছে বুলি বহুতে দৰখাস্ত দিছে। কিন্তু এই দৰখাস্তকাৰী সকল প্ৰকৃততে মাটি পোৱা যোগ্য হয়নে নহয় তাক আগতে অনুসন্ধান দিব লাগে। গতিকে ইয়াতকৈ আৰু নতুন মন্তব্য কি দিম ?

তাহানি কোৱাৰ দৰে "কেৰ্কেটুৱাই তামোল খাই নেউলক বান্ধি কিলাই"। গতিকে মই কৈছো Settlement Operation ৰ কাম এতিয়াই শেষ নকৰিলে আৰু তিনি-চাৰি পুৰুষ থাকিলে এইটো কৰি দিব লগীয়া হব গৈ নে কি ?

আজি ৩টা পৰিকল্পনা পাৰ হ'ল কিন্তু এই তিনিটা পৰিকল্পনাতেই জনজাতিৰ লোকক বাইজৰ সা-সুবিধাৰ পৰা বঞ্চিত কৰি ৰাখিছে। কিন্তু এইদৰে কৰিবলৈ কোন চৰকাৰে অধিকাৰ পালে? অসমৰ্থন এখন পিচপৰা জনজাতিৰ বিপৰ্য্যয় অঞ্চল। ইয়াত বিশেষকৈ আগবাঢ়োতা লোক নাই আৰু ইয়াত মাটি কিনি লোৱা মাটিও নাই। স্বাধীন ভাবে কোনো গৃহস্থই গাওঁ অঞ্চলত মাটি সৰহীয়াকৈ লৈ থকা নাই। গতিকে চৰকাৰে যিবিলাক আইন প্ৰণয়ণ কৰিছে সেইবিলাক কেতিয়াকৈ কাৰ্য্যকৰী ব্যৱস্থা লব কৰ নোৱাৰি আৰু কৃতকাৰ্য্য হব পাৰিবনে নোৱাৰিব মোৰ সন্দেহ। কিন্তু যিসকলৰ ব্যৱসায়েই একমাত্ৰ খেতি তেওঁলোকে পঞ্চায়তৰ President হোৱাৰ বাহিৰে, গাওঁ পঞ্চায়তৰ Secretary হোৱাৰ বাহিৰে বা স্কুল মাষ্টাৰ হোৱাৰ বাহিৰে একো কাম কৰিব নোৱাৰে। তেওঁলোকে এইদৰে কেতিয়াবা বাইজৰ কামত থাকোতে খেতি কৰিবলৈ সময় নোহোৱা হয়। ফলত তেওঁলোকে কাৰো-ৰাক আধি হিচাবে মাটিত খেতি কৰিবলৈ দিবলগীয়া হব পাৰে। গতিকে তেওঁলোকৰ মাটি যাতে আধিয়াৰ আইনত গুচি নাযায় তাৰ বাবে দাবী জনাই মোৰ বক্তব্য সামাৰলো।

**Mr. Samsul Huda :** অধ্যক্ষ মহোদয়, আমাৰ ৰাজহ বিভাগটোক এটা ৰাজহুৱা বিভাগ বুলি কলেই বেছি ভাল হব। এই ৰাজহ বিভাগৰ কাগজে পত্ৰে যিবিলাক আইন কানুন আছে—কাৰ্য্যক্ষেত্ৰত তাৰ লগত কোনো সংগতি নাই। কাৰণ আজি মাটিহীনক মাটি দিয়াৰ কথা সদনত উঠিছে আৰু চৰ-কাৰেও কৈছে। প্ৰকৃত ৰায়তক, ভূমহীন খেতিয়কক, কৈবৰ্ত্ত সমাজক, ট্ৰাই-বেল সকলক, বান বিধ্বস্ত লোকক মাটি দিব বুলি চৰকাৰে আবেগময় ভাষাত বক্তৃতাৰ ফুলজাৰী মৰাৰ কোনো অৰ্থ নাই। আজিলৈকে কাৰ্য্যক্ষেত্ৰত আমি দেখিছো খেতিয়ক শ্ৰেণীক, ভূমিহীন গৰীব খেতিয়কক মাটি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰা নাই, কৰিব নোৱাৰিলে। কিন্তু দেখা যায় চৰকাৰী দপ্তৰত থকা জমিদাৰী যিসকল লোকৰ হাতত মণ্ডল-কাননগু আছে, যি বিলাকে বেদখলকৰি আছে, তেনেলোকেহে মাটি পাইছে আৰু চৰকাৰে কানো বেদ-খলকাৰীকে লবাৰ পৰা নাই। গৰীব দুখীয়া খেতিয়ক সকলে মাটি দখল কৰি হাল বাবলৈ যোৱাৰ আগতেই ১৪৪ ধাৰা জাৰি হয় আৰু মাটিত হাল মৰাৰ আগতেই উচ্ছেদৰ নটিচ জাৰি কৰা হয়। যিবিলাক কংগ্ৰেছ দলৰ

বিষয় ৰবীয়া আছে, তেওঁলোকে বছৰৰ পিছত বছৰ ধৰি মাটি বেদখল কৰি থাকিলেও তেওঁলোকক এই চৰকাৰে লবাব নোৱাৰে। মোৰ সমষ্টিৰে বৰ-বিল নামে জেগাত কংগ্ৰেছ দলৰ শ্ৰীকেশবানন্দ নেওগকে আদি কৰি লোকে যুগ যুগ ধৰি মাটি দখল কৰি আছে—কিন্তু তেওঁলোকক উচ্ছেদ কৰা নাই। শ্ৰীচৌধুৰী ডাঙৰীয়া ৰাজহ মন্ত্ৰী হৈ এতিয়া তেখেতৰ উন্নতি হৈ মুখ্য মন্ত্ৰীও হ'লহি কিন্তু আজিলৈকে তেওঁলোকক তাৰ পৰা উচ্ছেদ কৰিব নোৱাৰিলে। নগাৱৰ পৰা D. C. শ্ৰীকৃষ্ণমূৰ্ত্তি আতৰি আহিল, শ্ৰীসিংড আতৰি আহিল, শ্ৰীপাৰ্থসাৰথীক আতৰ কৰি আনিলে কিন্তু এই বেদখলকাৰী বিলাকক হলে আতৰাব নোৱাৰিলে। এতিয়া বোধ কৰো জেনেৰেল ইলেকচনৰ খাতিৰত বৰ্ত্তমানৰ D. C. শ্ৰীত্ৰিপাঠীকো আতৰাই আনিব। কিন্তু টাউনৰ ভিতৰতে ও বিঘাকৈ মাটি দখল কৰি থকা এই নেওগক হলে লবাব নোৱাৰিলে। ৰাজহ মন্ত্ৰী হৈ থকা অৱস্থাতো শ্ৰীচৌধুৰীক এই বিষয়ে কোৱা হৈছিল যদিও কামত হ'লে একোৱেই নহ'ল। এইদৰেই কংগ্ৰেছ দলৰ বিষয়ববীয়া সকলে মাটি দখল কৰি আছে। তেওঁলোকক হলে একো কৰিব পৰা নাই। কিন্তু মাটি-বাৰী হীন সৰ্বস্বান্ত-দৰিদ্ৰসকলক ঘৰ-দুৱাৰ ভাঙি আনকি মাৰ পিট কৰি হলেও উচ্ছেদ কৰা হৈছে। যোৱা ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত বিধ্বস্ত হৈ মানুহ মথাউৰিৰ ওপৰত থাকিবলগীয়া অৱস্থা হৈছেহি। তেওঁলোকক এচাহিও মাটি দিব পৰা নাই। তৰাবাৰী সমষ্টিতেই কেইপাত টিনেৰে সৈতে অলপ মাটি দিলে, তাৰ বাহিৰে আৰু নাই। ৰবঞ্চ যিবিলাক forest ৰ মাটি, V. G. R., P. G. R. ৰ মাটি দিব পাৰে। এইবিলাক পৰিকল্পনা কৰি প্ৰকৃত মাটিহীন, বান বিধ্বস্ত, প্ৰপীড়িত লোকক মাটি দিয়াৰ ব্যৱস্থা নকৰি টুকুৰা-টুকুৰ কৰি মাটি পট্টন দি থাকে। কংগ্ৰেছৰ একো একোটা প্ৰিয় পাত্ৰ দলে বে-আইনী ভাৱে মাটি দখল কৰি আছে। অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰিও যিখিনি মাটি আছে, সেইখিনি মণ্ডল-কাননগুৰ টিপ চহীৰ তলত ঢাক খাই আছে। সেইখিনি উদ্ধাৰ কৰি প্ৰকৃত মাটিহীনক দিয়াৰ ব্যৱস্থা চৰকাৰে একো কৰা নাই। Cieling Act যিখন কৰিছে সিও তাৰ আচল উদ্দেশ্য গৰীব খেতিয়ক সকলক মাটি দিয়াৰ ব্যৱস্থাৰ পৰা ব্যৰ্থ হৈছে। বৰং ই এটা ভয়ঙ্কৰ পৰিস্থিতিৰ সৃষ্টি কৰাহে পৰিলক্ষিত হৈছে। গ্ৰাণ্টৰ মাটিৰ মালিক আৰু আম স্থায়ী ৰায়ত যিবিলাকে যুগ যুগ

ধৰি মাটি দখল কৰি আছে তাৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছে। নগাওঁ টাউনৰ তিনি মাইল আতৰৰ কুঠিমাৰী গ্ৰাণ্টৰ মালিকসকলে মাটি অংশ অংশ কৰি বিক্ৰী কৰি আছে আৰু খৰিদ্দাৰ সকলৰ লগত তাত বসবাস কৰা ৰায়ত সকলৰ তীব্ৰ সংঘৰ্ষৰ সৃষ্টি হৈছে। তাৰোপৰি এটা সম্প্ৰদায়ৰ লগত অন্য এটা সম্প্ৰদায়ৰ লোকৰ মাজত মনোমালিন্যৰ সৃষ্টি কৰিছে। এই গ্ৰাণ্টৰ জমিদাৰ সকলে মাটি বিক্ৰী কৰাৰ ব্যৱস্থা দিয়ে।

( সময়ৰ সংকেত )

অধ্যক্ষ মহোদয়, মই এটা কথা এই সদনতে আগতেও আলোচনা কৰিছিলো যে, কিছুমান গৰীব খেতিয়কে মাটিৰ মালিকৰ পৰা একচনীয়া মাটি কিনি লৈছে। সেই বিলাক মাটি চৰকাৰে নামজাৰী নকৰিলে আৰু তাৰ ফলতেই যেতিয়া যিবিলাক মাটি মথাউৰিত গৈ বা ৰাস্তাত গৈ ক্ষতি পূৰণ দিয়াৰ সময়ত বিক্ৰী কৰি গুছি যায় আৰু মনে মনে গৈ পট্টা লগাই লয়। এইদৰেই সমাজৰ নেতৃস্থানীয় লোকসকলে এই গৰীব খেতিয়ক সকলক বঞ্চিত কৰিছে। এনেকুৱা বিলাক কাম আমাৰ সমাজৰ নেতৃস্থানীয় লোক সকলে কৰিছে। ইয়াতেই আইন শৃংখলা ভঙ্গৰ কথা উঠিছে। অধ্যক্ষ মহোদয়, এনে কিছুমান ঘটনাৰ মই উদাহৰণ দিব পাৰো, যিবিলাকৰ পৰা মন্ত্ৰীসকলৰ আইন কানুনত যে কিবা হাত আছে ভাবিবলৈ টান লাগে। গোটেইখিনি পঢ়ি শুনাবৰ সময় নাই। ১৯৬৩ চনতে হোজাই টাউনত শ্ৰীচামচুদ্দিন নামৰ মানুহ এজনে annulment ৰ জৰিয়তে মাটিৰ পট্টন পায়। প্ৰায় এবছৰ মানৰ আগতে আমাৰ সেই সময়ৰ ৰাজহ মন্ত্ৰী বৰ্ত্তমান মুখ্য মন্ত্ৰীয়ে শ্ৰীবিষ্ণু চুবেদাৰ নামৰ এজন মানুহক ভাগ কৰি দিয়ে। এই চামচুদ্দিন নামৰ লোকজনে ঘৰ-দুৱাৰ সাজি ৰখা সত্বেও সেই পট্টন দিয়া মাটিখিনি ভাগ কৰি দিলে। তাৰ উপৰিও আচৰিত কথা যে, মন্ত্ৰীৰ পৰা আশ্বাস পাই এই বিষ্ণু চুবেদাৰ বোলা মানুহজনে অন্য এজন মানুহৰ নামত দি দিছে। তাৰোপৰি যি অলপ অচৰপ মাটি ৰাইজে পাব পাৰে সেইখিনি আওলিয়াই দিলেও বা তাৰ কাৰণে আন্দোলন কৰিলেও মাটিখিনি কেনেকৈ P.G.R. ত সোমাই লব পাৰি তাৰহে ব্যৱস্থা কৰিব।

মায়ঙৰ হাতীগড়ৰ পৰিত্ৰাত যি মাটি আছে তাতো দেখা যায় যে চৰকাৰে গেম চেনচুৰী খুলি গৰীব সকলক মাটি দিয়াৰ পৰা বঞ্চিত

কৰিছে। ভ'তি কেইটা গড় আছে বা ক'ৰ পৰা আহি আছে আমি জানো। গতিকে ভূমি বিতৰণৰ ক্ষেত্ৰত প্ৰকৃত ভূমিহীন লোকৰ স্বাৰ্থ ৰক্ষা কৰাত চৰকাৰ ব্যৰ্থ হৈছে আৰু এই ক্ষেত্ৰত অতি সোনকালে পৰিকল্পিত ভাবে ভূমিহীন গৰীব শ্ৰেণীৰ লোকৰ মাজত ভূমি বিতৰণৰ ব্যৱস্থা কৰিব লাগে।

Shri Pushpadhar Chaliba: মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ দেশৰ মূল সমস্যা হৈছে ভূমি সমস্যা। আজি আমাৰ দেশৰ বৰ্দ্ধিত জন-সংখ্যাৰ লগে লগে এই সমস্যা অতি জটিল হৈ পৰিছে। আমি আজি এইটো স্বীকাৰ কৰিব লাগিব যে আমাৰ চৰকাৰে ভূমি সংস্কাৰৰ কাৰণে আইন আদি প্ৰণয়ন কৰিছে। জমিদাৰী প্ৰথা উচ্ছেদ কৰিছে, চিলিং আইন আদি নানা আইন কৰিছে যাতে প্ৰকৃত ভূমিহীন মানুহে মাটি পায়। তাৰ এটা ব্যৱস্থা কৰিছে। কিন্তু এই ব্যৱস্থাৰ দ্বাৰা আজি আমাৰ সমস্যা সমাধান কৰিব খুজিছে যদিও কাৰ্য্য ক্ষেত্ৰত এই বিলাক লিপিবদ্ধ হৈয়ে থাকে আৰু কাৰ্য্যকৰী হৈ নুঠে। তাৰ কাৰণে আজি আমাৰ সমাজেই দায়ী। আজি আমাৰ দেশৰ যিটো জাতীয় চৰিত্ৰ সেইটো অধোগামী হৈছে। যি সকলক আজি দায়িত্ব দিয়া হৈছে সেই সকলে দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰিব পৰা নাই। আৰু সেই সকলেই সুবিধা ভোগ কৰাৰ ফলত যাৰ কাৰণে আইন কৰা হয় তেওঁলোকে ভোগ কৰিবলৈ নাপায়। তাৰ উদাহৰণ স্বৰূপে মই কেইটামান কথা কওঁ। আজি আমাৰ চৰকাৰে ভূমি নীতিৰ কাৰণে জিলাই-জিলাই, মহকুমাই-মহকুমাই Land Advisory Committee পাতি দিছে, কিন্তু এই Committee বিলাক নিঃসহায়। এই কমিটি-বিলাক S. D. O বা D. C. ৰ মৰ্জিৰ ওপৰত নিৰ্ভৰ কৰি কেতিয়াবা বহে আৰু ২/৪ টা কথা আলোচনা কৰে আৰু সিদ্ধান্ত বিলাক S. D. C. বা মণ্ডলৰ ওপৰত নিৰ্ভৰ কৰি Land Advisory Committee এ ক'ত কিমান কিমান মাটি আছে যি কথাই কয় তাতে পতিয়ন যায় আৰু সেই মতে ভূমি বিতৰণ হয় আৰু আইন মতে ভূমি বিতৰণ কৰা হয় বুলি কয় অথচ প্ৰকৃত ভূমিহীন লোকে যাৰ মাটি ঘৰ একো নাই তেওঁলোকে নাপায় আৰু মণ্ডল S. D. O. ৰ Report মতে যি সকলৰ ১০।১৫ পুৰা মাটি আছে তেওঁলোকেই বে নামী হিচাপে বা পিচ হুৰাবোঁদ ভাগ পায়। উদাহৰণ স্বৰূপে মই কওঁ যে, ১৯৭০ চনৰ জানুৱাৰী ফেব্ৰুৱাৰী মাহত

চৰকাৰৰ পৰা এখন চাবকুলাৰ গ'ল। সেই মতে য'ত যিমান মাটি আছে সেই মাটি ১৯৭০ চনৰ ৩১ মাৰ্চৰ ভিতৰত বিতৰণ হ'ব লাগে। আৰু ইয়াৰ দায়িত্ব Land Advisory Committee ক আওকান কৰি S. D. C. আৰু S. D. O. ক দিলে। তাৰ ফলত এই সকল আনন্দত উত্ৰাৱল হ'ল আৰু বাতা-বাতি য'ত যেনেকৈ মাটি আছে আৰু যাক যেনেকৈ পাবিলে বাতা-বাতি মটৰ লৈ S. D. C. এ হাজাৰ হাজাৰ টকা লৈ মাটি বিতৰণ কৰিলে। যেতিয়া এইটো আমি গম পাওঁ তেতিয়াই তেতিয়াৰ ৰাজহ মন্ত্ৰী আৰু বৰ্ত্তমানৰ মুখ্যমন্ত্ৰীলৈ Telephone কৰিলোঁ যে, শিৱসাগৰত মাটি বিতৰণ ব্যৱস্থাৰ অৰাজকতা হৈছে। এই ব্যৱস্থা যদি প্ৰকৃত ব্যৱস্থা নহয় আৰু এই ব্যৱস্থাত যদি অৰাজকতা চলি থাকে তেনেহ'লে চৰকাৰৰ এই আইন পুনৰ পেলাব লাগে অথবা আইন ব্যৱস্থা ভাল কৰিব লাগে। তেতিয়া, তেতিয়াৰ ৰাজহ মন্ত্ৰী আৰু বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী তালৈ গ'ল। আৰু যেতিয়া আমি প্ৰমাণ কৰি দেখুৱালো তেতিয়া তেখেত আচৰিত হ'ল আৰু সেই বিতৰণ বন্ধ কৰি আহিল, আৰু Land Advisory Committee ক তদন্ত কৰিবলৈ দিলে। কেনেকুৱা কেনেকুৱা মানুহক মাটি দিছে ইত্যাদি, ইয়াত পোৱা গ'ল S. D. C. এ টকা খাই নেপালী বন্ধুৱা আদিক মাটি দিছে। ৫ মাইল দূৰৰ মানুহ আনি মাটি দিছে অথচ গাতে লাগি থকা ভূমিহীন লোক তাৰ পৰা বঞ্চিত হৈছে, কিন্তু অতি পৰিতাপৰ কথা যে, এই তদন্ত কমিটি আজিলৈকে নবহিল। S. D. C. শ্ৰীমজুমদাৰ ইয়াৰ বাবে দায়ী প্ৰমাণীত হৈছিল অথচ এই মানুহ জনক শিৱসাগৰত দিকৃবিজয় কৰিবলৈ পঠালে তেতিয়াৰ ৰাজহ মন্ত্ৰী আৰু বৰ্ত্তমানৰ মুখ্য মন্ত্ৰীয়ে।

মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈয়েও জানে এই S. D. C. জনে শিৱসাগৰ জিলাত কি বিপৰ্য্যয় কৰিছিল। শিৱসাগৰ টাউনৰ ছঠাইত মাটি বিতৰণ হৈছিল। আজি মাটি বিতৰণ কৰিবলৈ হ'লে, চৰকাৰৰ Approval নহ'লে টাউনৰ মাটি বিতৰণ কৰিব নোৱাৰে। অথচ ইচ্ছা মতে বাত্ৰা-বাতি মাটি বিতৰণ কৰি ট্ৰেজাৰীত টকা জমা দিলে। যেতিয়া চাল্লান নং ধৰা পৰিল তেতিয়া সেই Premium ওলোটাই দিবলৈ দিলে। গতিকে মই ৰাজহ মন্ত্ৰীক অনুৰোধ কৰো যেন যি উদ্দেশ্যকে আইন প্ৰণয়ন কৰা হয়

তাৰ যাতে প্ৰকৃত সুবিচাৰ হয়। এই উদ্দেশ্যৰে প্ৰত্যেক মহকুমাতে একোটাকৈ Cell কৰক। আৰু বেমেজালিৰ প্ৰকৃত তদন্ত কৰি বে-আইন কৰা কৰ্মচাৰী সকলক অতি সোনকালে Suspend কৰক। মই এই সংক্ৰান্তত এই পৰামৰ্শ আগবঢ়াব খুজিছো যে, শিৱসাগৰ টাউনৰ, জকাই চুকৰ আৰু জেৰেঙা পথাৰৰ যি মাটি বিতৰণ হ'ল সেইটো ৰাজহমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ সচিবক লগতলৈ প্ৰকৃত অৱস্থা নিৰ্ণয় কৰি যি সকল কৰ্মচাৰীয়ে এই কাম কৰিলে, তেওঁলোকৰ শাস্তিৰ ব্যৱস্থা কৰি সেই বিতৰণ cancel কৰি পুনৰ বিতৰণ ব্যৱস্থা কৰিব লাগে যাতে প্ৰকৃত ভূমিহীন লোকে মাটি পায়।

(সময়ৰ সঙ্কেত)

তাৰ পাচত মই এই পৰামৰ্শ আগবঢ়াব খুজিছো যে, আজি কালি শিৱসাগৰৰ S. D. C. চাৰকুল বিলাক বৰ ডাঙৰ হৈছে। শিৱসাগৰত তুটা আৰু যোণাৰী চাৰকুল লৈ তিনিটা চাৰকুলৰ ঠাইত পূৰ্ব্বতে থকা গৌৰীসাগৰ চাৰকুলটো পুণৰ মুকলি কৰিব লাগে, যাতে ভূমি সম্পৰ্কীয় ৰাইজৰ অভাৱ অভিযোগ বিলাক গ্ৰহণ কৰিব পাৰে আৰু খৰ খেদাকৈ ন্যায্য ভাৱে ভূমি বিতৰণ আদিৰ ব্যৱস্থা লবলৈ সুবিধা হয়।

ইয়াৰ পাচত বহুতো মাননীয় সদস্যই এই অভিযোগ কৰিছে যে, আজি কংগ্ৰেছ পাৰ্টিৰ মানুহে নিজৰ সুবিধাৰ বাবে মাটি পাইছে। এই কথাত মই বৰ দুখ পাইছো। আমাৰ বহুতো কংগ্ৰেছী কৰ্ম্মীয়ে এডোখৰো মাটি পোৱা নাই। আজি আমাৰ বহুতো কৰ্ম্মীয়ে নিৰ্য্যাতন ভোগ কৰিছো এমুঠি ভাত নাই, এটা ভেটি নাই অন্যান্য সুবিধা লোৱা দূৰৰ। কথা অৱশ্যে ২।১ জনে লৈছে যদিও তেওঁলোকৰ লগতে সকলোকে সাঙুৰি পেলোৱাত আমি দুখ পাইছো। ভাল বেয়া দুই ৰকমৰ মানুহ আছে, সেইবুলি সকলোকে সাঙুৰি লোৱাটো অন্যায় হৈছে। মই ৰাজহ মন্ত্ৰীক এই কেইটা পৰামৰ্শ দি গুৰুতৰ অভিযোগৰ আশু ব্যৱস্থা লবলৈ, দোষীক প্ৰকৃত শাস্তি দিবলৈ আৰু মাটিহীন ৰাইজৰ প্ৰতি সুবিচাৰ কৰিবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**Shri Kamini Mohan Sarma:** মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজহ বিভাগৰ শিতানত অহা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো। এইবাবেই

সমৰ্থন কৰিছো যে, চৰকাৰে ভূমিহীন কৃষকক মাটি দিবৰ কাৰণে বহুতো আইন কৰিলে, কিন্তু প্ৰকৃততে সকলোবোৰ আইনেই ব্যৰ্থ হৈছে । অসম চৰকাৰে ভূমিকৰ্ত্তন নীতিৰ ব্যাখ্যা কৰি প্ৰকৃত ভূমিহীন মানুহক ভূমিদিয়াৰ কাৰণে ঘোষণা কৰিছিল, কিন্তু বাস্তৱক্ষেত্ৰত আজি পৰ্য্যন্ত প্ৰকৃত ভূমিহীন কৃষকে মাটি পোৱা নাই । অতি আচৰিত কথা ।

অধ্যক্ষ মহোদয়, আপুনি আচৰিত হব যে, আজি সমবায়ৰ নামত আৰু যৌথ কৃষিপদ্ধতিৰ নামত মাটি থকা মাতব্বৰ লোকসকলে শ শ বিঘা মাটি দখল কৰি আছে । গতিকে এই সমবায় বিলাকৰ প্ৰতি দৃষ্টি দিব লাগে । আৰু এই সমবায়বোৰ 'কেন্‌চেল' কৰি প্ৰকৃত ভূমিহীন লোকৰ মাজত এই মাটি বিতৰণ কৰি দিব লাগে । এনেধৰণৰ ব্যৱস্থা ৰঙিয়া সমষ্টিৰ ভিতৰতে আছে । এখন সমবায় তুলসি বাৰীত আছে তাত ৰাজেন ডেকা নামৰ এজন লোকে সমবায়ৰ নামত ২শ বিঘা মাটি দখল কৰি সমবায় কৰিছে । তেওঁ এজন মাটি থকা প্ৰভাৱশালী লোক, এই সমবায়ত থকা মানুহ সকলৰো নিজা মাটি আছে । এনেকুৱা আৰু বহুতো সমবায় আছে য'ত মানুহ অৰ্থাৎ প্ৰকৃত গৰীব সকলে সুবিধা পোৱা নাই । মাতব্বৰ লোকসকলে তাত ভোগ দখল কৰি আছে । গতিকে এই সমবায় বিলাকৰ প্ৰতি দৃষ্টি ৰাখি প্ৰকৃত ভূমিহীন মানুহক মাটিৰ ব্যৱস্থা কৰি দিব লাগে । আৰু অসম চৰকাৰৰ এই ভূমি পট্টন নীতি থৰতকীয়া ভাৱে কাৰ্য্যত পৰিণত কৰিব লাগে । অসম চৰকাৰৰ ভূমি নীতি মাত্ৰ কাগজে-পত্ৰইহে আছে, বিভাগৰ আলমাৰীৰ ভিতৰত আছে আৰু অফিচাৰ সকলৰ ফাইলৰ মাজত আছে, কিন্তু এইটো আমি বাস্তৱত পৰিণত কৰাটো বিচাৰো । অসম ৰাজ্যত মাটিৰ থৰটকীয়া আমোল পৰিবৰ্ত্তন কৰিব লাগে নহলে ভূমিহীন খেতিয়কক মাটি দিবলৈ ৰাজ্যত মাটি নাথাকিব । অসম ৰাজ্যৰ থলুৱা লোকসকলে খেতিৰ বাবে মাটি নাপাব । তেওঁলোকে হাতত জোলোঙা লৈ অৱৰীৰ দৰে থাকিব লাগিব । গতিকে ভূমি নীতিৰ আমোল পৰিবৰ্ত্তন সাধন কৰা অতিব প্ৰয়োজন হৈ পৰিছে ।

অধ্যক্ষ মহোদয়, মই কব খুজিছো যে, মাননীয় সদস্য অতুল গোস্বামীদেৱেও কৈছে যে ৰাজ্যত প্ৰকৃত মাটিৰ ওপৰত খাজনা বেহাই

দিব লাগে । কোনো ৰাজ্যত ৩ একৰ মাটিলৈকে খাজনা ৰেহাই দিয়া হৈছে । কোনো কোনো ৰাজ্যত ২০ বিঘা পৰ্য্যন্ত ৰেহাই দিয়া হৈছে । আমাৰ ৰাজ্যতো মাটি ৰক্ষা কৰিবৰ কাৰণে আৰু যাতে কিনা বেচা নহয় তাৰ বাবে ২০ বিঘা মাটিলৈকে খাজনা ৰেহাই দিব লাগে । সেইবাবেই এটা প্ৰগতিশীল দৃষ্টি আমাৰ চৰকাৰে ভূমি নীতিৰ ওপৰত ৰাখিব লাগে অধ্যক্ষ মহোদয়, মই এইটো কব বিচাৰিছো যে, আমাৰ ৰাজ্যত বহুতো ৰিৰ্জাভ আছে যেনে বন ৰিৰ্জাভ, প্ৰফেশ্যনেল গ্ৰেজিং ৰিৰ্জাভ চৰনিয়া ৰিজাৰ্ভ আছে । য'ত এইবিলাক ৰিজাভৰ দৰকাৰ নাই ধান খেতিৰ উপযোগী মাটি সেইবিলাক অঞ্চলত আমাৰ খেতিৰ মাটিলৈকে সোমাই আহিছে । গতিকে আমাৰ ট্ৰাইবেল বা অনা ট্ৰাইবেল, যিসকল প্ৰকৃততে ভূমিহীন তেওঁলোকৰ মাজত এই বন ৰিৰ্জাভৰ মাটি খুলি দিব লাগে, যি বিলাকত মূল্যবান কোনো গছ গছনি নাই । তামোলপুৰ অঞ্চলটো চন্দননগৰ হৰিণ চৰা বনাঞ্চল এই বন ৰিৰ্জাভত কোনো মূল্যবান গছ নাই । কৃষিৰ উপযোগী মাটি এই ৰিৰ্জাভত আছে । প্ৰকৃত খেতিয়কৰ মাটি নাই । গতিকে মূল্যবান গছ নথকা Reserve ৰ মাটি তেওঁলোকৰ মাজত বিতৰণ কৰি দিব লাগে । উত্তৰ কামৰূপতো প্ৰায় শতকৰা ৭০ ভাগ মানুহেই খেতিয়ক । এইবোৰৰ ২০ ভাগৰ প্ৰত্যেকৰে ৮ বিঘাৰ তলত মাটি । তাত প্ৰায় শতকৰা ২০ ঘৰ মানুহৰ মাটি নাই । গতিকে চৰকাৰৰ ভূমি নীতি কাৰ্য্যকৰী কৰি এই ভূমিহীন লোক সকলক মাটি দিয়াৰ বাবে অনুৰোধ কৰি মোৰ বক্তব্য সামৰিলো ।

Shri Soreswar Bora : অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ শিতানত অহা কৰ্ত্তন প্ৰস্তাৱটো মই সমৰ্থন কৰিছো । এই বিষয়ে বহুতো সমালোচনা হৈ আছে । মই সমালোচনা কৰি সময় খৰচ কৰিব খোজা নাই, মাত্ৰ কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো । প্ৰকৃততে ভূমি সমস্যা ৰাজহ সমস্যা সমাধান কৰিবলৈ হলে আৰু প্ৰকৃত সমাজ বাদী সমাজ গঢ়ি তুলিবলৈ হলে বৰ্ত্তমানৰ যি ভূমি নীতি আৰু ৰাজহ নীতি তাৰ আমোল পৰিবৰ্ত্তন সাধন কৰিব লাগিব । তাৰ বাহিৰে একো উপায় নাই । বৃটিছ পাৰ্লিয়ামেণ্টত যিবিলাক আইন পাচ কৰিছিল আৰু ১৮৮১ চনতে, সেই আইনৰ দ্বাৰাই অসমৰ চাহ বাগান সমূহত Free Sample ৰ মাটি ৰখা হৈছিল ।

আজি ৯০ বছৰ কাল এই মাটি চাহ বাগানসমূহে দখল কৰি ভোগ কৰি আছে। ইয়াৰোপৰি ১৮৪৯ চনৰ আইন মতে চাহ বাগানসমূহে বহুতো মাটি ৰাখিছে। গতিকে এই সকলো আইন "বদ কৰিব লাগে। চাহ বাগানত থকা এই সকলো মাটি খেতিৰ বাবে উপযোগী। গতিকে এই মাটি ভূমিহীন কৃষকক দিব লাগে। ইয়াৰেপৰি নগৰ অঞ্চলত মাটিৰ চিং লং তত্তাতৈয়াকৈ কৰিব লাগে। আমাৰ অসমতে কেন্দ্ৰীয় মন্ত্ৰী ফকৰুদ্দিন চাহাবৰ প্ৰায় ২৬ হাজাৰ বিঘা মাটি আছে। গতিকে মোৰ দাবী, পৰামৰ্শ আৰু প্ৰস্তাৱ যে, টাউন অঞ্চলত যাতে মানুহে ১ বিঘাত কৈ বেছি মাটি ৰাখিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। আৰু অৱশিষ্ট মাটি প্ৰকৃত মাটিহীন লোকক বিলাই দিব লাগে।

আমাৰ দেশত যিবিলাক মাটি অনা খেতিয়কৰ হাতত আছে, সেই মাটিবিলাক বদ কৰিব লাগিব আৰু সেই সমুদায় মাটি খেতিয়কৰ হাতলৈ আনিব লাগিব। যদি মাটি সমস্যা সমাধান কৰিব লগা হয়, তেন্তে এটা পৰিয়ালক কমেও ১০ বিঘাৰ পৰা ৩০ বিঘাৰ ভিতৰত মাটি পাব লাগিব। ৩০ বিঘাৰ ওপৰত কোনো মাটি খেতিয়কক দিব নালাগে। প্ৰয়োজন হলে অসমত চিলিং আইন সংশোধন কৰিব লাগিব। তাৰোপৰি বৰ্ত্তমানৰ খাজনা প্ৰথাটো বদ কৰিব লাগে। প্ৰকৃততে উপাৰ্জন ভিত্তিত বাহিৰ ভিত্তিত খাজনা প্ৰথা কৰিব লাগে; তেতিয়াহলে আমি যাওঁৱ, পৰা লাভৱান হম। একালেদি দুখীয়া উপাৰ্জ্জন নোহোৱা খেতিয়ক সকলো খাজনা দিব পাৰিব আৰু আনফালেদি ধনী লোক সকলৰ পৰা অধিক খাজনা পোৱা হব, ব্যৱসায়ৰ মূল্য চাই, উপাৰ্জনলৈ চাই নগৰৰ পৰা বহুগুণে ৰাজহ পাম। এই ধৰণে কৰিলে ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান কমাই দুখীয়াসকলৰ উন্নতিৰ বাবে প্ৰচেষ্টা চলাব পাৰে। এইখিনি কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

**Shri Upendra Nath Sanatan** : অধ্যক্ষ মহোদয়, মাটিৰ আইন কৰাৰ বাবে চৰকাৰক ধন্যবাদ জনাইছো। কাৰণ মাটি বিতৰণৰ কাৰণে চিলিং আইন কৰিছে আৰু এই কথা কাগজে পত্ৰে প্ৰকাশ হৈছে যে। আমাৰ ৰাজ্যৰ দুখীয়া মানুহবিলাকক মাটি দিব। আমি ভাবিছিলো যে, [illegible]

কৰলত পৰা মিলিটাৰীয়ে উচ্ছেদ কৰা, কৈৰত্ত, চাহ বাগানৰ মাটিহীন লোকসকলে মাটি পাব। এই সম্পৰ্কে চৰকাৰৰ ফালৰ পৰা একেবাৰে চেষ্টা নকৰাও নহয়।

এই ক্ষেত্ৰত মই কব খুজিছো যে, এজনী চিলনীয়ে ছুটা পোৱালী সহ এজোপা গছত ঘৰ সাজি আছিল। চিলনীজনীয়ে মাছ আনি পোৱালী কেইটাক খাবলৈ দিয়ে। এদিন এটা সাপ ধৰি আনি পোৱালী ছুটাক খাবলৈ দি উৰি গুচি গল। সাপটোৱে পোৱালী ছুটাক গিলি বহি আছে। পিচত চিলনীয়ে নপোৱালী ছুটা নেদেখি কান্দিবলৈ ধৰিলে। ঠিক আমাৰ অফিচাৰ বিলাকো সাপৰ নিচিনা হৈছে। অলপতে মাটি জৰীপ কৰিবলৈ বাগানলৈ গৈছিল; কিন্তু বাগানৰ Boundary বাহিৰে অকনো মাটি নাই। যদি এই ধৰণে হয় তেন্তে মজুৰে ক'ত মাটি পাব। গতিকে এই আইনখন পুথিগত বিদ্যাৰ নিচিনা হৈছে আৰু আইনখন Revenue Department ৰ আলমাৰিত সজাইহে ৰাখিছে। এই আইনৰ দ্বাৰা আমাৰ ছখীয়া খেতিয়ক-সকল উপকৃত হৈছে নে নাই চাব লাগিব। এই আইনৰ দ্বাৰা ধনী সকল আৰু ধনী হব। যিবিলাক মাটি ২০।২৫ বছৰ খাই আছিল সেইবিলাক মাটি যাৰ-তাৰ নামত দি দিছে। গতিকে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে।

**Shri Biswadev Sarma** : কোনে উচ্ছেদ কৰিছে বুজা নাই।

**Shri Upendra Nath Sanatan** : তাৰ লিষ্ট দিবলৈ হলে বহুত সময় লাগিব। সেই মানুহবিলাকক অফিচাৰে উচ্ছেদ কৰিছে। এই আইন কৰাৰ উদ্দেশ্য হ'ল ছখীয়া মানুহে মাটি পাব লাগে। যদি অফিচাৰসকল সাপৰ নিচিনা হয় তেন্তে ৰাইজৰ লাভ নহব।

**Shri Biswadev Sarma** : মাননীয় সদস্যই এটা Specific case দিলে ব্যৱস্থা লব পাৰিম।

**Shri Upendra Nath Sanatan** : এজনৰ নামত ১॥ বিঘাকৈ মাটি Register কৰি দিছে।

[illegible] আৰু যেতিয়া বাগানৰ মাটিবিলাক P. W. D. ৰ বিভাগ সংক্ৰান্ত জৰীপ কৰিবলৈ যায়, তেতিয়া [illegible] বিলাক [illegible] মাটি [illegible] সেই বিলাক

বাগানৰ পৰা কাতি আনিব নোৱাৰিলে য'ত ৫।৬ বিঘা মাটি আছে সেইবিলাক নিশ্চয় কাতি আনিব লাগিব । নহলে এইটো বৰ আচৰিত কথা হৈছে । ইয়াৰ এটা ভাল ব্যৱস্থা লবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

**Shri Hiralal Patwary** : অধ্যক্ষ মহোদয়, মই বেছি সময় নলওঁ । মই মাত্ৰ বন্ধু সনাতৰ্কক সমৰ্থন কৰিব খুজিছো । মুখ্য মন্ত্ৰীয়ে এই কথাটো উপলব্ধি কৰিবলৈ যেন যত্ন কৰে তাৰ বাবে অনুৰোধ কৰিছো ।

আমাৰ কিছুমান compact area আছে । এই সম্পৰ্কত মই তিনচুকীয়া বাগানৰ কথা উল্লেখ কৰিব খুজিছো । ইয়াত ৰাইজে খুউব ভাল হেচা পাইছে ।

দ্বিতীয় কথা হৈছে যে, বৰ্ত্তমান যিবিলাক মাটিৰ খাজনা দি থকা হৈছে সেইবিলাক up-set কৰাটো টান ।

**Mr. Speaker** : I make the final arrangement that at 4 O' Clock the debate will have to be closed invariably and the Minister will take half an hour to finish his speech at 4-30 p.m.

**Shri Hiralal Patwary** : আজি ৫।৬ বছৰে খাজনা দি থকা মানুহক উচ্ছেদ কৰাৰ কোনো যুক্তি নাই । ইয়াৰোপৰি আজি যি Tribal Belt কৰা হৈছে, তাৰ যি উদ্দেশ্য আছিল সেই উদ্দেশ্যও সফল হোৱা নাই । আজি মই কাকো দোষাৰোপ কৰিবলৈ যোৱা নাই । কিন্তু কথাটো শুনি মই বৰ দুখ পাইছো । আমাৰ শ্ৰীবনেন্দ্ৰ নাথ বসুমতাৰীয়ে ২½ বিঘা মাটি পোৱা আৰু কেইজনমান M.L.A. ই মাটি পোৱা কথটো ইয়াত ওলোৱাত বৰ দুখ পাইছো । কাৰণ Tribal is a protected nation আমি এতিয়া বৃহত্তৰ গুৱাহাটীত কাৰবাৰ পৰা Tribal মানুহ বিচাৰি আনি গুৱাহাটীত প্ৰতিষ্ঠা কৰিবহে লাগে । কিন্তু এই Tribal ৰ নামত কেইজনমান Tribal নেতাই মাটি পালেই তাক ভুল বুজিব নালাগে । আৰু সেই কথাটোকে Assembly ত ওলোৱাত বৰ আচৰিত হৈছো । আজি যদি আমি Tribal মানুহবিলাকক

বা Tribal নেতাসকলৰ কথা এনেকৈ আলোচনা কৰো তেতিয়াহলে আমাৰ Integration নাইকিয়া হৈ যাব আৰু আমাৰ মাজত বিভাজন আহিব। আজি যদি কৰবাত মাটি আছে সেইবিলাক D.C., S.D.C. ৰ জৰীয়তে Schedule Caste, Schedule Tribe বা অন্য weaker section ক মাতি আনি দিব লাগে। ইয়াৰোপৰি আমাৰ এই মণ্ডলবিলাকক উঠাই দিব লাগে। কাৰণ এই মণ্ডলবোৰেই সকলো গণ্ডগোলৰ মূল। আজি চৰকাৰে এই খণ্ড-বিখণ্ড হৈ যাব ধৰা বস্তুবোৰে ঠিক কৰিব লাগিব। ১৯৫১ চনত আমাৰ তাত প্ৰতি বিঘাত দাম আছিল ৫ টকা মাত্ৰ। আজি শৰণাৰ্থীৰ যি সোঁত আহিছে তাৰ পৰা Tribal Belt ঠিক মতে ৰাখিব পৰা নাই।

Mr. Chairman : আপুনি মোক সহায় কৰিব লাগিব। কাৰণ আৰু ১০ জন Member আছে।

Shri Hiralal Patwary : মই আৰু বেচি কথা নকওঁ। মাত্ৰ এটা কথা কৈ শেষ কৰিব খুজিছো। মই যিখিনি কথা কলো সেইখিনি কথা সহানুভূতিৰে বিবেচনা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Bhubaneswar Barman : সভাপতি মহোদয়, কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰমান কব বিচাৰিছো। আজি যদি আমাৰ বৰ্ত্তমানৰ ভূমি নীতিৰ পৰিবৰ্ত্তন নকৰে তেতিয়াহলে আমাৰ সমস্যাৰ সমাধান নহয়। এই ভূমি নীতি পৰিবৰ্ত্তন কৰাৰ কাৰণে এই বিধান সভাৰ যোগেদি আৰু বিভিন্ন ৰাজনৈতিক দল বা অনুষ্ঠানৰ যোগেদি যথেষ্ট পৰামৰ্শ দিয়া হৈছে। কিন্তু চৰকাৰে আটাইবিলাক পৰামৰ্শ কাৰ্য্যকৰী কৰাৰ কাৰণে আগ্ৰহশীল হোৱা নাই। বিশেষকৈ যোৱা কালি সদনৰ আলোচনাই ভূমি নীতিৰ সম্পূৰ্ণ ব্যৰ্থতাকে উদঙাই দাঙি ধৰিছে। আজি যদি ভূমি নীতিৰ আমুল পৰিবৰ্ত্তন কৰিব নোৱাৰে, তেনেহলে দেশৰ অৰ্থনৈতিক গাঠনিও দৃঢ় কৰিব নোৱাৰে আৰু গৰীব খেতিয়কক সংস্থাপনো কৰিব নোৱাৰিব আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত চৰকাৰকো সহায় কৰিব নোৱাৰিব। সেই কাৰণে চৰকাৰে মাটি বিতৰণৰ ক্ষেত্ৰত দৃঢ় নীতি লোৱাতো একান্ত প্ৰয়োজন। আজি চিলিং আইন, আধিয়াৰ আইন এই বিধান সভাৰ যোগেদি পাচ হৈছে; কিন্তু সেই আইন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰে যি ব্যৱস্থা লৈছে সেই ব্যৱস্থাত

কিছু সুবন্ধা বৈ যোৱাত এই আইনবোৰ ব্যৰ্থ হৈ গৈছে। এইটোত চৰকাৰে আওপকীয়াভাৱে ব্যৱসায়ীসকলক সহায়হে কৰিছে। সেই কাৰণে আমাৰ মাননীয় সদস্য শ্ৰীকামিনী শৰ্মা ডাঙৰীয়াই কোৱাৰ দৰে যি মাটি সমবায়ৰ নামত দিয়া হয়, সেইবোৰ কতৃত্বশীল মানুহৰ হাতত দিয়া উচিত। সেই মাটিবোৰ যাতে প্ৰকৃত ভূমিহীনেহে পায় তাৰ কাৰণে ভাল ধৰণে অনুসন্ধান কৰিহে এই মাটি বিতৰণ কৰিবৰ কাৰণে দৃঢ় ব্যৱস্থা কৰিব বুলি চৰকাৰক আহ্বান জনাইছো।

আৰু আনফালেদি আমাৰ যিটো চিলিং আইন কৰিছে তাৰ কাৰণে মাটিৰ মালিকবিলাকে আধিয়াৰ সকলক তেওঁলোকৰ স্বত্বৰ পৰা বঞ্চিত কৰিছে। আৰু যিবিলাকে ২/৪ বিঘা মাটি লৈ খাই আছিল তেওঁলোক হাহাকাৰত পৰিছে। Barpeta Manikpur ক্ষেত্ৰত এই অৱস্থা হৈছে আৰু তাৰ Tribal মানুহবিলাকক, তাৰ পৰা উচ্ছেদ কৰা হৈছে। আন হাতেদি বজালি মৌজাৰ বগাপাৰা গভেমাৰী আলিৰ পৰা আধিয়াৰসকলক উচ্ছেদ কৰিছে। তেওঁলোকৰ আধিয়াৰী স্বত্বৰ পৰা মাটি কাঢ়ি অনাৰ কাৰণে যি ব্যৱস্থা কৰা হৈছে তাৰ দ্বাৰা মাটিহীন মানুহক বঞ্চিত কৰা ব্যৱস্থা কৰা হৈছে। সেই কাৰণে মই আপোনাৰ জৰীয়তে চৰকাৰক অনুৰোধ জনাও যে, আধি-ঠিকা খোৱা মানুহক প্ৰতিৰক্ষাৰ যেন ব্যৱস্থা কৰে।

তাৰ পাচত মাটিৰ খাজনাৰ ব্যৱস্থাটো পৰিবৰ্ত্তন কৰিব লাগে আৰু ২০ বিঘা তলৰ মাটি যাৰ আছে তেওঁলোকক খাজনাৰ পৰা ৰেহাই দিব লাগে আৰু যি সকলৰ তাতকৈ বেচি মাটি আছে তেওঁলোকৰ খেতি অনুপাতে খাজনা লব লাগে। বহুতো মাটিৰ মালিকে মাটি বেচি চহৰত ঘৰবাৰী সাজি পুজিপতি হৈছে। সেই কাৰণে নগৰ অঞ্চলত চিলিং আইন প্ৰৱৰ্ত্তন কৰিব লাগে।

ৰিজাৰ্ভৰ পৰা মানুহবিলাকক উচ্ছেদ কৰোতে উচ্ছেদৰ নামত মানুহৰ ওপৰত অত্যাচাৰ কৰিছে। তিৰোতা মানুহ, নাবালকৰ ওপৰতো অত্যাচাৰ কৰিছে।

**Shri Biswadev Sarma :** এইটো ক'ত হৈছে ?

**Shri Bhubaneswar Barman :** কালেই গাওঁ, মানস অভয়াৰণ্যত।

( সময় সংকেত )

যদি সেইবিলাক মানুহৰ আধিয়াৰী স্বত্ব পুনৰুদ্ধাৰ কৰিব নোৱাৰে তেনেহলে সেই অভয়াৰণ্য চৰকাৰে কেতিয়াও ৰক্ষা কৰিব নোৱাৰে ।

Shri Nakul Chandra Das : অধ্যক্ষ মহোদয়, আজি ভূমি প্ৰশাসন সম্পৰ্কে যথেষ্ট আলোচনা হৈছে । মই সদনৰ বেচি সময় লব নোখোজো মাত্ৰ কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো । ভূমি সমস্যাই বৰ্ত্তমান এটা সমস্যা হৈ পৰিছে, কিন্তু সেই সম্পৰ্কে চৰকাৰে কেবাখনো আইন প্ৰবৰ্ত্তন কৰিছে । কিন্তু কৰ্ম্মচাৰী সকলৰ তৎপৰতাহীনৰ কাৰণেই হওক বা যি কাৰণেই হওক সেই আইনসমূহ কাৰ্য্যকৰী হব পৰা নাই ।

সেই কাৰণে এই আইন বিলাক যাতে ক্ষিপ্ৰভাৱে কাযাকৰী কৰিব পাৰে তাৰ বাবে চৰকাৰে বিশেষ দৃষ্টি দিব লাগে । আৰু তাৰ কাৰণে এটা Time-Bound programme ৰ ব্যৱস্থা লব লাগে । তাকে নকৰিলে আমি যি লক্ষ্য লৈ যাব খুজিছো সেই ফালে আগবাঢ়ি যাব নোৱাৰিম । সেই কাৰণে ৰাজহ মন্ত্ৰীক অনুৰোধ কৰিছো যে, আমাৰ যিবিলাক আইন হৈছে সেই বিলাক কাৰ্য্যকৰী কৰিবলৈ মহকুমাধিপতিৰ যোগেদি কামত আগবাঢ়ি গলে সুবিধা হব বুলি ভাবো । চাহ বাগিছাৰ অতিৰিক্ত মাটি ভূমিহীন মানুহক দিবলৈ যি আইন প্ৰৱৰ্ত্তন কৰা হৈছে তাক কাৰ্য্যকৰী কৰিবলৈ তৎপৰতাৰে ব্যৱস্থা হাতত লব লাগিব ।

মই ইতিমধ্যে কব বিচাৰিছো যে, যি আইন প্ৰনয়ণ কৰা হৈছে, ইয়াৰ লক্ষ্যত উপনীত হবলৈ কাযাকৰী ব্যৱস্থা লবৰ কাৰণে এটা Time-Bound programme হাতত লৈ কি প্ৰকাৰে আগবাঢ়ি যোৱাটো সমীচীন । ৰাজহ মন্ত্ৰীক অনুৰোধ জনাও যেন এই আইন বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে Time Bound Programme হাতত লৈ প্ৰতি মহকুমাতে S.D.O. সকলৰ হাতত এটা সুকীয়াকৈ Cell ৰ দায়িত্ব দিলে এইবিলাক কামত আগবাঢ়ি যোৱাটো সুবিধা হব ।

প্ৰথম কথা হৈছে শেহতীয়া আইন মতে চাহ বাগিছা বিলাকৰ অতিৰিক্ত মাটিৰ ভূমি ৰাজহ যি আইন আৰু ৰাষ্ট্ৰপতিয়েও তাত সন্মতি দিছে ইয়াক অতি সোনকালে কাৰ্য্যকৰী কৰিব লাগে । আৰু Tenancy

Actৰ এটা ব্যৱস্থা কৰি একস্বত্ব ভোগীসকলৰ নাস্ত স্বাৰ্থ বিলুপ্তি কৰিবৰ কাৰণে চৰকাৰে তৎকালীন ব্যৱস্থা হাতত লব লাগে।

আৰু বিশেষকৈ দুৰ্ব্বল শ্ৰেণীৰ মানুহক কৃষি কৰ্ম্মত নিয়োগ কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিছে তাকো কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিব লাগে। আমাৰ ৰাজ্যত শতকৰা ৭২ ভাগ লোকেই কৃষি জীৱি হৈ আছে ইয়াৰ ভিতৰত বহুতো লোক ভূমিহীন। তাৰ কাৰণে সংস্থাপন হব পৰা নাই, ফলত হাহাকাৰ হৈছে। সেই কাৰণে চৰকাৰক পৰামৰ্শ দিব খোজো এইবিলাক আইন কাৰ্য্যকৰী কৰিবৰ কাৰণে Time-Bound Cell গঠন কৰাৰ দৰকাৰ হৈ পৰিছে।

আমাৰ বহুতো Professional Grazing Reserve আছে। তাত বৃটিছৰ দিনৰ যি Map আছে তাতকৈ বেচি মাটি এই Reserve বিলাকত আছে, সেই কাৰণে এই মাটিবিলাকত বহিবলৈ সুবিধা দিয়ে যাতে এইখিনি খাচ মাটিত পৰিণত হয়; সেই কাৰণে কিছুমান মানুহে Organised way ত বেদখল কৰিবলৈ সুবিধা পাইছে। গতিকে এইবিলাকত কিমান গৰু চৰে, কিমান খাজনা পায় তাৰ এটা জৰীপ কৰি তাত মাটি থাকিলে মাটিহীন মানুহক মাটি দিব লাগে, নহলে Land Grabbing আন্দোলন প্ৰসাৰ হোৱাৰ সন্দেহ আছে। সেই কাৰণে Time-Bound programmeৰ ব্যৱস্থা লৈ ৰাইজক খাজনা মাফ দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু তাকে কৰিলে দুখীয়া ৰাইজে সকাহ পাব বুলি মোৰ বিশ্বাস।

ইয়াকে কৈ চৰকাৰক Time Bound programme লৈ আগবাঢ়ি যাবলৈ অনুৰোধ জনাই শেষ কৰিলো।

Dr. Bhupen Hazarika :—সভাপতি ডাঙৰীয়া, মোৰ বন্ধুসকলে যিখিনি কথা কলে তাৰ লগত যোগ দিবলৈ বেছি নাই; সেই বাবে মই মাত্ৰ চাৰিটা কথাহে কব খুজিছো। এটা হল, চাহ বাগানৰ মাটিৰ কথা লৈ অলপতে সেইদিনা Amendment হৈ গ'ল। যুক্তিসঙ্গত ভাবে হৈ যোৱাৰ পিচতো আমি জনাত চিলনীবাৰী Tea Estate ত কেবা হেজাৰ বিঘা মাটি ৰিকুজিশন কৰা হৈছিল। ওচৰতে থকা মাটিত গৰাখহনীয়াত মাজুলীৰ পৰা ভাঙি অহা খেতিয়ক সকলে বিচাৰিছিল কিন্তু পালে জানো? খেতিয়ক

সকলে নাপালেও মাত্ৰ ১০ টা মান ধনী পৰিয়ালে মনে মনে কিনিবলৈ চেষ্টা কৰিলে। তেতিয়া ৰাজহ মন্ত্ৰী ডাঙৰীয়াক কোৱা হৈছিল কথাটো। কি হ'ল ?

আজি সমাজবাদী চৰকাৰৰ এজন কংগ্ৰেছী লোকে কেন্দ্ৰত কোম্পানী মিনিষ্টাৰ হ'ল গৈ। কিন্তু শিৱসাগৰ জিলাৰ তেওঁৰে অঙহী বঙহীৰ হাতত দললেজান বাগিছাত চিলিঙৰ ওপৰৰ বহুত মাটি এতিয়াও আছে। আইন আৰু কাৰ্য্যৰ সমন্বয় ৰক্ষা কৰা নহয় কিয় ?

২ নং কথা হৈছে প্ৰতিৰক্ষাৰ বাবে নলবাৰী, গুৱাহাটী আদি ঠাইত (কামৰূপতেই বেছি) বহুত মাটি লৈছে কিন্তু মাটি মালিকক যিখিনি ক্ষতিপূৰণ দিব লাগে সেইখিনি দিয়া নাই। ইয়াৰ এটা সুবিচাৰ কৰিব লাগে। আকৌ একচনা মাটি ম্যাদী কৰোতে সাধাৰণ মানুহে বৰ কষ্ট পায়, ৩/৪ বছৰ ঘূৰি ফুৰা কথাও মই শুনিছো; এতিয়া হেনো ডি. চি. অনিল চৌধুৰীয়ে শণিবাৰে মাটি কিনি সোমবাৰে ম্যাদী কৰিব পাৰে কিন্তু সাধাৰণ মানুহৰ ক্ষেত্ৰত সেইটো নহয় কিয় ?

তৃতীয়তে বন বিভাগে এৰি দিয়া মাটিৰ কথা কওঁ। যেনে, পাভোৱা বিজাৰ্ভত বহুত মাটি এৰি দিছে। তাত বহুত পমুৱা মুছলমান আছে, খুব ভাল খেতিয়ক, হিন্দু মানুহো আছে কিন্তু তেওঁলোকে পোৱা নাই। যদিও তাত বন বিভাগৰ ব টোও নাই তথাপি তালৈ পুলিচ সোমাই যায়, S. D. C. য়ে বঙা চকু দেখুৱায়; এনেকুৱা কথা ভাল হোৱা নাই। গতিকে এনেকুৱা মাটিৰ সিদ্ধান্ত সোনকালে কৰিব লাগে। চতুৰ্থতে সংকিৰ্ণতা বুলি নাভাবিব, Scheduled Caste এ মাটি পোৱা নাই। একেবাৰে পোৱা নাই। দিয়া হৈছে কাগজে পত্ৰে কিন্তু পোৱা নাই। মই নিজেই জানো লক্ষীমপুৰত Land Advisory Committee ত আমি মনোনয়ণ কৰিছো যদিও মণ্ডলে মাটি দেখুৱাই দিয়া নাই। সঁচাকৈ এই আইন কৃতকাৰ্য্য হোৱা নাই। ইয়াত নীতি আৰু কাৰ্য্যৰ মাজত বিৰাট বিভেদ হৈছে। আমি সৰু মানুহ সৰু কথা কওঁ। যদি চিলিং আইন কাৰ্যকৰী কৰিব নোৱাৰে তেন্তে উগ্ৰ ৰাজনীতি আহিব। অসমত উগ্ৰ ৰাজনীতিক ধাৰা সোমাইছে। বাংলা দেশ হোৱাৰ পিচতো

বহুতো মানুহ সোমাইছে । মাটি বিতৰণৰ বাবে "ওৱাৰ ফুটিঙত" কৰাৰ কাৰণে এটা মেচিনাৰি কৰক । সচা মিছা কব নোৱাৰো কিন্তু শুনিছো ৺আম্নাডুবাই চাহাবে এনে বিতৰণ কৰিবলৈ হওক কিম্বা D.M.K. দলক জনপ্ৰিয় কৰিবলৈ হওক, কোনো কোনো ঠাইত ৭/৮ দিন থাকি স্কুল ছুটী দিছিল । শিক্ষক সকলক ছুটী দিছিল আৰু মাটি পট্টন দিছিল । এইটো কৰিছিল বুলি S.P. Sing, I.A.S. ৰ পৰা গম পাইছিলো। গতিকে "ওৱাৰ ফুটিঙত" এই কাম কৰিব লাগে বুলি আমি পৰামৰ্শ দিব খোজো ।

( সময়ৰ সংকেত )

আমাৰ মুখ্যমন্ত্ৰীয়েও তেনে চেষ্টা কৰিছিল কোনো ঠাইত ? ঠিক সেইদৰে কৰি আহিছিল নেকি ?

Shri Mohendra Mohan Chudhury : গোৱালপাৰাত ।

Dr. Bhupen Hazarika : যদি "ওৱাৰ ফুটিঙত" কৰিব নোৱাৰে তেন্তে সতৰ্ক কৰি কৈছো অসমত উগ্ৰ ৰাজনীতি সোমাব । এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

Shri Premadhor Bora : সভাপতি ডাঙৰীয়া, আমাৰ চৰকাৰৰ ভূমিনীতি আনি আইন খন বেআইনী হৈছে নে বেআইনী আইন মই বুজিব পৰা নাই । এইটো ৰাজহ মন্ত্ৰীক উত্তৰ দিবলৈ জনালো । যদি সচাঁকৈ আইনখন বেআইনী হোৱা নাই তেনেহলে চিলিং আইন মতে দুখীয়া মানুহে কিমান মাটি পাইছে । আজি অসমৰ ১২০ লাখ মানুহৰ ৬০ লাখ আধাপেটি থাকে, ৩০ লাখে চাৰি সাজৰ মাজত এসাজ খায়। মাত্ৰ ১৫ লাখ মানুহহে ভালকৈ খাবলৈ পায় । ১৫ লাখ মানুহ খোজনীয়া । আমাৰ মন্ত্ৰী সকল গাঁৱত নাথাকে । সেই কাৰণে খোজনীয়া কিমান আছে বুজি নাপায়, তেখেত সকল গাঁৱত থকা হলে খোজনীয়া কিমান আছে গম পালেহেঁতেন । ২৪ বছৰৰ আগতে এই খোজনীয়াৰ সকলৰ কথাটো জাতিৰ পিতা মহাত্মা গান্ধীয়ে দৰিদ্ৰ নাৰায়ণৰ সেৱাত ব্ৰতী হৈছিল । আজি সেই দৰিদ্ৰ সকলৰ সতিসন্ততি আধাপেটি খাই ২৪ বছৰ বয়সীয়া হ'ল । আজি অৰ্থনৈতিক বিপ্লৱৰ কথাই কওক বা অন্য কিবাই কওক এই ২৪ বছৰ আগতে দৰিদ্ৰ আধাপেটি খোৱা সকলৰ কথা মহাত্মা গান্ধীয়ে ভাবিছিল, কিন্তু ২৪ বছৰৰ

পিচতো. সেই আধাপেটি খাই জীৱন ধাৰণ কৰা আৰু তেওঁবিলাকৰ সতি-সন্ততিৰ কথা চৰকাৰে ভাবিব পৰা নাই । এইটোৱেই হৈছে সমস্যা।

আমাৰ ৰাজহৰ ৫ কোটি টকাৰ তিনি কোটি খৰচ হয়, অফিচাৰৰ লগত বাকী দুই কোটি থাকে। কিন্তু আমাৰ তৃতীয়া খেতিয়ক সকলৰ কথা কোনে ভাবিছে ? ভূমি-ৰাজহৰ ক্ষেত্ৰত তৃতীয়া খেতিয়ক সকলৰ প্ৰতি মন দিবলৈ ৰাজহ মন্ত্ৰীক আহ্বান জনাইছো, অনুৰোধ কৰিছো । দৰকাৰ হলে ঠায়ে ঠায়ে তম্বু পতাৰ ব্যৱস্থা কৰক। ৰাজহ চেক্ৰেটাৰী, Land Record ৰ এই কথাতে যদি তম্বু পাতি ঠায়ে ঠায়ে ঠায়ে কাম কৰে Settlement দিয়ে, তেনেহলে এমাহৰ ভিতৰতে বহুত কাম হৈ যাব ।

কোনো এটা মঞ্জুৰীৰ কাৰণে আমি M.L.A. বিলাকে দৰখাস্ত এখন Recommend কৰো Minister লৈ আৰু Minister এ পঠাই দিয়ে চেক্ৰেটাৰীলৈ আৰু চেক্ৰেটাৰীয়ে পঠিয়াই বোৰ্ডলৈ । আকৌ তাত আছে মণ্ডলৰ কথা । মণ্ডলে তাত আকৌ গোলমাল লগায়।

(সময়ৰ সঙ্কেত)

মই মাত্ৰ এটা কথা কৈ শেষ কৰিম । এই যে, Settlement Advisory কমিটি কৰা হৈছে এইবোৰ Non-Settlement কমিটিহে হৈছে । ই ভেকোভাওনাৰ বাহিৰে একো নহয় । গতিকে এইবিলাক গুচাই দিব লাগে যিহেতু এই বোৰ্ডে বহুত গোলমাল লগাইছে ।

তাৰপিচত উত্তৰ লক্ষীমপুৰলৈ মন্ত্ৰী মহোদয়ে তেখেতৰ সচিবৰ সৈতে যোৱাত লক্ষীমপুৰীয়া বাইজে সম্ভাষণ জনাইছে । কিন্তু এটা আচৰিত কথা তেখেতো আচৰিত হৈছে আজি ১২ বছৰে লক্ষীমপুৰত কোনো Settlement হোৱা নাই । মন্ত্ৰী মহোদয়ে তাত ৰাইজক তাৰ বাবে দোষী অফিচাৰ কেইজনক বদলি কৰিম বুলি আশ্বাস দি অহাত সুখী হৈছে । কিন্তু তেখেতে কৈ অহাৰ ১৫ দিনৰ ভিতৰত বহুতো লিষ্ট কৰা হৈ গ'ল । মই আশাকৰো মন্ত্ৰী মহোদয়ে ইয়ালৈ ভ্ৰূক্ষেপ নকৰি দোষী অফিচাৰ খিনিক বদলি কৰিব ।

গতিকে মই আশাকৰো বাস্তৱ দৃষ্টি ভঙ্গিৰে কামবিলাক কৰিবলৈ আপোনালোকে তম্বু পাতি বহি যাওক ।

**Shrimati Pranita Talukdar** : অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ মঞ্জুৰীটো সমৰ্থন কৰি দুষাৰমান কব খুজিছো। অসমৰ নিচিনা এখন কৃষি প্ৰধান ঠাইত কৃষক সকল মাটিহীন হোৱাটো দুৰ্ভাগ্যৰ কথা। আমাৰ পঞ্চ বাৰ্ষিক পৰিকল্পনা সমূহৰ জৰিয়তে বিভিন্ন ভূমি সংস্কাৰ আইন প্ৰণয়ন কৰি সেই বিলাক কাৰ্য্যকৰী কৰাৰ প্ৰচেষ্টা চৰকাৰে চলাই আহিছে। আজি আমাৰ ৰাজ্য খনত ভূমিহীন খেতিয়কৰ সমস্যাই সমস্যাৰূপে দেখা দিছে। জনসাধাৰণৰ লগত ৰাজহ বিভাগৰ ওতঃপ্ৰোতভাৱে সম্বন্ধ আছে। গতিকে এই বিভাগটো শক্তিশালী আৰু দুৰ্নীতি মুক্ত হব লাগে আৰু যিবিলাক বিষয়া আছে তেওঁলোক কৰ্ত্তব্য পৰায়ণ হোৱা উচিত। কিন্তু দুখৰ কথা এই বিভাগৰ বিষয়া সকলেই বেছি দুৰ্নীতি পৰায়ণ বুলি ৰাইজৰ পৰা অভিযোগ শুনা যায়। মাটি পট্টনৰ ক্ষেত্ৰত দুখীয়া গৰীৱ ৰাইজৰ উপৰত যথেষ্ট জোৰজুলুম কৰি টকা আদায় কৰাৰ বহুতো উদাহৰণ আছে। আমাৰ বৰপেটা মহকুমাৰ মাটি পট্টনত কি দৰে বেমেজালি হৈছে তাৰ উদাহৰণ দিছো। বৰপেটা বিজাৰ্ভত ১৮ বছৰ আগতে গড়াখহনীয়াত প্ৰপীড়িত সকলক মাটি দিয়া হৈছিল কিন্তু দুখৰ বিষয় আজিলৈকে মাটি পট্টন দিয়াহোৱা নাই আকৌ আগৰ কেইজনকে দিয়া দূৰৰ কথা কিছুমান বেলেগ মানুহক পট্টা দি তাত বহুৱাবৰ এটা চেষ্টা চলাইছে। ফলত ৰাইজৰ মাজত অসন্তোষে দেখা দিছে। তাৰ পিচত আমি দেখিছো ১৯৫০ চনতে মোৰ সমষ্টিৰ ফাটেমাবাদ বাগানত মাটি দিয়া হৈছিল। কিন্তু আজিলৈ পট্টা দিয়াৰ ব্যৱস্থা হোৱা নাই আমি ৰাইজে ইমান আবেদন নিবেদন কৰা সত্বেও ৰাজহ বিভাগে কোনো তৎপৰ ব্যৱস্থা লোৱা নাই। আশাকৰো এই ক্ষেত্ৰত চৰকাৰে চোকা দৃষ্টি দিব।

(সময় সংকেত)

চৰকাৰে ৰাইজৰ প্ৰতি কৰা অবহেলাৰ এটা দৃষ্টান্ত দিছো। মোৰ সমষ্টিৰ বৰনগৰ চাৰ্কোল অফিচ ১৯৬০-৬১-৬২ চনত সামাজিক অনুষ্ঠানৰ ঘৰত চলি আছিল। আজি ১$\frac{1}{2}$ বছৰে ভাড়াৰ টকা পোৱা নাই। এই সম্পৰ্কে মই DLR ৰ ওচৰলৈ গলো। A.G. Office ত খবৰ কৰিলো। তাত খবৰ কৰি গম পালো ১৯৬৭ চনতে D.L.R. ৰ অফিচৰ পৰা A.G. অফিচলৈ চিঠি গ'ল, আজিলৈকে তাৰ কোনো কাম নোহোৱাটো দুখৰ কথা। আশা কৰো এই ক্ষেত্ৰত ৰাজহ মন্ত্ৰীয়ে উত্তৰ দিব। এই কথাটোলৈ মোৰ সমষ্টিত স্কুল-

স্থূল হৈছে। CP (M) এ মাইকেৰে ঘোষণা কৰিছে যে MLA ই টকা খিনি আত্মসাৎ কৰিলে। গতিকে এইবিলাক কথাত চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰি বক্তব্য সামৰণি মাৰিলো।

Shri Biswadev Sarma (Minister, Revenue): অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য সকলে যিবিলাক কথাৰ আলোচনা কৰিছে গোটেই বিলাক বিষয়ৰ উত্তৰ দিয়াটো সম্ভৱপৰ নহয়। ইয়াৰ উত্থাপন কৰাৰ ভিতৰত বহুতো মাননীয় সদস্য সকলৰ ব্যক্তিগত অভিযোগ আছে তাৰ বিশেষ ভাৱে তদন্তৰ ব্যৱস্থা লম।

এতিয়া অসমৰ ভূমি সমস্যা আৰু ভূমি পট্টন ব্যৱস্থা এনেকুৱা জটিল যে গোটেই অসমৰ ভূমি পট্টন ব্যৱস্থা একেৰকমৰ নহয়। গোৱালপাৰা জিলাত বেলেগ ব্যৱস্থা, কাছাৰ জিলাত বেলেগ ব্যৱস্থা আৰু খাছীয়া জয়ন্তীয়া পাহাৰতো বেলেগ ব্যৱস্থা। অসমৰ ভূমি সংস্কাৰ নীতিত যি বিলাক আইন পাছ হৈছে সেইটো বাইজে কিমানদূৰ গম পাইছে মই নাজানো। সেই কাৰণে মই ভাবো অসমৰ ভূমি সংস্কাৰৰ সম্পৰ্কে এই ভূমি-নীতি পাছ কৰা হৈছে; কিন্তু এই গোটেই বিলাক সৰল কৰি সংশোধন কৰিবলগীয়া আছে। এনেকুৱা এটা ব্যৱস্থা গোন প্ৰথমে লব লাগিব বুলি আমাৰ ধাৰণা হৈছে আৰু এটা High Power কমিটিৰ যোগেদি এই ব্যৱস্থা লবলৈ সিদ্ধান্ত কৰিছো।

এতিয়া আমাৰ ভূমি পট্টন সম্পৰ্কে কেইটামান প্ৰস্তাৱ বিধান সভাত কেইজন মান মাননীয় সদস্যই উত্থাপন কৰিছে আৰু যি বিলাক আসোঁৱাহৰ কথা উলিয়াইছে যে প্ৰকৃত মাটিহীন লোকে মাটি পোৱা নাই, এই কথাটো যদি সঁচাকৈ নাইকীয়া কৰিব লাগে তেনেহলে মূলতে আমি এটা কাম কৰিব লাগিব। অৰ্থাৎ খেতিয়ক শ্ৰেণীয়ে যি সকলে মাটি দখল কৰি আছে বা যি সকলে মাটি পাবৰ যোগ্য তেওঁলোকক যদি সম্পূৰ্ণ অধিকাৰ দি দিওঁ তেনেহলে সেই মাটিৰ খেতিয়ক সকলক আমি কিছুমান মাটি অৰ্পন কৰিব লাগিব, এইটো হ'ল মাটি থকা মানুহে মাটি লৈ খাই থাকিব— সেই কাৰণে আমাৰ বিশ্বাস যে আজি যি Tenancy Bill আনিছে এইটো সকলো সদস্যই পাছ কৰিব আৰু

এই Bill টো পাচ হলে আজি যি সকল ধনী মানুহে টকাখোৱা, টকা লোৱা কাৰবাৰ মাটিৰ ক্ষেত্রত কৰিছে বা প্রচেষ্টা চলাই আছে, মই ভাবো সেই প্রচেষ্টাৰ ওৰ পাৰিব আৰু মালিক সকলে তলতীয়া মানুহ সকলৰ পৰা মাটি লোৱাৰ ক্ষেত্রত যিটো Competition চলিছে সেইটোও লগে লগে নাইকীয়া হব ।

তাৰোপৰি আজি একেৰাহে তিনি বছৰ মাটিত খেতি কৰা লোকৰ যি অধিকাৰ ভূমিৰ ওপৰত দিয়া হৈছে সেই সমস্যা বিলাকৰো ওৰ পৰিব । সেই কাৰণে আজি যি বিলাক কমিটিৰ যোগেদি মাটি দিছে তাত কেৱল খেতিয়কক মাটি allotment মাত্র দিয়া হৈছে; Settlement দিয়া হোৱা নাই । এই allotment ত তেওঁলোকক অর্থাৎ মাটি পাব নলগীয়া মানুহক চৰকাৰে ইচ্ছা কৰিলে মাটিৰ পৰা উচ্ছেদ কৰিব পাৰিব। সেই কাৰণে এই allotment শব্দটো ব্যৱহাৰ কৰা হৈছে ।

এতিয়া চৰকাৰৰ Land Advisory Board আছে। তাৰোপৰি চৰকাৰৰ কিছুনাম Committee ও আছে । এই কমিটি বিলাকলৈ বা Land Advisory Board লৈ গাওঁৰ মুখীয়াল লোকৰ পৰা পোৱা মাটিহীন মানুহৰ list আছে । গাওঁসভাই list তৈয়াৰ কৰি দিব লাগে । তেনেকৈ কৰোতে list যদি নাহে বা list ত প্রকৃত মাটিহীন লোকৰ নাম নাই আৰু মাটি পাবনলগীয়া লোকৰ নাম আছে, তেনেহলে চৰকাৰে অন্য কি ব্যৱস্থা লব পাৰে ?

Shri Kamini Mohan Sarma : মই মন্ত্রী মহোদয়ক কব বিচাৰিছোঁ যে প্রথমতে ভূমিহীন লোকক দখল কৰিবলৈ দিব লাগে । তাৰ পাছত সেই বিলাক আকৌ পৰীক্ষা কৰিব লাগে যে প্রকৃততে মাটি থকা মানুহ নে মাটি নথকা মানুহ ? মাটি নথকা লোকক ৰাখি মাটি থকা লোকক তাৰ পৰা বাহিৰ কৰি দিব লাগে ।

Shri Biswadev Sarma : এতিয়া আমাৰ চৰকাৰে সিদ্ধান্ত কৰিছে যে যি সকলে ১৯৬৭ চনৰ আগৰে পৰা দখল কৰি আছে, সেই সকলক মাটিৰ পট্টন দিবলৈ চেষ্টা হৈছে । আৰু প্রকৃততে মাটি পাবলগীয়া ভূমিহীন লোকে যাতে মাটিৰ সম্পূর্ণ স্বত্ব তথা অধিকাৰ পায়, তাৰ বাবে

চৰকাৰে খৰতকীয়া ব্যৱস্থা কৰিছে। সেই কাৰণেই আজি Allotment দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ মূল উদ্দেশ্য হ'ল আমি খাটাং কৰি কৰি মাটি দিয়া নাই। তাৰ ভিতৰত যি বিলাকে মাটি পোৱাৰ যোগ্য তেওঁলোকক অনুসন্ধান কৰি সোনকালে পট্টন দিয়াৰ ব্যৱস্থা কৰা হৈছে।

তাৰোপৰি এতিয়া যি বিলাকে বে-দখল কাৰ্য্য চলাই আছে এই গোটেই বিলাকক উচ্ছেদ কৰাটো সম্ভৱ নহয়। কাৰণ উচ্ছেদ কৰোতে দুৰ্ভাগ্যবশতঃ ৰাজনৈতিক কাৰণত কোনো গণ্ডগোলৰ সৃষ্টি হ'ল আৰু পুলিচক খবৰ দিলে যদিও পুলিচে গৈ কাম কৰিবগৈ নোৱাৰে। গতিকে এই গোটেই কথা ভাবি চিন্তিহে উচ্ছেদ কাৰ্য্য চলোৱা হৈছে।

তাৰপাচত চিলিং আইন কৰিছো যদিও চৰকাৰে যিমান খিনি সুফল পাব লাগিছিল সিমান খিনি পাব পৰা নাই। কাৰণ চাহ বাগান বিলাকত মালিক সকলে বহুতো কুটনীতিৰে জটিল পৰিস্থিতি সৃষ্টি কৰিছে। কাৰণ তেওঁলোকে ইতিমধ্যে কিছুমান মানুহক মাটি বিক্ৰি কৰি দিছে আৰু কিছুমান হস্তগত কৰিছে। এই ক্ষেত্ৰত আমাৰ D C. য়ে এটা নিৰ্দ্দেশ জাৰি কৰিছিল যে মালিক সকলৰ তেনে কাৰ্য্যত চিলিং আইন কাৰ্য্যকৰি কৰাত অসুবিধাৰ সৃষ্টি হব পাৰে। সেই কাৰণে তৎক্ষণাৎ Requisition দি বন্ধ কৰি দিয়া হৈছে।

Shri Promode Chandra Gogoi: তেখেতে নবেম্বৰ মাহত যিখন Circular দিয়াৰ কথা কৈছে সেই Circular খন মালিক সকলে পোৱাৰ পাছতো বাগান বিলাকত Back date দি মাটি হস্তান্তৰ কৰি আছে। এই বিষয়ে চৰকাৰে কি ব্যৱস্থা লৈছে?

Shri Biswadev Sarma: চিলিং আইনৰ ওপৰিও এই বিলাক বিষয়ত আৰু বহুখিনি আইন আছে, যাৰ দ্বাৰা চিলিং আইন প্ৰযোজ্য কৰিব পাৰো।

Shri Promode Chandra Gogoi: আজি তেনেকুৱা হাৰিব নোৱাৰা আইন প্ৰয়োগ কৰাৰ পাছতো Back date দি দলিল আদি কৰি কৰিছে যিটো নেকি সত্য নহয়। ১৯৭০ চনত হোৱা কাৰ্য্যটো ১৯৪০ চন কৰা আছে।

Shri Biswadev Sarma : তেনেকুৱা ঘটনা ক'ৰবাত হোৱা বুলি মোৰ বিশ্বাস নহয় আৰু আমাৰ এতিয়া যিবিলাক আইন কৰি থোৱা আছে তাৰ দ্বাৰা মই ভাবো মালিক সকলেও আমাৰ প্ৰগত সহযোগ কৰিবলৈ বাধ্য হব ।

আৰু এটা কথা মাননীয় সদস্যসকলে বিশেষকৈ এইবাৰ সদনত উলিয়াইছে যে জনজাতি আৰু অনুসূচীত জনজাতিৰ লোকক মাটি দিয়া হোৱা নাই । মই এই ক্ষেত্ৰত চৰকাৰী হিচাব এটা ডাঙি ধৰিব খুজিছো যে এতিয়ালৈকে ১৭১০ জন অনু সূচীত জনজাতি আৰু ২৭১১ জন জনজাতিক ১৬৮,৭৯৮ বিঘা মাটিত ১৯৬৮ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত Settle কৰা হৈছে ।

Shri Maneswar Boro : ছাৰ, এইটো কথা সঁচানে ? এইটো হিচাব কথাতহে দিছেনে কাগজতো দিছে ?

Shri Biswadev Sarma : চৰকাৰী হিচাবহে ডাঙি ধৰিছো ।

( গোলমাল )

Dr. Bhupen Hazarika : পট্টা পাসে বুলি লিখা আছে নে ?

Shri Biswadev Sarma : Settlement দিয়া হৈছে । Settlement দিয়াৰ পিছতহে পট্টা পাব ।

Shri Dulal Chandra Barua : কোন কোন জেগাত দিয়া হৈছে জনাব পাৰিবনে ?

Shri Biswadev Sarma : গোটেই বিলাক figure পঢ়োঁতে বহুত সময় লব । গোটেই বিলাক Subdivision তে দিয়া হৈছে । ইমান সংখ্যকক এতিয়ালৈকে মাটি দিয়া হৈছে ।

The total area of P. G. R. distributed to the Scheduled castes and Scheduled tribes is 21,765 bighas to 3150 families.

Total area of P. G. R. distributed to the Scheduled castes and Scheduled tribes is 13,660 bighas to 24 2 families. Total area of waste land settled with the Scheduled castes and Scheduled tribe is 98,682 bighas to 6227 families.

Shri Phani Bora : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দিয়া list খনৰ এটা উদাহৰণ দিছে। enquiry কৰি চালে দেখা পাব যে তাত প্ৰকৃততে Schedule Cast, Schedule Tribe এ পাইছেনে, নে অন্য কোনোৱাইহে পাইছে। কাৰৈমাৰী Reserve ত এক হাজাৰ Schedule Caste, Schedule Tribe ৰ যুৱকক মাটি দিয়া হৈছে। কিন্তু মন্ত্ৰী মহোদয়ে তাত Enquiry কৰি চালে দেখা পাব যে তাত Schedule Caste আৰু Schedule Tribe ৰ কোনো মানুহ নাই। অন্য মানুহেহে তাত খেতি কৰি আছে। মাটি ভগোৱাৰ ক্ষেত্ৰত চৰকাৰৰ সেই নীতিৰে পৰিণতি হৈছে এইয়া।

Shri Biswadev Sarma : এতিয়ালৈকে দিয়া মাটিৰ হিচাবহে দিছো। ভৱিষ্যতে যিবিলাক দিয়া হব সেইটো কোৱা নাই।

Shri Phani Bora : মই বৰপেটা Subdivision ৰ কাৰৈ মাৰী ৰিজাভত যি সকলক দিছে সেই সকলৰ কথাকে কৈছো। মুখ্য মন্ত্ৰীয়েও তাত অংশ লৈছে। তাত থকা Schedule Caste, Schedule Tribe ৰ মানুহক মৰিয়াই খেদি দিয়ে। মন্ত্ৰী মহোদয়ে নিজে খবৰ কৰি চাওক গৈ কোনে তাত মাটি দখল কৰি আছে।

Shri Biswadev Sarma : খবৰ কৰিম।

Shri Soneswar Bora : মন্ত্ৰী মহোদয়ে ২৯০ তাৰংকিত প্ৰশ্নৰ উত্তৰ দিওঁতে কৈছিল যে নগা পাহাৰত ১০ বিঘাকৈ ৩৩৬ টা বড়ো কছাৰী পৰিয়ালক মাটি দিয়া হৈছিল। মই জনাত তাত এঘৰো মানুহ বহি থাকিব পৰা নাই। নগাই বেদখল কৰি মাটি খিনি ৰাখি থৈছে। সেই খিনিও ইয়াত ধৰা হৈছে নেকি ?

Shri Biswadev Sarma : সেইটো হিচাবত ধৰা নাই। এটা কথাত মই মাননীয় সদস্য সকলৰ লগত একমত যে আমি আমাৰ weaker section বিলাকক বেছিকৈ সহায় কৰিব পৰা নাই। weaker section বিলাকে মাটি দখল কৰোতে পুলিচৰ সহায় দিব লাগে। কিন্তু আমাৰ পুলিচ বিভাগটো এনে কিছুমান জৰুৰী কামত জড়িত হব লগা হৈছে যে মাটি

দখল কৰোতে আমি Schedule Caste, Schedule Tribe আদি weaker section বিলাকক যথাযথ কোনো সহায় দিব পৰা নাই। তাত সোমাবলৈ গলেও ধনুকাড়লৈ মাৰিবলৈ আহে। গতিকে তাত চৰকাৰী সহায়লৈ বহুৱাব নোৱাৰীলে পুলিচ বিলাক ব্যৰ্থ হৈ যাব। এই পুলিচ বিভাগৰ ইমান কাম যে এসপ্তাহ মান থকাৰ পিছত ঘুৰি আহিব লগা হৈছে। তেতিয়াই উপদ্ৰৱ চলিছে। এই বিলাক বিষয়ত কি ব্যৱস্থা কৰিব পাৰি সেই বিষয়ে নিশ্চয় ব্যৱস্থা লম।

তাৰ পিছত আমাৰ শ্ৰীকলিতা ডাঙৰীয়াই যিবিলাক কথাৰ অৱতাৰণা কৰিছে সেই বিষয়ে মই এতিয়া একো কব খোজা নাই। এই কাৰণেই যে এই বিষয়ে তদন্ত কৰিবলৈ এটা Committee গঠন কৰিব খুজিছো। তাৰোপৰি আমাৰ মাননীয় সদস্য সকলক প্ৰত্যেক জিলা মহকুমাতে Schedule Caste আৰু Schedule Tribe ৰ মানুহক মাটি দিয়াৰ list খন দিব পাৰো। কিন্তু এতিয়া দিবৰ সময় নাই। আন এটা অভিযোগ যে Co-operative ৰ নামত কিছুমান ধনী মানুহে মাটি পাই আছে, মোৰ বিশ্বাস যে Tenancy Bill ৰ লগত Record of Rights ৰ কথাটো জড়িত হলে এইটো ভাল হব যেন পাইছো। এইটো তৈয়াৰ কৰিবলৈ নতুনকৈ Planning Commission ক টকা দিয়া হৈছে। আমাৰ শ্ৰীগিয়াচুদ্দিন চাহাবে কোৱা কথাটোৰ সন্দৰ্ভত আমি গোৱালপাৰাৰ M.L.A. সকলৰ লগতো আলোচনা কৰিব খুজিছো, কাৰণ গোৱালপাৰাৰ কথাটো অলপ সুকিয়া তাৰ কাৰণে Record of Rights কৰিব লগা হলে ততাতৈয়াকৈ ব্যৱস্থা লম। কৰিমগঞ্জৰ সম্পৰ্কেও তেখেত সকলৰ লগত আলোচনা কৰি তাৰ সুকীয়া কিবা আইন আদি কৰিব লাগিলেও তাৰ ব্যৱস্থা কৰিব লাগিব। বুনিয়াদী কথা হৈছে Records of Rights হৈ গলেই বে-দখল কমি যাব। এইটো তৈয়াৰ কৰিবলৈ হলে আমাৰ সকলো কালৰে মাননীয় সদস্য সকলৰ সহায় সহযোগ লাগিব। আজি দ্ৰুতগতিত ক্ৰমবৰ্দ্ধমান জন-সংখ্যাৰ সমস্যাৰ সময়ত অসমৰ মাটিৰ সমস্যাটো এটা ডাঙৰ সমস্যা হৈ দেখা দিছে। ভবিষ্যতটো এই মানুহ বিলাকক পোহপাল দিব লাগিব। গতিকে এই মাটিৰ সমস্যাটো সমাধান কৰাৰ কাৰণে সকলো সদস্যৰে সহযোগ দৰ্কাৰ হব।

সমাজৰ কিছুমান নেতৃস্থানীয় লোকে যদি অন্যায় ভাৱে মাটি লয় তেতিয়া তাৰ তলতীয়া কৰ্ম্মচাৰী সকলৈকো বেয়া। সমাজৰ নেতৃস্থানীয় লোক সকলে ভালকৈ কাম কৰিলে কোনো তলতীয়া অফিচাৰে বেয়া কাম কৰিবলৈ নেভাৱে। আপোনালোকে জানে যে মাটিৰ সমস্যাটো দিনে দিনে জটিল হৈ আহিছে। শ্ৰীহাজৰীকা ডাঙৰীয়াই কোৱাৰ দৰে ইয়াৰ কাৰণে ৰাজনৈতিক আন্দোলনো অসম্ভৱ নহয়। গতিকে এই জটিল মাটি সমস্যাটো সমাধানৰ ক্ষেত্ৰত সমাজৰ নেতৃস্থানীয় লোক সকলে চৰকাৰৰ লগত সহায় কৰিলে ভাল হব। কাৰণ কোনো ৰাজনৈতিক কাৰণ জড়িত থাকিলে এই প্ৰচেষ্টাটো বাধা প্ৰাপ্ত হব। আমাৰ বিত্ত মন্ত্ৰীয়েও কৈছে যে মাটি পট্টন নোহোৱাৰ কাৰণে বহু কোটি ৰাজহ লোকচান হৈছে। ৰাজহ নিদিয়াৰ কাৰণে employment scope ৰ পৰাও বঞ্চিত হব লগা হৈছে আৰু আমাৰ উৎপাদনৰ পৰাও বঞ্চিত হব লগা হৈছে। গতিকে এই সকলো কথাৰ প্ৰতি আমি মনোযোগ দিম।

( Debate concludes )

Mr. Speaker :— Order, order, it is 4-30 P. M. All the cut motions are guillotined.

I now put the grants. The question is that grant Nos. 2, 13, 23, 62, 77, 80, 92, 65, 58, 59, 85, 86, 26, 27, 28, 29, 36, 37, 82, 84, 96, 101, 102, 15, 71, 97, 4, 33, 52, 54, 55, 60, 64 and 105 be passed.

( After a pause )

The motion is adopted and the grants are passed.

THE ASSAM APPROPRIATION (NO. II) BILL, 1971.

Mr. Speaker : Now the Appropriation Bill will be distributed.

Shri Kamakhya Prasad Tripathi ( Minister, Finance ):— Sir, I beg leave of the House to introduce the Assam Appropriation No. 2. Bill, 1971.

Mr. Speaker— Here is a message from the Governor of Assam : "Rajbhavan Shillong, the 10th May, 1971— Under the provision of Atricle 207 (1) of the Constitution of India, I, Braj Kumar Nehru, Governor of Assam, recommend the introduction of the Assam Appropriation ( No. II ) Bill, 1971 in the Assam Legislative Assembly —Sd: B. K. Nehru, Governor of Assam".

I put the question that leave be granted to introduce the Assam Appropriation No. 2 Bill, 1971.

( **After a pause** )

The motion was adopted.

Shri Kamakhya Prasad Tripathi, ( Minister, Finance ):— Sir, I introduce the Bill.

( The Secretary read out the title of the Bill introduced)

MOTION FOR EXTENSION OF TIME FOR SUBMISSION OF THE REPORT OF COMMITTEE ON PRIVILEGS.

Shri Ataur Rahman, ( Minister, Parliamentary Affairs )— Sir, I beg to move that this Assembly agrees to the extension of time till 31st August, 1971 for submission

of Reports of the Committee of Privileges relating to the complaints against :

(a) (1) The Editor of Assam Tribune, Gauhati, (2) The Special Correspondent and Representative of Assam Tribune at Shillong by Shri Phani Bora, M. L. A. and

(b) The Editor, Correspondents, Printers and Publishers of Assam Tribune and Dainik Asom and U. N. I. and Shillong Representative of U. N. I. by Dr. Bhupen Hazarika, M. L. A.

Mr. Speaker— The question is that this Assembly agrees to the extension of time till 31st August, 1971 for submission of Reports of the Committee of Privileges relating to the complaints against :

(a) (1) The Editor of Assam Tribune, Gauhati (2) The Special Correspondent and Representative of Assam Tribune, Shillong by Shri Phani Bora, M. L. A. and

(b) The Editor, Correspondent, Printers and Publishers of Assam Tribune and Dainik Asom and U. N. I. and Shillong Representative of U. N. I. by Dr. Bhupen Hazarika, M. L. A.

( The motion was adopted. )

## Re : SUPPLY OF FURNACE OIL TO TEA INDUSTRY

Shri Hiralal Patwary : Mr. Speaker, Sir, I am grateful to you for kindly accepting my adjournment motion under rule 301 though intimated to me that you have accepted

it under rules 56 or 57. Any way, you have understood the gravity of the situation and I would like to draw the attention of the Govt. to unsuitable furnace oil that is supplied to the North Bank industries and if this oil cannot be used by the tea industry or if it is used then it will seriously affect the tea and that will be totally unacceptable to foreign countries, they will refuse to accept this. There will be great loss to Assam and India as a whole and this may affect the tea garden labourers because if the gardens are closed down, this tea industry cannot manufacture tea and there will be serious loss of revenue. So the situation is very serious. So far as I understand 5 tanks have arrived at North bank and if this oil is used machinery will be damaged and tea w ll emit foul smel and so it will not be purchased by the buyer. So far as I understand Government have also got the information from I.T.A. also ; they have sent a telegram. I have visited three or four gardens and they have shown me the process ; if it is used by direct method it will affect the tea. So I have drawn the attention of the Government and this should be taken up with the Govt. of India and instead of Jalpaiguri oil Assam oil which have been produced in Assam should be used.

Shri Biswadev Sarma ( Minister Industies ) : Sir, on 16th May last a delegation from ABITA represented to me that the Supply Plant Committee of the Ministry of Petroleum and Chemicals has decided to supply furnace oil from New Jalpaiguri area instead of Assam furnace oil which has so far been used by the industry. The

